www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বৃহৎ যাত্ৰাৰ সৰ্বাধিক কঠিন বস্তু হৈছে সিদ্ধান্ত লোৱা। বাকী টুকুৰাটো মাত্ৰ দৃঢ়তা। — এমেলিয়া এৰহাৰ্ট

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৬৪ | সোমবাৰ | ০৩ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 264 | Monday | 03rd August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

# ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধিবলৈ ৯০ কোটি টকাৰ প্ৰকল্প



## স্থায়ী সমাধানৰ বাবে গুৱাহাটীৰ আইআইটিৰ বিশেষজ্ঞৰে আলোচনাৰ আশ্বাস মুখ্যমন্ত্ৰীৰ ❑ চাৰিদিনীয়া কাৰ্যসূচীৰে উজনি অসমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ আগষ্ট ঃ** উজনি অসমৰ বান পৰিস্থিতি প্ৰত্যক্ষভাৱে বুজিবলৈ আৰু সমস্যাসমূহৰ সমাধানৰ পথ বিচাৰিবলৈ দেওবাৰে ডিব্ৰুগড়ত উপস্থিত হয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বিমানবন্দৰত অৱতৰণ কৰাৰ পিছতে তেওঁ পোনে পোনে চাবুৱাৰ মুলুক গাঁৱলৈ যায়, য'ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ জ্যেষ্ঠ ভাতৃ প্ৰসাদ সোণোৱালৰ আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হৈছিল। মুখ্যমন্ত্ৰীয়ে শ্ৰাদ্ধত অংশগ্ৰহণ কৰি শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তাৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে চাবুৱা পুখুৰীজান অঞ্চলৰ ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াগ্ৰস্ত অংশ পৰিদৰ্শন কৰে। এই খহনীয়া অঞ্চলটো স্থানীয় ৰাইজৰ বাবে এক দীৰ্ঘদিনীয়া সমস্যা, যিয়ে বাৰে-বাৰে ঘৰ-বাৰী আৰু কৃষিভূমি বিপদাপন্ন কৰি আহিছে। পৰিদৰ্শন শেষত মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক কয়, "চাবুৱা সমষ্টিত যি গৰাখহনীয়া হৈ আছে, মই প্ৰত্যক্ষভাৱে পৰ্যবেক্ষণ কৰিলোঁ। যদিও বিভাগে পৰ্যায়ক্ৰমে কিছু কাম কৰি আছে, কিন্তু ❑ ৬ পৃষ্ঠাত

## গ্লাছগোৰ ৰেষ্টুৰেণ্টৰ মানচিত্ৰৰ ভুল সংশোধনৰ আশ্বাস

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ আগষ্ট ঃ** ভাৰতীয় বক্সিং ফেডাৰেচন (BFI)ৰ সভাপতি অজয় সিঙে দেওবাৰে জানিবলৈ দিয়ে যে গ্লাছগোৰ এখন জনপ্ৰিয় ভাৰতীয় ৰেষ্টুৰেণ্টে প্ৰদৰ্শিত ভাৰতৰ মানচিত্ৰত উত্তৰ-পূৰ্বাঞ্চল বাদ পৰা ভুল সংশোধন কৰাৰ আশ্বাস ভাৰতীয় দলক দিছে। অলিম্পিক পদকজয়ী বক্সাৰ লাভলীনা ❑ ৬ পৃষ্ঠাত

## গ্লাছগোৰ ৰেষ্টুৰেণ্টত ভাৰতৰ মানচিত্ৰত নাই উত্তৰ-পূব

### ক্ষুব্ধ বক্সাৰ লাভলিনা বৰগোহাঁই ঃ নেপকিনত উত্তৰ-পূব আৰু কাশ্মীৰ বিহীন ভাৰত




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ আগষ্ট ঃ** স্কটলেণ্ডৰ গ্লাছগো চহৰৰ এখন জনপ্ৰিয় ভাৰতীয় ৰেষ্টুৰেণ্টত খাদ্য গ্ৰহণ কৰি থকাৰ সময়তে অলিম্পিক পদক বিজয়ী তথা কমনৱেলথ গেমছৰ ৰূপৰ ❑ ৬ পৃষ্ঠাত

## ভৱিষ্যত ৰূপৰেখা নিৰ্ধাৰণৰ লক্ষ্যৰে ৫ আগষ্টত ক'কৰোচ্ছ জনতা পাৰ্টীৰ মূল সমিতিৰ বৈঠক

### নীট প্ৰশ্নকাকত ফাদিলৰ প্ৰতিবাদৰ পাছত দলটোৰ আগন্তুক কাৰ্যপন্থা স্পষ্টীভূত কৰিব বৈঠকত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ আগষ্ট ঃ** ক'কৰোচ্ছ জনতা পাৰ্টীয়ে আগন্তুক ৫ আগষ্টত দলটোৰ মূল সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লৈছে। দলটোৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকেই দেওবাৰে এই ঘোষণা কৰে। বৈঠকখন মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজীনগৰৰ ৱালুজ অঞ্চলত অৱস্থিত দীপকেৰ বাসগৃহত অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়া হৈছে। এই বৈঠকত ❑ ৬ পৃষ্ঠাত

## বান সাহায্যৰ নামত অনিয়মৰ অভিযোগ অখিল গগৈৰ

### 'বালক মিঠাতেল' ব্ৰেণ্ডৰ নাম কেতিয়াও শুনা নাই ঃ ১ লিটাৰৰ ঠাইত ৪০০ গ্ৰাম তেল, ৪ কেজিৰ ঠাইত ১ কেজি দাইল দিয়াৰ অভিযোগ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ আগষ্ট ঃ** বানপীড়িত ৰাইজক চৰকাৰে প্ৰদান কৰা সাহায্য—সামগ্ৰীৰ গুণগত মান আৰু পৰিমাণক লৈ তীব্ৰ অসন্তোষ প্ৰকাশ কৰি বিধায়ক অখিল গগৈয়ে আজি এখন সংবাদমেলৰ আয়োজন কৰে। তেওঁ চৰকাৰী সাহায্যৰ নামত যোগান ধৰা খাদ্য সামগ্ৰীসমূহ নিম্নমানৰ আৰু ভেজালযুক্ত বুলি অভিযোগ উত্থাপন কৰে। লগতে তেওঁ কেইবাটাও গুৰুত্বপূৰ্ণ দাবী আৰু প্ৰশ্ন উত্থাপন কৰি ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰে। সংবাদমেলত অখিল গগৈয়ে প্ৰথমেই বান সাহায্যৰ অংশ হিচাপে যোগান ধৰা 'বালক ❑ ৬ পৃষ্ঠাত

## নিয়মীয়া হোৱা পূৰ্বৰ SSA শিক্ষকৰ দৰমহা সম্পৰ্কে আশ্বাস শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ

### বিত্তীয়-প্ৰযুক্তিগত সমস্যা সমাধানৰ দিশত কাম চলি আছে ঃ ধৈৰ্য ধৰাৰ অনুৰোধ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ আগষ্ট ঃ** সমগ্ৰ শিক্ষা অভিযান (SSA)ৰ অধীনত পূৰ্বে চুক্তিভিত্তিত কৰ্মৰত আৰু শেহতীয়াকৈ বিশেষ নিযুক্তি অভিযান (Special Recruitment Drive – SRD)ৰ জৰিয়তে নিয়মীয়া কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দৰমহা বিতৰণক লৈ সৃষ্টি হোৱা সংশয় আৰু উদ্বেগ দূৰ কৰিবলৈ আগবাঢ়ি আহিছে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তেওঁ স্পষ্টভাৱে কয় যে ❑ ৬ পৃষ্ঠাত

## বান সাহায্য পুঁজিৰ সঠিক ব্যৱহাৰৰ দাবী মীৰা বৰঠাকুৰৰ

### পুনৰসংস্থাপনৰ বাবে নগদ ধন বিহীন ব্যৱস্থাৰ আহ্বান



**নিউজ ডেস্ক, অসম বাৰ্তা, ২ আগষ্ট ঃ** ৰাজ্যত বানপীড়িত ৰাইজৰ পুনৰসংস্থাপন আৰু সাহায্য বিতৰণৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ ফেচবুক পোষ্টে সমাজ মাধ্যমত ব্যাপক সঁহাৰি লাভ কৰিছে। ❑ ৬ পৃষ্ঠাত

### মানৱাধিকাৰ কৰ্মী প্ৰণৱ দলেৰ গ্ৰেপ্তাৰত এনএছএৰ অপব্যৱহাৰৰ অভিযোগ কংগ্ৰেছৰ

## কাজিৰঙাৰ সমীপত ৰিজ'ৰ্ট নিৰ্মাণৰ বিৰোধিতা কৰাৰ বাবে গ্ৰেপ্তাৰ ঃ জয়ৰাম ৰমেশৰ তীব্ৰ সমালোচনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ আগষ্ট ঃ** অসম আৰক্ষীয়ে শেহতীয়াকৈ মানৱাধিকাৰ কৰ্মী প্ৰণৱ দলেক গ্ৰেপ্তাৰ কৰাৰ পিছতে ৰাজ্য চৰকাৰে তেওঁৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এনএছএ) প্ৰয়োগ কৰে। এই প্ৰসংগত দেওবাৰে বিৰোধী দল কংগ্ৰেছে অসম চৰকাৰক তীব্ৰ সমালোচনা কৰি এনএছএৰ 'অপব্যৱহাৰ' বুলি অভিযোগ ❑ ৬ পৃষ্ঠাত

১৬ আগষ্টলৈ অনলাইন স্ব-গণনা
১৭ আগষ্টৰ পৰা ঘৰে-ঘৰে গণনাকাৰী

## আৰম্ভ হ'ল লোকপিয়ল ২০২৭ৰ স্ব-গণনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ আগষ্ট ঃ** ৰাজ্যত দেওবাৰে পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে লোকপিয়ল ২০২৭ৰ ডিজিটেল স্ব-গণনা প্ৰক্ৰিয়া। এই লোকপিয়ল দুটা পৰ্যায়ত সম্পন্ন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। প্ৰথম পৰ্যায়ত নাগৰিকসকলে নিজে নিজে অনলাইন মাধ্যমেৰে তথ্য প্ৰদান কৰিব পাৰিব, যাৰ বাবে ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ সময় নিৰ্ধাৰণ কৰা হৈছে। তাৰ পিছত ১৭ আগষ্টৰ পৰা চৰকাৰীভাৱে নিযুক্ত গণনাকাৰী বিষয়াসকলে প্ৰতিটো পৰিয়ালৰ ঘৰে ❑ ৫ পৃষ্ঠাত

### প্ৰধানমন্ত্ৰী মোদীৰ নিচামুক্ত যুৱ অভিযান আৰম্ভ

## বিকশিত ভাৰতৰ লক্ষ্য ঃ ১০০ সপ্তাহীয়া 'জন ভাগীদাৰী' অভিযান




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেওবাৰে ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্য সেৱনৰ বিৰুদ্ধে এক বৃহৎ ৰাষ্ট্ৰীয় অভিযানৰ শুভাৰম্ভ কৰে। 'বিকশিত ভাৰত সংকল্প অভিযানৰ বাবে নিচা মুক্ত যুৱ' শীৰ্ষক ❑ ৬ পৃষ্ঠাত

## এতিয়াও স্বাভাৱিক হোৱা নাই নাজিৰা ঃ সাহয্য বিচাৰি পথৰ কাষত বৰ্নাত্য

### পলসে আৱৰা ঘৰখন ঠিক কৰিবলৈ চেষ্টা কৰাৰ মাজতে বৰষুণে দিছে বিধি-পথালি

**অসম বাৰ্তা, নামতি, ২ আগষ্ট ঃ** দিখৌৰ বলিয়া বানে এক প্ৰকাৰে ধ্বংসস্তূপত পৰিণত কৰা নাজিৰা সমজিলাত এতিয়াও স্বাভাৱিক হৈ উঠা নাই পৰিবেশ। নাজিৰা সমজিলাৰ ৰজাপুল, হোলাংকাটনী, খনিকৰ গাওঁ, নেপালী খুটি, বিহুবৰ, কমল চাপৰি, ৰামুগাঁও, ❑ ৬ পৃষ্ঠাত

## বানপীড়িতৰ বাবে নীতা আম্বাণীৰ ২১ কোটি টকাৰ অনুদান

### ৰিলায়েন্স ফাউণ্ডেশ্যনৰ সহায়ত মুখ্যমন্ত্ৰীৰ সামাজিক মাধ্যমত কৃতজ্ঞতা




**নিউজ ডেস্ক, অসম বাৰ্তা, ২ আগষ্ট ঃ** অসমৰ উজনি অঞ্চলত ধ্বংসযজ্ঞ সৃষ্টি কৰা বানপানীৰ পৰিস্থিতি যদিও কিছু পৰিমাণে উন্নতি হৈছে, তথাপি এতিয়াও হাজাৰ হাজাৰ পৰিয়াল নিজ ঘৰলৈ উভতি যাব পৰা নাই। বহু ঠাইত এতিয়াও পানী কমা নাই, আৰু য'ত কমিছে তাতেই পলস আৰু বোকাই ঘৰ-দুৱাৰ এনেদৰে পুতি পেলাইছে যে ঘৰৰ ভিতৰত সোমোৱাটোৱেই সম্ভৱ নহয়। উল্লেখযোগ্য উদ্যোগপতি তথা ৰিলায়েন্স ফাউণ্ডেশ্যনৰ প্ৰতিষ্ঠাপক-অধ্যক্ষ নীতা আম্বাণীয়ে উজনি অসমৰ বানপীড়িত ৰাইজৰ বাবে ❑ ৬ পৃষ্ঠাত

## বানপীড়িতৰ বাবে ৰাজপথত গৰিমা শইকীয়া গাৰ্গ

### ৯-১১ আগষ্টত বানপীড়িত অঞ্চলত চিকিৎসা শিবিৰ, মানসিক স্বাস্থ্যৰ প্ৰতি বিশেষ গুৰুত্ব



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ আগষ্ট ঃ** উজনি অসমৰ বানপীড়িত লোকক সহায়ৰ হাত আগবঢ়াবলৈ ৰাজপথত নামি আহিছে জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ। দেওবাৰে গুৱাহাটী মহানগৰীত তেওঁ সুৰ বাহিনীৰ সৈতে এক জনসংযোগ যাত্ৰা আৰম্ভ কৰে। এই উদ্যোগত সহযোগিতা আগবঢ়াইছে চলচ্চিত্ৰ সমাজ অসম, কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, অভিনয়া, জুবিন ফেন ক্লাব, গুৱাহাটী চিনে মিউজিছিয়ানচ ❑ ৬ পৃষ্ঠাত

## বানপীড়িত অঞ্চলত কৃষিমন্ত্ৰী পীযুষ হাজৰীকাই ট্ৰেক্টৰ চলাই সিঁচিলে কঠীয়া

### অখিল গগৈৰ মন্তব্যক আওকাণ ঃ বানপীড়িতলৈ আৰ্থিক সাহায্য আৰু খাদ্য টোপোলা ঘোষণা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ আগষ্ট ঃ** উজনি অসমৰ বানপানীত সৰ্বস্বান্ত হোৱা কৃষকসকলক পুনৰ খেতি কৰিবলৈ সক্ষম কৰিবলৈ অসম চৰকাৰৰ কৃষি বিভাগে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত বানপীড়িত কৃষকসকললৈ কঠীয়া যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। দেওবাৰে এই কাৰ্যসূচীৰ অংশ হিচাপে চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ ঘিলাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কৃষিমন্ত্ৰী পীযূষ হাজৰীকাই নিজেই ট্ৰেক্টৰ চলাই কঠীয়া সিঁচে। এই কাৰ্যসূচীত তেওঁৰ সৈতে অংশগ্ৰহণ কৰে বিধায়ক সূৰুয দিহিঙীয়া আৰু ৰাজ্যসভাৰ সাংসদ যোগেন মহনে। ইফালে, বিধায়ক অখিল গগৈয়ে বানপীড়িতলৈ ১০ লাখকৈ টকা সাহায্য দিয়াৰ দাবীৰ প্ৰতি প্ৰতিক্ৰিয়া জনাই কৃষিমন্ত্ৰী পীযুষ হাজৰীকাই কয়, ❑ ৬ পৃষ্ঠাত

## মাজুলীত নিশাৰ ভিতৰতে ১৪টা গৰু চুৰি

### ৮০ উৰ্দ্ধৰ আইতাৰ চকুত চকুলোঁ; দিশহাৰা একাধিক দুখীয়া পৰিয়াল

**উজনী মাজুলী ২ আগষ্টঃ** মাজুলীত পুনৰ সংঘটিত হৈছে এক বৃহৎ গৰু চুৰিৰ ঘটনা। শনিবাৰে নিশা জিলাখনৰ নয়াবজাৰ টহলদাৰী আৰক্ষী চকীৰ অন্তৰ্গত হালধীবাৰী আৰু সোণোৱাল কছাৰী গাঁৱৰ একাধিক গৃহস্থৰ গোহালিৰ পৰা একেলগে ৰচ্ছুটা গৰু চুৰি কৰি নিয়ে দুৰ্বৃত্তই। ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে দুখীয়া পৰিয়ালকেইটাক ❑ ৬ পৃষ্ঠাত

### ফাইনেলত অষ্ট্ৰেলিয়াৰ এমা-ছু গ্ৰীনট্ৰিৰ হাতত ৪-১ পৰাজয় ঃ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ অভিনন্দন

## কমনৱেলথ গেমছত লাভলীনা বৰগোহাঁইৰ ৰূপৰ পদক ঃ অসমৰ বানপীড়িতলৈ উছৰ্গা




**নিউজ ডেস্ক, অসম বাৰ্তা, ২ আগষ্ট ঃ** স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত কমনৱেলথ গেমছ ২০২৬ত অসম কন্যা লাভলীনা বৰগোহাঁয়ে কেৱল এখন কঠোৰ যুঁজিয়েই নিদিলে, বৰং নিজৰ ৰূপৰ পদক অসমৰ বানপীড়িত জনতালৈ উছৰ্গা কৰি সমগ্ৰ দেশবাসীৰ হৃদয় জয় কৰিলে। মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত অংশগ্ৰহণ কৰি তেওঁ পদক অভিযানৰ সামৰণি মাৰে। যদিও সোণৰ পদকৰ পৰা বঞ্চিত হ'বলগীয়া হয়, তথাপি তেওঁৰ এই কৃতিত্ব ভাৰতীয় ক্ৰীড়া জগতত এক গৌৰৱময় মুহূৰ্ত হৈ পৰে। শনিবাৰে অনুষ্ঠিত ফাইনেলখনত ২৮ বছৰীয়া লাভলীনাই অষ্ট্ৰেলিয়াৰ অভিজ্ঞ বক্সাৰ এমা-ছু গ্ৰীনট্ৰিৰ সন্মুখীন হয়। গ্ৰীনট্ৰি ২০২৩ আৰু ২০২৫ চনৰ বিশ্ব বক্সিং চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী আৰু অসাধাৰণ ধৈৰ্যৰ বাবে পৰিচিত। এই প্ৰতিদ্বন্দ্বিতামূলক ফাইনেলখনত 4– 1 ব্যৱধানত একপাক্ষিক সিদ্ধান্তত লাভলীনাই পৰাজয় বৰণ কৰে। তাৰ আগতে ড্ৰ' ফৰ্মেটৰ সুবিধা লৈ পোনে পোনে ছেমিফাইনেলত প্ৰৱেশ কৰি লাভলীনাই টুভালুৰ তাৰোনা তাফাকিক 5– 0 ব্যৱধানত সৰ্বসন্মত সিদ্ধান্তত পৰাস্ত কৰি ফাইনেল নিশ্চিত কৰিছিল। ফাইনেলত পৰাজিত হৈ ৰূপৰ পদক লাভ কৰাৰ পিছত লাভলীনা বৰগোহাঁয়ে সংবাদ মাধ্যমৰ আগত কয়, "সোণৰ পদক জিকিব নোৱাৰাত মই নিৰাশ। কিন্তু টিম ইণ্ডিয়াৰ চমৎকাৰ প্ৰদৰ্শনৰ বাবে মই গৌৰৱান্বিত। ভাৰতীয় বক্সিং ❑ ৬ পৃষ্ঠাত

তলা ভাঙি লৈ গ'ল ফ্ৰিজ, চিলিণ্ডাৰ, ষ্টোভ, ফেন আদি

# গহপুৰৰ চেংমৰাত হোটেলত চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ২ আগষ্ট ঃ** গহপুৰত নিধিৰাম চৰ্দাৰত পৰিণত হৈছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তথাকথিত স্মাৰ্ট আৰক্ষী। গহপুৰত সঘনাই সংঘটিত হৈ থকা চুৰি কাণ্ডক ৰোধ কৰাত চূড়ান্ত ভাৱে ব্যৰ্থ হৈছে আৰক্ষী। চুৰি কাণ্ডৰ এজাহাৰ লোৱাৰ বাহিৰে আৰক্ষীয়ে চোৰ ধৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী ৰাইজে। গহপুৰ আৰক্ষী থানাৰ অধীনস্থ হাৱাজান আৰক্ষী চকীৰ এলেকাধীন কলাবাৰীৰ চেংমৰাত থকা এখন হোটেলত সংঘটিত হয় এক চুৰিকাণ্ড। চেংমৰাৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে অৱস্থিত "ৰুমা" নামৰ হোটেলখনৰ দুৱাৰৰ তলা ভাঙি চোৰে লৈ যায় এটা ফ্ৰিজ, গেছৰ ষ্টোভ, এলপিজি চিলিণ্ডাৰ, ফেন আৰু বহু পৰিমাণৰ বিক্ৰী সামগ্ৰী। এইক্ষেত্ৰত হোটেলখনৰ স্বত্বাধিকাৰী বকুল শইকীয়াই জানিবলৈ দি কয় যে চুৰি চক্ৰটোৱে প্ৰায় ৮০ হাজাৰ টকাৰ সা-সামগ্ৰী লৈ যায় হোটেলখনৰ পৰা। উল্লেখযোগ্য যে -হোটেলখনৰ ওপৰতে নিৰ্ভৰ কৰি পৰিয়াল চলাই অহা খাটিখোৱা সাধাৰণ পৰিয়ালটোৱে উক্ত চুৰি কাণ্ডৰ পিছত এতিয়া চকুলোৰে বাট নেদেখা হৈছে। কিছুদিন পূৰ্বে হোটেলখনৰ স্বত্বাধিকাৰী বকুল শইকীয়া উচ্চ ৰক্তচাপ জনিত ৰোগত আক্ৰান্ত হোৱাৰ পিছত গুৱাহাটীত চিকিৎসা গ্ৰহণ কৰাৰ অন্তত ঘৰলৈ উভতি আহে। ইয়াৰ পিছত ধাৰ ঋণ কৰি পুনৰ হোটেলখন আৰম্ভ কৰিছিল যদিও যোৱা নিশা চোৰে সৰ্বস্বান্ত কৰি থৈ যায় পৰিয়ালটোক। উপাৰ্জনৰ একমাত্ৰ উৎস উক্ত হোটেলখনত চুৰি কাণ্ড সংঘটিত কৰা চুৰি চক্ৰটোক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ গহপুৰ আৰক্ষী থানা আৰু হাৱাজান আৰক্ষী চকীৰ আৰক্ষীৰ ওচৰত কঠোৰ দাবী জনাইছে স্থানীয় ৰাইজে। উক্ত চুৰি কাণ্ডৰ বিষয়ে বকুল শইকীয়াই হাৱাজান আৰক্ষীক অৱগত কৰিছে। গহপুৰ সমজিলাত এতিয়া চুৰি কাণ্ড অন্যতম প্ৰধান সন্ত্ৰাসলৈ পৰিণত হৈছে যদিও এই সন্ত্ৰাস ৰোধ কৰাত আৰক্ষী চূড়ান্ত ভাৱে ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। বহু সাধাৰণ পৰিয়ালৰ জীয়াই থকাৰ অধিকাৰ কাঢ়ি নিছে এই চুৰি চক্ৰসমূহে।

# অৰুণোদয় ৩.০ৰ ধন প্ৰদান উপলক্ষে নলবাৰী জিলাৰ ৭৭ স্থানত বিশেষ অনুষ্ঠান




**অসম বাৰ্তা, নলবাৰী, ২ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয় কাৰ্যকালত ৰাজ্য চৰকাৰৰ অন্যতম জনকল্যাণমূলক আঁচনি অৰুণোদয় ৩.০ৰ ধন প্ৰদান উপলক্ষে শনিবাৰে সমগ্ৰ ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰী জিলাতো অৰুণোদয় ৩.০ৰ ধন প্ৰদান সন্দৰ্ভত মুঠ ৭৭টা স্থানত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ অংশ হিচাপে শনিবাৰে নলবাৰী পৌৰসভাৰ ৯ নং আৰু ১১ নং ৱাৰ্ডৰ অৰুণোদয় ৩.০ ৰ ধন প্ৰদান সন্দৰ্ভত এখন বিশেষ অনুষ্ঠান নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নলবাৰী জিলাৰ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী। অনুষ্ঠানত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলৰ লগতে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী আৰু ৱাৰ্ড প্ৰতিনিধিসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে গুৱাহাটীৰ শ্ৰীশ্ৰী দামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত অৰুণোদয় ৩.০ৰ ৰাজ্যিক পৰ্যায়ৰ মূল অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰা হয়। পোনপটীয়া সম্প্ৰচাৰৰ জৰিয়তে ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচী প্ৰেক্ষাগৃহত উপস্থিত হিতাধিকাৰী আৰু ৰাইজে প্ৰত্যক্ষ কৰে। নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। তেওঁ কয় যে চলিত মাহত নলবাৰী জিলাৰ মুঠ ৯১, ৫১১গৰাকী হিতাধিকাৰীয়ে অৰুণোদয় আঁচনিৰ ধন লাভ কৰিব। চৰকাৰৰ এই জনকল্যাণমূলক আঁচনিৰ জৰিয়তে ৰাজ্যৰ আৰ্থিকভাৱে দুৰ্বল আৰু প্ৰয়োজনীয় লোকসকলক নিয়মীয়াকৈ আৰ্থিক সহায় প্ৰদান কৰি অহা হৈছে বুলিও তেওঁ উল্লেখ কৰে। জিলা আয়ুক্তগৰাকীয়ে লগতে কয় যে জিলাখনৰ কোনো কোনো হিতাধিকাৰীয়ে বিভিন্ন কাৰণত অৰুণোদয় আঁচনিৰ ধন লাভ কৰিব পৰা নাই। বিশেষকৈ আধাৰ সংযোগ নোহোৱা, বেংক একাউণ্টৰ সৈতে আধাৰ সংযোগৰ সমস্যা অথবা অন্যান্য কাৰিকৰী সমস্যাৰ বাবে একাংশ হিতাধিকাৰীৰ ধন লাভ কৰাত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। এনে সমস্যাত পৰা হিতাধিকাৰী সকলক সহায় কৰিবলৈ 'অৰুণোদয় সাৰথি' নিয়োগ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অৰুণোদয় সাৰথিসকলে হিতাধিকাৰীসকলৰ সমস্যাসমূহ চিনাক্ত কৰি প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ লগতে আঁচনিৰ ধন লাভৰ ক্ষেত্ৰত থকা কাৰিকৰী বা অন্যান্য সমস্যাৰ সমাধানত সহায় কৰিব বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। ইফালে, ৰাজ্যত শেহতীয়াকৈ দেখা দিয়া বানপানীৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এইবাৰ অসমৰ বানাক্ৰান্ত চাৰিখন জিলাৰ বানপীড়িত লোকসকলক সাহায্য প্ৰদানৰ বাবে অৰুণোদয় আঁচনিৰ প্ৰতিগৰাকী হিতাধিকাৰীৰ ধনৰ পৰা ১৫০ টকাকৈ কৰ্তন কৰা হৈছে বুলিও অনুষ্ঠানত জানিবলৈ দিয়া হয়। এইদৰে অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলৰ সহযোগিতাৰে বানাক্ৰান্ত জিলাসমূহৰ ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত নলবাৰী পৌৰসভাৰ কাৰ্যবাহী বিষয়া জ্যোতিকণা মিশ্ৰই আদৰণি ভাষণ প্ৰদান কৰি উপস্থিত সকলোকে আদৰণি জনায়। তেওঁ অৰুণোদয় ৩.০ৰ ধন প্ৰদান উপলক্ষে আয়োজন কৰা অনুষ্ঠানৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে চমুকৈ বক্তব্য আগবঢ়ায়। ইয়াৰ উপৰি ৯নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ তথা নলবাৰী পৌৰসভাৰ উপ-পৌৰপতি ড° ৰবিন দাসে অনুষ্ঠানত বক্তব্য আগবঢ়াই অৰুণোদয় আঁচনিৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। তেওঁ চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ জৰিয়তে সমাজৰ আৰ্থিকভাৱে পিছপৰা লোক সকলে লাভ কৰা সুবিধাৰ বিষয়েও উল্লেখ কৰে। আজিৰ অনুষ্ঠানৰ অন্তত ১১নং ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ দিগন্ত মিশ্ৰই শলাগৰ শৰাই আগবঢ়ায়। সামগ্ৰিকভাৱে নলবাৰী পৌৰসভাৰ ৯নং আৰু ১১নং ৱাৰ্ডৰ অৰুণোদয় ৩.০ৰ ধন প্ৰদান উপলক্ষে অনুষ্ঠিত আজিৰ অনুষ্ঠানটোৱে হিতাধিকাৰীসকলৰ মাজত উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰে।

# সৰুপথাৰত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২ আগষ্ট ঃ** শিক্ষাই হৈছে এখন উন্নত সমাজ গঢ়াৰ মূল ভেটি। সেই লক্ষ্যক সন্মুখত ৰাখি সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা ২১ দিনীয়া গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান শিবিৰ দেওবাৰে এক গাম্ভীৰ্যপূৰ্ণ আৰু উৎসাহব্যঞ্জক পৰিৱেশত সফলভাৱে সামৰণি পৰে। সৰুপথাৰ নিম্ন বুনীয়াদী বিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত এই শিবিৰে অঞ্চলটোৰ বহু ছাত্ৰ-ছাত্ৰীৰ মনত নতুন আশাৰ সঞ্চাৰ কৰাৰ লগতে শিক্ষাৰ প্ৰতি অধিক আগ্ৰহ, আত্মবিশ্বাস আৰু ইতিবাচক দৃষ্টিভংগী গঢ়ি তুলিবলৈ সক্ষম হয়। শিবিৰৰ সামৰণি উপলক্ষে আয়োজিত অনুষ্ঠানত সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক জীৱনত শিক্ষাৰ গুৰুত্ব, সময়ৰ সঠিক ব্যৱহাৰ, শৃংখলাবোধ, নৈতিক মূল্যবোধ আৰু কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজনীয়তা সম্পৰ্কে অনুপ্ৰেৰণাদায়ক ভাষণ আগবঢ়ায়। তেওঁৰ সাৰগৰ্ভ বক্তব্যই উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ পথত দৃঢ় মনোবলে আগুৱাই যোৱাৰ বাবে বিশেষভাৱে উৎসাহিত কৰে। উল্লেখযোগ্য যে, এই ২১ দিনীয়া শিবিৰত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ বিনামূলীয়াকৈ অংশগ্ৰহণ কৰি ইংৰাজী, অংক আৰু বিজ্ঞান বিষয়ত নিয়মীয়া পাঠ গ্ৰহণ কৰে। অংক বিষয়ৰ পাঠদান কৰে শিক্ষক অজয় দাসে, বিজ্ঞান বিষয়ৰ পাঠদান কৰে আচফাক আলীয়ে আৰু ইংৰাজী বিষয়ত পাঠদান আগবঢ়ায় শিক্ষক প্ৰবীৰ চক্ৰৱৰ্তীয়ে। শিক্ষকসকলৰ আন্তৰিক প্ৰচেষ্টা, সহজ-সৰল পাঠদান পদ্ধতি আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে নিবিড় সম্পৰ্কই শিবিৰটোক এক ফলপ্ৰসূ শিক্ষামূলক কাৰ্যসূচীত পৰিণত কৰে। সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক আদিত্য ফুকনে আঁত ধৰা সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে অংশুপ্ৰতিম বৰাই। সামৰণি অনুষ্ঠানত ২১দিন ধৰি নিয়মীয়াকৈ পাঠদান গ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ মানপত্ৰ প্ৰদান কৰি সন্মান জনোৱাৰ লগতে তেওঁলোকক অধ্যৱসায়, শৃংখলা আৰু একাগ্ৰতাৰে অধ্যয়ন অব্যাহত ৰাখি জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে সফলতা অৰ্জনৰ বাবে উৎসাহিত কৰা হয়। সামৰণি অনুষ্ঠানত উপস্থিত থাকে জেষ্ঠ সাংবাদিক দ্বিপেন কুমাৰ বৰা, ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ বৰা, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক প্ৰিয়াংশু ভট্টাচাৰ্য, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সম্পাদক ৰক্তিম হাজৰিকা, চাহ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদক সোণাৰাম গঞ্জু, ছাত্ৰ সন্থাৰ প্ৰাক্তন জেষ্ঠ কৰ্মী নীলমণি ৰয়, সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া, অভিভাৱক, শুভাকাংক্ষী আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰী। এই বিনামূলীয়া পাঠদান শিবিৰে কেৱল পাঠ্যজ্ঞানেই প্ৰদান কৰা নাই, বৰং ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আত্মবিশ্বাস, শৃংখলাবোধ, সময়ানুবৰ্তিতা আৰু সুস্থ প্ৰতিযোগিতাৰ মানসিকতা গঢ়ি তোলাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এনে মহৎ আৰু সমাজমুখী পদক্ষেপে আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ বহু মেধাৱী শিক্ষাৰ্থীক নতুন দিশ দেখুৱাইছে। সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ এই ব্যতিক্ৰমী শিক্ষামূলক উদ্যোগক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰাৰ লগতে ভৱিষ্যতেও এনে জনহিতকৰ কাৰ্যসূচী অব্যাহত থাকিব বুলি আশা ব্যক্ত কৰে। শিক্ষাৰ জৰিয়তে নৱপ্ৰজন্মক সঠিক পথত আগুৱাই নিয়াৰ এই প্ৰয়াসে নিশ্চয় আগন্তুক দিনত অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ অধিক শক্তিশালী কৰি তুলিব।

# বোকাখাতৰ প্ৰাক্তন বিধায়ক জিতেন গগৈ নেতৃত্বাধীন বোকাখাত নিৰ্মাণ গোটৰ ১০০ স্বেচ্ছাসেৱক বানপীড়িত অঞ্চলত সেৱাৰ নিমিত্তে ৰাওনা

## উদ্ধাৰ অভিযানৰ বাবে দুখন মেছিন নাও বান অধ্যুষিত জিলালৈ

**অসম বাৰ্তা, নুমলীগড়, ২ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভয়াবহ বানপীড়িত অঞ্চলত উদ্ধাৰ, সাহায্য আৰু পুনৰ সংস্থাপনৰ কাৰ্য ত্বৰান্বিত কৰাৰ লক্ষ্যৰে বোকাখাত নিৰ্মাণ গোটে এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। গোটটোৰ এশজনীয়া স্বেচ্ছাসেৱকৰ এটা বৃহৎ দলৰ সৈতে দুখন মেছিন নাও আজি বোকাখাতৰ ধনশিৰিমুখৰ পৰা বানপীড়িত অঞ্চলৰ উদ্দেশ্যে ৰাওনা হয়। জানিব পৰা মতে, ধুবুৰীৰ পৰা অনা দুখন মেছিন নাও আজি ধনশিৰিমুখত উপস্থিত হোৱাৰ পিছতে এক সংক্ষিপ্ত অনুষ্ঠানৰ মাজেৰে আনুষ্ঠানিক ভাৱে যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। এই সন্দৰ্ভত বোকাখাত নিৰ্মাণ গোটৰ সভাপতি তথা প্ৰাক্তন বিধায়ক জিতেন গগৈয়ে সংবাদ মাধ্যমক জনায় যে নাও দুখন মূলতঃ বানপীড়িত লোকসকললৈ সাহায্য সামগ্ৰী যোগান ধৰা, উদ্ধাৰ অভিযান চলোৱা আৰু পুনৰ সংস্থাপনৰ কামত ব্যৱহাৰ কৰা হ'ব। তেওঁ কয় যে স্বেচ্ছাসেৱকসকলে বিশেষকৈ নেপালী খুটি, বিহুবৰ, চণ্টক আদি অঞ্চলত বানত ক্ষতিগ্ৰস্ত আৰু বিধ্বস্ত হোৱা ঘৰ-দুৱাৰ মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কামত আত্মনিয়োগ কৰিব। জিতেন গগৈয়ে লগতে জানিবলৈ দিয়ে যে এই সমগ্ৰ অভিযানৰ বিষয়ে ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰীক অৱগত কৰা হৈছে। ইয়াৰ পূৰ্বেও বানপীড়িত অঞ্চললৈ তিনিটা হাতী পঠোৱা হৈছিল যদিও অঞ্চলটোত জমা হোৱা গভীৰ পলস আৰু বোকাৰ বাবে হাতীকেইটা ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পৰা হোৱা নাছিল। সেই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই এতিয়া দুখন মেছিন নাওৰ ব্যৱস্থা কৰিছে তেওঁ। ধনশিৰিমুখত অনুষ্ঠিত ফ্লেগ-অফ অনুষ্ঠানত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, জ্যেষ্ঠ সাংবাদিক বুবুল দত্ত, নীলু আচাৰ্য, মহুৱা মৌজাৰ মৌজাদাৰ প্ৰণতি ঢেকিয়াল ফুকন, জিতেন গগৈৰ সহধৰ্মিনী অনিমা গগৈ, সমাজকৰ্মী ৰেৱ গগৈ, নিৰ্মাণ গোটৰ সূৰ্য তামোলী, ৰত্নেশ্বৰ মৰাং, অমৰ বড়ি, মনোজ দলেৰ লগতে নিৰ্মাণ গোটৰ বহু কৰ্মকৰ্তা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। জিতেন গগৈয়ে জানিবলৈ দিয়ে যে সকলো পৰিস্থিতি অনুকূল হৈ থাকিলে অহা ৩ অথবা ৪ আগষ্টৰ পৰা নাও দুখনে বানপীড়িত অঞ্চলত আনুষ্ঠানিক ভাৱে সেৱামূলক কাৰ্য আৰম্ভ কৰিব। দুয়োখন নাও ব্ৰহ্মপুত্ৰ নদীপথে দিখৌয়েদি নিৰ্ধাৰিত গন্তব্যস্থানত উপস্থিত হ'ব। তেওঁ আৰু কয় যে, যিবোৰ অঞ্চলত পথ-যোগাযোগ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰাৰ ফলত সাহায্য সামগ্ৰী, চিকিৎসকৰ দল বা অন্যান্য জৰুৰী সেৱা এতিয়াও উপস্থিত হ'ব পৰা নাই, সেইসমূহ দুৰ্গম অঞ্চললৈ এই মেছিন নাৱৰ জৰিয়তে যাতায়ত আৰু সাহায্য সামগ্ৰী পৰিবহণৰ ব্যৱস্থা কৰা হ'ব। বানপীড়িত লোকসকলৰ দুখ-দুৰ্দশাৰ সময়ত বোকাখাত নিৰ্মাণ গোটে গ্ৰহণ কৰা এইমানৱীয় পদক্ষেপে উজনি অসমৰ বহু দুৰ্গত পৰিয়ালৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে।

# কাকৈজানা বনাঞ্চলত বিদ্যুৎস্পৃষ্ট হৈ দুষ্প্ৰাপ্য সোণালী বান্দৰৰ মৃত্যু

**অসম বাৰ্তা, অভয়াপুৰী, ২ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বিশ্বৰ দুষ্প্ৰাপ্য সোণালী বান্দৰ এটি আজি বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱাঘটনাই ব্যথিত কৰি তুলিছেপ্ৰকৃতিপ্ৰেমী ৰাইজক। জানিব পৰা মতে, উত্তৰ শালমাৰাৰ নিকটৱৰ্তী কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ পৰা আজি পুৱা সোণালী বান্দৰ এটিয়ে খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই আহিছিল। কিন্তু জনাঞ্চললৈ ওলাই অহাৰ সময়তে পুৱা ৭.৩০ বজাত সিদলসতীৰ নিকটৱৰ্তী কুচিয়াকাটাত বিদ্যুৎ প্ৰৱাহিত তাঁৰত লগাত বিদ্যুৎস্পৃষ্ট হৈ থিতাতে মৃত্যুমুখত পৰে বান্দৰটো। পাছত বন বিভাগৰ লোকে মৃত বান্দৰটো অভয়াপুৰী কাৰ্য্যালয়লৈ অনাৰ পাছত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। সোণালী বান্দৰটোৱে বিদ্যুৎস্পৃষ্ট হৈ কৰুণ মৃত্যুক সাৱটি লোৱাত স্থানীয় লোকসকল ব্যথিত হোৱাৰ লগতে দুষ্প্ৰাপ্য বান্দৰক সুৰক্ষা দিব নোৱাৰাত বন বিভাগৰ প্ৰতি ক্ষোভিত হোৱা পৰিলক্ষিত হৈছে। সোণালী বান্দৰৰ মৃত্যুৰ খবৰ পায়েই বঙাইগাঁৱৰ জিলা আয়ুক্ত, আই উপত্যকা বন সংমণ্ডলৰ বন প্ৰাধিকাৰী, এ পি ডি চি এলৰ জিলা পৰ্যায়ৰ শীৰ্ষ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ খবৰ লয়। উল্লেখ্য যে সময়ে সময়ে খাদ্যৰ সন্ধানত সোণালী বান্দৰ পাহাৰৰ পৰা নামি অহাৰ পিছতে বহুকেইটা সোণালী বান্দৰ বিদ্যুৎ প্ৰৱাহিত তাৰত লাগি বিদ্যুৎস্পৃষ্ট হৈ বা ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনৰ খুন্দাত মৃত্যু হৈ আহিছে। এনে পৰিপ্ৰেক্ষিত ৰাষ্ট্ৰীয় ঘাইপথত পৰ্যাপ্ত গতিৰোধকৰ ব্যৱস্থা কৰাৰ লগতে প্লাষ্টিক কভাৰযুক্ত বিদ্যুৎ প্ৰৱাহিত তাঁৰৰ ব্যৱস্থা কৰিবলৈ দাবী জনাই আহিছে যদিও সংশ্লিষ্ট বিভাগে কোনো গুৰুত্ব নিদিয়াৰ পৰিণতিতে সোণালী বান্দৰে সংকটত ভুগিব।

গহপুৰৰ কণমানি গিষ্ণা কাকতিৰ প্ৰথম স্থান সহ সোণৰ পদক লাভ

# সদৌ অসম যোগাসন স্পৰ্টচ চেম্পিয়নশ্বিপ প্ৰতিযোগিতা



**অসম বাৰ্তা, গহপুৰ, ২ আগষ্ট ঃ** সদৌ অসম ষষ্ঠ যোগদান স্পৰ্টচ চেম্পিয়নশ্বিপ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি "আৰ্টিষ্টিক যোগা"ত অসমৰ ভিতৰত প্ৰথম স্থান সহ সোণৰ পদক লাভ কৰি সমগ্ৰ গহপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে কণমানি প্ৰতিভা গিষ্ণা কাকতিয়ে। সদৌ অসম যোগদান স্পৰ্টচ এচোছিয়েশ্যনৰ উদ্যোগত হোজাই জিলাৰ স্পৰ্টচ এচোছিয়েশ্যনৰ সহযোগত যোৱা ৩০ জুলাইৰ পৰা চলি থকা উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কালিৰ প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰে গিষ্ণা কাকতিয়ে। হোজাই জিলাৰ স্বামী বিবেকানন্দ ক্ৰীড়াংগনৰ নেতাজী সুভাষ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ বহু প্ৰতিভাৱান প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ১০ বছৰ তলৰ শাখাৰ উক্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি "আৰ্টিষ্টিক যোগা"ত চমকপ্ৰদ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয় গিষ্ণা কাকতিয়ে। তেওঁ গহপুৰ নগৰৰ চেণ্ট যোচেফ স্কুলৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী। বিশ্বনাথ চাৰিআলিৰ বিশিষ্ট দন্ত চিকিৎসক ডাঃ বিকাশ জ্যোতি কাকতি আৰু গহপুৰ ব্লক পিএইছচিৰ ডেণ্টেল চাৰ্জন ডাঃ প্ৰিয়ম দাসৰ জীয়ৰী গিষ্ণা কাকতিৰ এই চমকপ্ৰদ সফলতা আৰু পাৰদৰ্শিতাৰ বাবে গহপুৰৰ ৰাইজৰ লগতে বিভিন্ন দল সংগঠনে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। অতি কম বয়সতে নিজৰ প্ৰতিভা ফুটাই তুলি ৰাজ্যিক মঞ্চত সোণৰ পদকেৰে সন্মানিত হোৱা গিষ্ণা কাকতিয়ে অনাগত দিনত যোগাসনৰ মঞ্চত আৰু অধিক নিজৰ পাৰদৰ্শিতা ফুটাই তুলিবলৈ সক্ষম হোৱাৰ বাবে তেওঁক সকলোৱে আশীৰ্বাদ কৰিছে। গিষ্ণা কাকতিয়ে নিয়মিতভাৱে গহপুৰৰ ক্ৰীছ ডান্স একাডেমীত অনুশীলন কৰি যোগাসনৰ কৌশল সমূহ কমদিনৰ ভিতৰতে আয়ত্ত কৰিবলৈ সক্ষম হৈছে।

# মাজুলীৰ জিলা আয়ুক্ত মৰিগাঁও জিলা আয়ুক্ত হিচাপে বদলি; জিলা প্ৰশাসনৰ বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, মাজুলী, ২ আগষ্ট ঃ** চৰকাৰী নিৰ্দেশনা অনুসৰি মাজুলী জিলাৰ জিলা আয়ুক্ত সৃষ্টি সিংহ, IAS মহোদয়াক মৰিগাঁও জিলাৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। সেই উপলক্ষে মাজুলী জিলা প্ৰশাসন, অতিৰিক্ত আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল আৰু আয়ুক্ত কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীৰ উপস্থিতিত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সদ্য বিদায়ী জিলা আয়ুক্তগৰাকীক এক আবেগিক বিদায় সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, অসম বিধানসভা নিৰ্বাচন-২০২৬ ৰ ঠিক আগে আগে মাজুলীৰ আয়ুক্ত হিচাপে দায়িত্ব লোৱা সৃষ্টি সিংহ ডাঙৰীয়ানীয়ে অতি কম সময়ৰ ভিতৰতে জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়া অত্যন্ত দক্ষতা, নিষ্ঠা আৰু নিকাভাৱে পৰিচালনা কৰি বিশেষ সুনাম অৰ্জন কৰে। কাৰ্যকাল অতি চুটি হ'লেও তেওঁ মাজুলীৰ সাধাৰণ ৰাইজৰ প্ৰতিটো সমস্যা আৰু অভাৱ-অভিযোগ অতি গভীৰ মনোযোগেৰে শুনি তৎক্ষণাত কাৰ্যকৰী সহায়-সহযোগিতা আগবঢ়াই সকলোৰে হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। নিৰ্বাচনৰ পৰৱৰ্তী সময়ত মাজুলীৰ সুৰক্ষা, ভৌগোলিক স্থায়িত্ব আৰু উন্নয়নমূলক গতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে তেওঁ স্বয়ং ক্ষেত্ৰভিত্তিক পৰিদৰ্শনত ব্ৰতী হৈছিল। নদীদ্বীপ মাজুলীৰ প্ৰতিটো গুৰুত্বপূৰ্ণ প্ৰকল্প আৰু নিৰ্মাণকাৰ্য নিজেই স্থানলৈ গৈ পৰিদৰ্শন কৰি কামৰ গুণগত মান নিশ্চিত কৰাত তেওঁ বিশেষ ভূমিকা পালন কৰিছিল। বিদায় সম্বৰ্ধনা অনুষ্ঠানত মাজুলী জিলা প্ৰশাসনৰ তৰফৰ পৰা সদ্য বিদায়ী প্ৰশাসনিক বিষয়া গৰাকীৰ বিগত সময়ছোৱাৰ সেৱাক বিশেষভাৱে শলাগ লোৱা হয়। ইয়াৰ লগতে তেওঁৰ সুস্বাস্থ্য, দীৰ্ঘায়ু কামনা কৰাৰ লগতে মৰিগাঁও জিলাত জিলা আয়ুক্ত হিচাপে শুভাৰম্ভ কৰিবলগীয়া নতুন কাৰ্যকালতো এনেদৰেই নিষ্ঠা আৰু জনসেৱাৰে নিজৰ সুনাম অক্ষুণ্ণ ৰাখিব পাৰে তাৰে আন্তৰিক শুভকামনা জনোৱা হয়।

# নগাঁও জিলাৰ ৰাইজক স্ব-গণনাৰে লোকপিয়লত সহযোগ কৰাৰ আহ্বান জিলা আয়ুক্তৰ




**অসম বাৰ্তা, পুৰণিগুদাম, ২ আগষ্ট ঃ** দেশৰ অন্যান্য অংশৰ লগতে নগাঁও জিলাতো লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ কাম আজিৰে পৰা আৰম্ভ হৈছে। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সংবাদমেলত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, আজিৰে পৰা অহা ১৬ আগষ্টলৈ স্ব-গণনা কৰা হ'ব। অৰ্থাৎ নাগৰিকে পিয়লৰ চৰকাৰী ৱেবছাইট se.census.gov.in লৈ গৈ নিজৰ মোবাইল ফোন বা লেপটপৰ জৰিয়তে আনলাইন যোগে নিজৰ তথ্যসমূহ নিজেই সন্নিৱিষ্ট কৰিব পাৰিব। প্ৰতিটো পৰিয়ালে ৩৬টা প্ৰশ্নৰ উত্তৰ দিব লাগিব। সেয়ে স্ব-গণনাই নিজৰ লগতে গণনাকাৰীৰ সময় যথেষ্ট ৰাহি কৰিব বাবে যিসকল লোকৰ স্মাৰ্টফোনৰ সুবিধা আছে তেওঁলোকক নিজৰ তথ্য নিজেই দাখিল কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনাইছে। তেওঁ কয় যে, এইবাৰৰ লোকপিয়ল হ'ব দেশৰ অষ্টমটো পিয়ল আৰু প্ৰথমটো ডিজিটেল পিয়ল। যিসকলে পাৰে তেওঁলোকে নিজৰ তথ্য সমূহ সন্নিৱিষ্ট কৰি ৰাখিলে লোকপিয়লৰ কাম যথেষ্ট ক্ষিপ্ৰতাৰে সমাধা কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। দেশৰ অৰ্থনৈতিক উন্নয়ন, নীতি নিৰ্ধাৰণ আৰু পৰিকল্পনা প্ৰস্তুতিত এনে পিয়লৰ তথ্যৰ যথেষ্ট গুৰুত্ব আছে বুলি মন্তব্য কৰি তেওঁ সকলোকে সঠিক তথ্য দাখিল কৰিবলৈ অনুৰোধ জনাইছে। এনে তথ্যই কাৰো কোনো হানি নকৰে, ব্যক্তিগত গোপনীয়তাও ভঙ্গ নকৰে বুলিও তেওঁ স্পষ্ট কৰি দিয়ে। এটা মোবাইল ফোনেৰে কেৱল এটা পৰিয়ালৰহে গণনা কৰিব পৰা যাব। সংবাদমেলত কিদৰে যিকোনো এজন বাসিন্দাই অতি সহজে নিজৰ মোবাইল ফোন বা কম্পিউটাৰৰ সহায়ত স্বগণনা কৰিব পাৰে তাৰো উদাহৰণ দাঙি ধৰা হয়। স্ব-গণনাৰ পিছত প্ৰাপ্ত এছই নম্বৰটো পিছত ঘৰলৈ অহা গণনাকাৰীক দেখুৱাই নিশ্চিত কৰিব লাগিব। জিলা আয়ুক্তই লগতে জনোৱা মতে, যিসকলে নোৱাৰে তেওঁলোকে চিন্তা কৰিব নালাগে, কাৰণ অহা ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ গণনাকাৰী সকল ঘৰে ঘৰে গৈ গণনা কৰি আহিব। তেওঁ এই প্ৰক্ৰিয়াত সম্পূৰ্ণ সহযোগ কৰিবলৈ আৰু সম্পূৰ্ণ শুদ্ধ তথ্য হে দাখিল কৰিবলৈ নগাঁও জিলাবাসীৰ প্ৰতি বিনম্ৰ আহ্বান জনাইছে। সংবাদমেলত জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰীৰ উপৰিও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সকলো অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্ত, সম-জিলা আয়ুক্ত সকল, অতিৰিক্ত আৰক্ষী অধীক্ষক, জিলা তথ্য আৰু জনসংযোগ বিষয়া প্ৰমুখ্যে বিষয়াসকল উপস্থিত থাকে।

# কোকৰাঝাৰৰ বেছিমাৰীত YUVA CUP 2.0 ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি

**অসম বাৰ্তা, কোকৰাঝাৰ, ২ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ ৭ নং ফকিৰাগ্ৰাম বিটিচি পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বেছিমাৰীত বেছিমাৰী যুৱ উন্নয়ন সংঘৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা বৃহৎ ফুটবল প্ৰতিযোগিতা "YUVA CUP 2.0"ৰ আজি সফল সামৰণি পৰে। অঞ্চলটোৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ উৎসাহ-উদ্দীপনাৰ মাজতে অনুষ্ঠিত এইপ্ৰতিযোগিতাই যুৱসমাজৰ মাজত খেল-ধেমালিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। তিনিদিন ধৰি চলা এই ফুটবল প্ৰতিযোগিতাখনত কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলৰ পৰা কেইবাটাও শক্তিশালী দলে অংশগ্ৰহণ কৰে। প্ৰতিটো খেলতেই খেলুৱৈসকলৰ মনোমোহা প্ৰদৰ্শন, দৰ্শকৰ ব্যাপক সমাগম আৰু উৎসৱমুখৰ পৰিবেশে বেছিমাৰীৰ খেলপথাৰখনক এক প্ৰাণচঞ্চল ৰূপ প্ৰদান কৰে। আজি অনুষ্ঠিত হোৱা চূড়ান্ত খেলখনত নাউৱাৰভিটা ৰাইজিং ব্ৰাদাৰ ক্লাব আৰু ট্ৰেক্টৰ ক্লাব মুখামুখি হয়। অৱশেষত নাউৱাৰভিটা ৰাইজিং ব্ৰাদাৰ ক্লাব এ জয়লাভ কৰি YUVA CUP 2.0 ৰ প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। চূড়ান্ত খেলৰ অন্তত অনুষ্ঠিত পুৰস্কাৰ বিতৰণী অনুষ্ঠানত বিভিন্ন বিশিষ্ট ব্যক্তি, স্থানীয় সমাজকৰ্মী, ক্ৰীড়াপ্ৰেমী আৰু বিপুলসংখ্যক ৰাইজ উপস্থিত থাকে। এই অনুষ্ঠানত হাছিনুৰ আলী সেখ ক প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে সন্মানিত কৰা হয়। অনুষ্ঠানত বেছিমাৰী যুৱ উন্নয়ন সংঘৰ সভাপতি আব্দুল জলিল সেখ আৰু সম্পাদক মেহেদী হাছান এ জানিবলৈ দিয়ে যে, বেছিমাৰী ক্লাবৰ উদ্যোগত আগন্তুক বছৰসমূহতো নিয়মীয়াকৈ এনে বৃহৎ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰি যোৱা হ'ব, যাতে গ্ৰামাঞ্চলৰ প্ৰতিভাৱান খেলুৱৈসকলে নিজৰ দক্ষতা প্ৰদৰ্শনৰ অধিক সুযোগ লাভ কৰে।

# তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ উদ্যোগত বানান লিখা আৰু বাতৰি লিখন আৰু পঢ়ন প্ৰতিযোগিতা সম্পন্ন



**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২ আগষ্ট ঃ** তিনিচুকীয়া জিলা মইনা পাৰিজাতৰ উদ্যোগত তথা ফিল'বাৰী মইনা পাৰিজাতৰ আতিথ্যত আজি ফিল'বাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত মইনা সকলৰ মাজত 'বানান লিখা', 'বাতৰি লিখন আৰু পঢ়ন' প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে ফিল'বাৰী মইনা পাৰিজাতৰ মইনা বিদিশা শইকীয়াই। তেওঁক সহযোগ কৰে মইনা পাৰিজাতৰ জিলা সভাপতি পুষ্প মহনে। তাৰ পিছত স্মৃতি তৰ্পণ কৰে কুঁহি মইনা পাৰিজাত, বৰুৱাহোলাৰ মইনা কৌশিক ৰাজখুৱাই আৰু সহযোগ কৰে ফিল'বাৰী মইনা পাৰিজাতৰ সভাপতি ৰাজেন মেধিয়ে। ইয়াৰ পিছতেই বানান লিখা, বাতৰি লিখন আৰু পঢ়ন প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে বিশিষ্ট সাংবাদিক তথা চিন্তাবিদ অৰূপ বৰকটকীয়ে। ভাষণ প্ৰসংগত তেওঁ সাংবাদিকতাৰ ইতিহাস সাৱলীল ভাষাত বৰ্ণনা কৰাৰ লগতে শিশু সকলক মাতৃভাষাত শিক্ষা গ্ৰহণৰ প্ৰয়োজনীয়তা সম্পৰ্কত গুৰুত্বপূৰ্ণ বক্তব্য দিয়ে। ইয়াৰ পিছত উদীয়মান কবি বিকিয়ান বাইলুং, 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ৰবীন মৰাণ, 'দৈনিক জনমভূমি' তিনিচুকীয়া সংস্কৰণৰ ষ্টাফ ৰিপৰ্টাৰ প্ৰণৱ জ্যোতি ফুকন আদিৰ লগতে কেইবাজনেও বক্তব্য ৰাখে। তাৰ পিছত বানান লিখন, বাতৰি লিখন আৰু পঢ়ন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি বানান লিখন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ভাৰ্গবী বৰুৱা (শান্তিপুৰ মইনা পাৰিজাত), দ্বিতীয় শুভাণ্টীকা ডেকা (শান্তিপুৰ মইনা পাৰিজাত) আৰু তৃতীয় স্থান লাভ কৰে অভিনৱ চেতিয়া (সেউজ মইনা পাৰিজাত)। বাতৰি লিখন আৰু পঢ়ন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে কৈলাসপুৰ মইনা পাৰিজাতৰ গীত হাজৰিকা, দ্বিতীয় স্থান লাভ কৰে ফিল'বাৰী মইনা পাৰিজাতৰ তুনাভ সৌৰ গোস্বামী, তৃতীয় স্থান লাভ কৰে ফিল'বাৰী মইনা পাৰিজাতৰ বিদিশা শইকীয়া। উত্তৰ ডিগবৈ আৰোহণ শাখাৰ প্ৰজ্ঞাপ্ৰিয়া বৰগোহাঁইক উদ্গনিমূলক বঁটা প্ৰদান কৰা হয়। আনহাতে বঁটা বিতৰণী সভাত বিশেষ অতিথি হিচাপে উপস্থিত থাকি শিশু ভাস্কৰ হেমন্ত ৰাজ মৰাণে মইনা সকলক শুদ্ধৰূপত অসমীয়া ভাষা লিখন সম্পৰ্কে সচেতন হ'বলৈ আহ্বান জনায়। উল্লেখযোগ্য যে মইনা পাৰিজাতৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক সৌৰভ জ্যোতি দেৱ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটোত সাংবাদিক লীলা উপাধ্যায়, ফিল'বাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শেৱালি নেওঁগ, অৱসৰপ্ৰাপ্ত শিক্ষক বলি শইকীয়া, সমাজ কৰ্মী কুলেশ্বৰ ফুকন আদিৰ লগতে ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শেষত শুভেচ্ছামূলক বক্তব্য ৰাখে মইনা পাৰিজাতৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি পুষ্প মহনে।

# কাকপথাৰৰ গণহত্যাঃ অতিক্ৰম কৰিলে ২০ বছৰ ৫ মাহ ২২টা দিন; অনাদৃত হৈ ৰ'ল দহ শ্বহীদৰ মৈদাম

**অসম বাৰ্তা, পেঙেৰী, ২ আগষ্ট ঃ** সমগ্ৰ অসম জোকাৰি যোৱা 'কাকপথাৰ গণহত্যা' খ্যাত ঘটনাটোৱে আজি অতিক্ৰম কৰিলে ২০ বছৰ ৫ মাহ ২৩টা দিন। উল্লেখ্য যে, সেনা-সন্ত্ৰাসৰ বলি হোৱা অজিত মহন্তৰ হত্যাৰ প্ৰতিবাদ কৰিবলৈ আহি ২০০৬ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে ভাৰতীয় সেনা, চিআৰপিএফ্ আৰু অসম আৰক্ষীৰ গুলীত নিহত হ'ব লগা হৈছিল ৯ গৰাকীকৈ সাধাৰণ লোক। ঘটনাৰ নেপথ্য কাহিনীঃ তিনিচুকীয়া জিলাৰ তদানীন্তন মাৰ্ঘেৰিটা সমষ্টিৰ অন্তৰ্গত পেঙেৰী থানাৰ এলেকাধীন ডিৰাক গোসাইগাঁও নিবাসী অজিত মহন্ত ওৰফে কান্দুৰাৰ হত্যাৰ ৰহস্য অৱশেষত ফাদিল হৈছিল। আলফাৰ গুপ্ত ধনৰ লোভত ছালফাই যোগান ধৰা তথ্যৰ ভিত্তিত সেনাৰ লোকে উঠাই নি অভীষ্ট সিদ্ধি নোহোৱাৰ বাবেই আন দুজনৰ সৈতে পাশৱিক অত্যাচাৰ চলাই সেনা ছাউনীতে অজিতক নিৰ্মমভাৱে হত্যা কৰিছিল। মৃত্যুমুখৰ পৰা কথমপি হাতসৰা আন দুজনৰ মুখৰ পৰা প্ৰকাশিত বিস্ফোৰক তথ্যমতে অজিতসহ সেনাই আটক কৰা তিনিওকে মুমুৰ্ষু অৱস্থাত প্ৰায় এক কিলোগ্ৰাম ওজনৰ একো কাঁহীকে জলকীয়া খাবলৈ দিয়া হৈছিল। উল্লেখ্য যে, নিষিদ্ধ ঘোষিত সংগঠন আলফাৰ বহু সদস্যাই অগাধ ধনৰাশি বিভিন্ন উপায়েৰে সংৰক্ষণ কৰি থোৱাৰ কথা সৰ্বজনবিদিত। এনেদৰে গোটাই ৰখা ধনৰাশি সদ্ব্যৱহাৰৰ পূৰ্বেই সংশ্লিষ্ট সদস্য মৃত্যুমুখত পৰিলে সেই ধন হয় কোনোবাই উদ্ধাৰ কৰি নিশাটোৰ ভিতৰতে ধন কুবেৰ হৈ পৰে, নহয় গুপ্তধন গুপ্ত হৈয়েই থাকি যায়। তেনে এক গুপ্ত ধনৰ ভাণ্ডাৰ উদ্ধাৰ কৰিবলৈ চলোৱা এক অপচেষ্টাক কেন্দ্ৰ কৰিয়েই সংঘটিত হয় ডিৰাকৰ অজিত মহন্তৰ হত্যাকাণ্ড। ২০০৬বৰ্ষৰ আৰম্ভণিতেই প্ৰস্তুতি চলিল তিনিচুকীয়া জিলাৰ মাকুম সমীপৱৰ্তী বৰডুবি থানা তথা লাংকাছি আৰক্ষী চকীৰ অন্তৰ্গত ধূলিজান গাঁৱৰ হুন্দেশ্বৰ বড়া (৫২)ৰ বাৰীত পুতি থোৱা আলফাৰ ১৪ কোটি ২৫ লাখ টকা (!)ৰ ভাণ্ডাৰ এটা খনন কাৰ্যৰ জৰিয়তে উদ্ধাৰ অভিযানৰ। টকাৰ গৰাকী আছিল এসময়ৰ দুৰ্ধৰ্ষ আলফা নেতা তথা হুন্দেশ্বৰ বড়াৰ কনিষ্ঠ ভাতৃ প্ৰয়াত বিপিন বড়া ওৰফে 'মাছে'। বিগত ১৯৯৬ বৰ্ষৰ মে' মাহৰ কোনো এটা দিনত লক্ষ্মীপথাৰ, সংৰক্ষিত বনাঞ্চলৰ অভ্যন্তৰত বহু দুঃসাহসিক হত্যা অভিযানৰ নায়ক, দুৰ্ধৰ্ষ আলফা নেতা 'মাছে'ৰ গুলীবিদ্ধ মৃতদেহ ৰহস্যজনকভাৱে উদ্ধাৰ হৈছিল। সেইজন আলফা নেতাই নিজা ঘৰৰ বাৰীখনৰ কোনো এটা স্থানত উক্ত পৰিমাণৰ বিশাল ধনৰাশি পুতি খোৱা বুলি সন্দেহ কৰা হৈছিল। এনে এক সম্ভাৱনাৰ কথা ব্যক্ত কৰে প্ৰয়াত আলফা নেতাজনৰ জ্যেষ্ঠ ভাতৃ হুন্দেশ্বৰ বড়াই চুবুৰীয়া লাংকাছি গাঁৱৰ ঝেলাই দহোটীয়া (৬০)ক। দহোটীয়াই 'কানি খোলা'ত এই সম্ভাৱনাৰ কথা ৰাষ্ট্ৰ কৰি পেলাইছিল যদিও তেওঁ তলে-তলে গুপ্তধনৰ সন্ধান কৰিব পৰা তান্ত্ৰিকৰ অন্বেষণতো ব্যস্ত হৈ পৰিছিল। সেই সূত্ৰেই তেওঁ ২০০৬ বৰ্ষৰ জানুৱাৰী মাহত তেওঁৰ পৰিচিত ডিৰাকৰ খাটি খোৱা যুৱক অজিত মহন্ত ওৰফে কান্দুৰাৰ কাষ চাপে। জনামতে অজিতেও নিজে সোঁশৰীৰে একো সহায় কৰি দিব নোৱাৰাৰ কথা অৱগত কৰি স্থানীয় মহন্ত উপাধিৰ এজন তান্ত্ৰিকৰ লগতে অৰুণাচল প্ৰদেশৰ মুদৈ অঞ্চলৰ একাধিক ব্যক্তিৰ ঠিকনা দিয়ে। সেইমতেই ঝেলাই, জনৈক মহন্ত, গৃহস্থ হুন্দেশ্বৰসহ একাধিক তান্ত্ৰিকৰ দ্বাৰা পূজা-পাতল, খনন কাৰ্য আৰম্ভ কৰিছিল যোৱা ২৮ জানুৱাৰী, ২০০৬ তাৰিখে। প্ৰথম দিনা হুন্দেশ্বৰৰ বাৰীৰ এঠাইত প্ৰায় সাত ফুট গভীৰৰ এটা প্ৰকাণ্ড গাঁত খান্দে যদিও তান্ত্ৰিকৰ তন্ত্ৰ-মন্ত্ৰ অসাৰ প্ৰমাণিত হয়। তেহেলৈ পিচ দিনাও তান্ত্ৰিকৰ মন্ত্ৰ পাঠৰ অন্তত আন এঠাইত গুপ্ত ধনৰ ভাণ্ডাৰ উদ্ধাৰৰ বাবে দুগুণ উছাহেৰে খনন কাৰ্য আৰম্ভ কৰি দিছিল। ইতিমধ্যে খনন স্থলীত উপস্থিত হোৱা হুন্দেশ্বৰৰ পুত্ৰ ৰাজু বড়া (৩০)ই তেনে অমূলক কাৰ্যকলাপৰ প্ৰতি বিৰুদ্ধাচৰণ কৰি দলটোক আঁতৰি যাবলৈ বাধ্য কৰায়। কথা সিমানেই। মুখ বাগৰি বিষয়টো ৰাষ্ট্ৰ হৈ পৰিল যে তান্ত্ৰিকে আলফাৰ গুপ্তধনৰ খনন কাৰ্যৰ জৰিয়তে ১৪ কোটি ২৫ লাখ টকা উদ্ধাৰ কৰিছে। এই কথা লাংকাছি গাঁৱৰে জনৈক 'ছালফা' সদস্য শৰৎ মৰাণৰ কাণতো পৰিলগৈ। সেনাৰে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক থকা



শৰতে প্ৰভুত পৰিমাণৰ গুপ্ত ধনৰ ভাগ পোৱাৰ আশাত চাৰি ফেব্ৰুৱাৰীৰ অভিশপ্ত দিনটোৰ বিয়লি বেলা সেনাৰ মাকুমৰ বেতজানস্থিত গোৰ্খা ৰেজিমেণ্টৰ শিবিৰত বিষয়টো সদৰী কৰে। ১৪ কোটিৰ গুপ্ত ধন উদ্ধাৰ কৰা সম্পৰ্কীয় বিষয়টো শুনাৰ লগে লগেই দুৰ্ধৰ্ষ উগ্ৰপন্থী ধৰিবলৈ যোৱাৰ কায়দাত সেনা শিবিৰটোৰ এটা সাতজনীয়া দলে ছালফা শৰতক লগত লৈ গুপ্ত ধন খননস্থলী ধূলিজানৰ হুন্দেশ্বৰ বড়াৰ ঘৰত উপস্থিত হয়গৈ। তাত হুন্দেশ্বৰ আৰু তেওঁৰ পুত্ৰ ৰাজুক সোধা-পোছা কৰাত তেওঁলোকে গুপ্ত ধনৰ সন্ধানকাৰী দলটোক খেদি পঠোৱাকে ধৰি সমগ্ৰ প্ৰক্ৰিয়াটো অৱগত কৰে যদিও তেওঁলোকৰ কথাত সেনাৰ দলটো পতিয়ন যোৱা নাছিল। সেয়ে পিতা-পুত্ৰ দুয়ো সেনাৰ হাতত প্ৰহৃতও হ'ব লগাত পৰে। সেনাৰ দলটোৱে এইবাৰ ৰাজুক লৈ চুবুৰীয়া গাঁও লাংকাছিলৈ ঢাপলি মেলে। ঝেলাইৰ ঘৰটো চিনি নাপাওঁ বুলি কোৱাত লাংকাছি গাঁৱৰ এখন খেল পথাৰতে সেনাই ৰাজুক পুনৰ মাৰপিট কৰে। পিচত ছালফা শৰতে দেখুৱাই দিয়ামতে সেনাৰ দলটো ঝেলাইৰ ঘৰত উপস্থিত হয়। ঝোলায়ে গুপ্ত ধনৰ খনন কাৰ্য সম্পৰ্কে আদ্যোপান্ত জনোৱাত সেনাই তেওঁক ৰাজুসহ গাড়ীত উঠাই লৈ পুনৰ হুন্দেশ্বৰৰ ঘৰত উপস্থিত হয় যদিও তেওঁক ঘৰত নাপালে। এইবাৰ যুদ্ধকালীন ক্ষিপ্ৰতাৰে ঝেলাই, ৰাজু আৰু ছালফা শৰতক লগতলৈ সেনাৰ সাতজনীয়া দলটো গৈ তদানীন্তন পেঙেৰী থানাৰ অন্তৰ্গত অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী ডিৰাকৰ অজিত মহন্ত ওৰফে কান্দুৰাৰ ঘৰত উপস্থিত হয়গৈ। তাৎপৰ্যপূৰ্ণ যে যোৱাৰ পথত সেনাৰ দলটোৱে উক্ত পৰিমাণৰ গুপ্ত ধনৰ ১০ কোটি টকা আত্মসাৎ কৰি বাকী ৪ কোটি ২৫ লাখ টকা চৰকাৰীভাৱে প্ৰদৰ্শন কৰা হ'ব বুলিও সিদ্ধান্ত গ্ৰহণ কৰি উল্লসিত হৈছিল বুলি প্ৰকাশ। সেই সময়ত অজিত ঘৰত উপস্থিত নাছিল যদিও সেনাৰ দলটো উপস্থিত হোৱাৰ কিছু পৰৰ পিচতেই অজিত আহি ঘৰৰ জপনামুখত উপস্থিত হওঁতেই কোনো সোধ-পোছ নকৰাকৈ ক'লা কাপোৰেৰে চকু-মুখ ঢাকি দলটোৱে তেওঁক উঠাই লৈ যায়। উল্লেখ্য যে মাকুমৰ পৰা যোৱা গোৰ্খা ৰেজিমেণ্টৰ সেনাই '৭ মাদ্ৰাজ' আৰু 'মাৰাঠালি' ৰেজিমেণ্টৰ দুই-তিনিটাকৈ সেনা শিবিৰৰ 'অপাৰেচন' এলেকা অতিক্ৰমী একমাত্ৰ গুপ্ত ধনৰ মোহত পৰি অনধিকাৰ ডিৰাকত প্ৰৱেশ কৰি অজিতক উঠাই অনাৰ পিচত নিৰ্মম অত্যাচাৰ চলাই হত্যা কৰি পেলোৱা ঘটনাত ভিতৰি উক্ত ৰেজিমেণ্ট দুটাৰ সেনা ক্ষোভিত হৈ থকাৰো উমান পোৱা গৈছিল। অজিতক নি মাকুমৰ সেনা শিবিৰ পোৱালেগৈ। লগত আছিল ঝেলাই আৰু ৰাজু। তিনিওৰে বিৰুদ্ধে গুপ্ত ধন আত্মসাতৰ অভিযোগ তুলি সোধা-পোছা আৰু শাৰীৰিক নিৰ্যাতন অব্যাহত ৰাখিছিল। তথাপি কোনো পধ্যেই তেওঁলোকৰ মুখৰ পৰা গুপ্ত ধন উদ্ধাৰৰ তথ্য উলিয়াব নোৱাৰিলে। অত্যাচাৰী সেনাই পুনৰ নিৰ্যাতন আৰম্ভ কৰি দিলে তিনিওৰে ওপৰত। ওৰে নিশা কম-বেছি পৰিমাণে অত্যাচাৰ চলিল অজিত, ঝেলাই আৰু ৰাজুৰ ওপৰত। এই তিনিজনৰ ভিতৰত অজিতেই অধিক শাৰীৰিক নিৰ্যাতনৰ সন্মুখীন হৈছিল। যিহেতু অজিত গুপ্ত ধন খননৰ স'তে পোনপটীয়াকৈ জড়িত নথকাত সেই সম্পৰ্কীয় অধিক তথ্য অৱগত কৰিব নোৱাৰাৰ বাবেই গুপ্ত ধনৰ লালসাত অন্ধ হৈ পৰা সেনাৰ দলটোৱে তেওঁক সৰ্বাধিক শাস্তি বিহিছিল। উল্লেখ্য যে চাৰি ফেব্ৰুৱাৰীৰ পিচ নিশালৈ মুমুৰ্ষু হৈ পৰা নিৰ্যাতিত তিনিওকে একো কাঁহীকে জলকীয়া খাবলৈ বাধ্য কৰোৱা হৈছিল। মৃত্যু যন্ত্ৰণাত ছটফটাই থকা অজিতে জলকীয়া ভক্ষণৰ পিচতেই শেষ নিশ্বাস ত্যাগ কৰে যদিও তুলনামূলক ভাৱে কমকৈ মাৰ খোৱা ঝেলাই আৰু ৰাজু মৃত্যুমুখৰ পৰা কথমপি ৰক্ষা পৰে। এনেকৈয়ে আলফাই পুতি থোৱা গুপ্ত ধনৰ লোভত সেনাই কৰ্তব্য বহিৰ্ভূত কাৰ্যত জড়িত হৈ নিৰপৰাধী অজিতক নৃশংসভাৱে হত্যা কৰে। উল্লেখ্য যে অজিত হত্যাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ১০ ফেব্ৰুৱাৰীৰ কাকপথাৰৰ ৰক্তাক্ত নৰমেধ যজ্ঞই জোকাৰি গৈছিল সমগ্ৰ অসম। ভাৰতীয় সেনাৰ মাকুমস্থিত ১৩নং গোৰ্খা ৰেজিমেণ্টৰ এটা দলে ডিৰাক সোণজানৰ অজিত মহন্ত নামৰ লোকজনক ঘৰৰ পৰা ২০০৬ চনৰ ৪ ফেব্ৰুৱাৰীত উঠাই নি চৰম নিৰ্যাতন চলাই হত্যা কৰি ৬ ফেব্ৰুৱাৰীত পৰিয়ালৰ লোকক অৱগত নকৰোৱাকৈয়ে মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰাই ঘূৰাই দিছিল। ইয়াৰ প্ৰতিবাদতে ১০ ফেব্ৰুৱাৰীত প্ৰায় ৫০ সহস্ৰাধিক প্ৰতিবাদীলোকে ডিৰাক সোণজানৰ পৰা কাকপথাৰ দিশে সমদল কৰি বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে আহিছিল। কিন্তু প্ৰতিবাদী সমদল কাকপথাৰ পোৱাৰ পূৰ্বেই ওপৰ ওৱন গাঁৱত নিৰাপত্তাৰক্ষীয়ে নিৰ্বিচাৰে প্ৰতিবাদকাৰীৰ ওপৰত কৰিছিল গুলীবৰ্ষণ। ফলত সেনা, আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ বৰ্বৰ আক্ৰমণত প্ৰাণ হেৰুৱাইছিল দীপন মৰাণ, বিউতি গোহাঁই, আনন্দিতা মুণ্ডা, গোলাপ বাইলুং, ৰাহিদা আহমেদ, মাধুৰ্য গোহাঁই, পখিলি বৰা, কুঞ্জলতা মৰাণ আৰু মনিকা মৰাণ (চিকিৎসালয়ত) নামৰ নিৰীহ ব্যক্তিকেইগৰাকীয়ে। যি ঘটনা কাকপথাৰবাসীৰ বাবে মচিব নোৱাৰা স্মৃতি। উল্লেখ্য যে, অজিত মহন্তক ভাৰতীয় সেনাই হত্যা কৰাৰ প্ৰতিবাদত কেইবাদিনো ধৰি ৰূপায়ণ কৰা হৈছিল পথ অৱৰোধ কাৰ্যসূচী। কিন্তু ১০ ফেব্ৰুৱাৰীত সেই প্ৰতিবাদে পায় চূড়ান্তৰূপ আৰু অৱশেষত ৰাষ্ট্ৰসন্ত্ৰাৰ বলি হ'ব লগা হ'ল ৯ গৰাকী নিৰপৰাধী ব্যক্তি। ৰাষ্ট্ৰসন্ত্ৰাসৰ বলি হোৱা এই শ্বহীদ কেইগৰাকীক ঘোষণা কৰা হৈছিল জাতীয় শ্বহীদ হিচাপে। কিন্তু সেয়া যেন বৰ্তমান পাহৰণিৰ গৰ্ভত লীন যাব খুজিছে। কাৰণ, তেতিয়াৰে পৰা ১০ ফেব্ৰুৱাৰী দিনটো প্ৰতিবছৰে 'সংকল্প শ্বহীদ দিৱস' হিচাপে পালন কৰাৰ সংকল্প লোৱা হৈছিল। কিন্তু সুদীৰ্ঘ ১৭ বছৰৰ পাছত অৰ্থাৎ ১০ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে সৰ্বমুঠ ১০ গৰাকী শ্বহীদৰ পৱিত্ৰ স্মৃতিত শ্বহীদৰ পৰিয়ালবৰ্গই বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্বহীদসকলক স্মৰণ কৰে। সমান্তৰালভাৱে অনুষ্ঠিত হৈ যায় এখন স্মৃতিচাৰণ সভাও। সভাত উপস্থিত ৰাইজে সেই ক'লা দিন উভতি নহাৰ প্ৰাৰ্থনা কৰাৰ লগতে চৰকাৰে সেই সময়ত শ্বহীদৰ পৰিয়াল তথা আঘাতপ্ৰাপ্তসকলক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ ৰাজ্য চৰকাৰলৈ দাবী উত্থাপন কৰিছিল। ১ মে' ২০০৬ তাৰিখে বৰমেছাই গাঁৱৰ ৰাজহুৱা খেলপথাৰত শ্বহীদ মণিকা মৰাণৰ আদ্যশ্ৰাদ্ধত ৰাইজে দহ শ্বহীদৰ আদৰ্শক জীয়াই ৰখাৰ সংকল্প গ্ৰহণ কৰিছিল। প্ৰতিবাদী সভাত সাংবাদিক কৰ্ম পৰিষদৰ নেতা প্ৰকাশ মহন্ত, মাছ আৰু পি চি জিৰ নেতা লাচিত বৰদলৈ, দিগন্ত কোঁৱৰ, মাছৰ নেতা মতিউৰ ৰহমান, তিলক মহন, মটক যুৱ ছাত্ৰ সন্মিলনৰ দিলীপ বৰা, মৰাণ ছাত্ৰ সন্থাৰ বিৰিঞ্চি নেওগ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পুলক চৌধুৰী, আটাছুৰ লক্ষ্য কোঁৱৰ, এচীঅ'ৰ লালন মৰাণ আদি নেতাই উদাত্ত ভাষণ দিছিল। কিন্তু আজি দল-সংগঠন আৰু স্থানীয় কাকপথাৰবাসীয়ে যেন পাহৰি পেলালে দহ শ্বহীদক।

# শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী সভা সম্পন্ন

**অসম বাৰ্তা, নলবাৰী, ২ আগষ্ট ঃ** নলবাৰী চ'ক বজাৰত অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী সভা আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে নলবাৰী এছ.এছ.এ. ফাউণ্ডেশ্যনৰ সভাপতি ডাঃ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য তন্ময় কাজী আৰু সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক বিশাল বিক্ৰম চৌধুৰীয়ে। আনহাতে, ডায়েট নলবাৰীৰ অৱসৰী জ্যেষ্ঠ প্ৰবক্তা মুনীন্দ্ৰ মালাকৰে প্ৰাচীৰ পত্ৰিকা 'সাঁচিপাত' উন্মোচন কৰে। শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ অধ্যক্ষ ড° দীনমণি ভাগৱতীয়ে সভাপতিত্ব কৰা মুকলি সভাত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰহ্লাদ আৰ জোশী, নলবাৰী মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰূপক কুমাৰ শৰ্মা আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষানুৰাগীৰ উপস্থিতিত অনুষ্ঠিত সভাখনে বিশেষ তাৎপৰ্য বহন কৰে। সভাত বক্তব্য প্ৰদান কৰি একাডেমীৰ পৰিচালন সঞ্চালক ডাঃ শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই কয় যে, প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক নৱাগত আদৰণী সভাৰ জৰিয়তে আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে যাতে ভৱিষ্যতে নিজৰ ইপ্সিত লক্ষ্যত উপনীত হোৱাৰ লগতে একোজন সু-নাগৰিক হিচাপে দেশ আৰু সমাজৰ বাবে কাম কৰিব পাৰে, সেই উদ্দেশ্যে তেওঁলোকক উৎসাহিত কৰাৰ ওপৰত একাডেমীয়ে গুৰুত্ব আৰোপ কৰি আহিছে। ডাঃ শৰ্মাই লগতে কয় যে, উজনি অসমৰ বানপানীত মৃত্যু হোৱা লোকসকলৰ আত্মাৰ সদগতিৰ বাবে অনুষ্ঠানত প্ৰাৰ্থনা জনোৱাৰ লগতে বানপীড়িত লোকসকললৈ সমবেদনা জ্ঞাপন কৰা হয়। বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়াৰ্থে অনুষ্ঠানৰ জৰিয়তে অৰ্থ সংগ্ৰহৰ ব্যৱস্থাও কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানলৈ উপস্থিত হৈ একাডেমীখনক উৎসাহিত কৰাৰ বাবে নলবাৰীবাসী ৰাইজ আৰু শুভাকাংক্ষীসকলকো তেওঁ ধন্যবাদ জ্ঞাপন কৰে। ইফালে, একাডেমীৰ প্ৰবক্তা বিপুল শৰ্মাই কয় যে, প্ৰথমটো বৰ্ষ সফলতাৰে অতিক্ৰম কৰি শিক্ষানুষ্ঠানখনে দ্বিতীয় বৰ্ষত পদাৰ্পণ কৰিছে। বৰ্তমান ৭০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক লৈ একাডেমীৰ শৈক্ষিক যাত্ৰা আগুৱাই নিয়াৰ প্ৰয়াস অব্যাহত আছে। কুহি শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি নৱাগত আদৰণী সভাৰ জৰিয়তে আদৰণি জনোৱা হৈছে। অনুষ্ঠানত নৱাগত ছাত্ৰ-ছাত্ৰীৰ লগতে পুৰণি ছাত্ৰ-ছাত্ৰীসকলেও উৎসাহেৰে অংশগ্ৰহণ কৰে। সকলোৰে সহায়-সহযোগিতাৰে আগন্তুক দিনত একাডেমীৰ শৈক্ষিক যাত্ৰা অধিক সফলভাৱে আগুৱাই নিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ সাংস্কৃতিক কাৰ্যসূচীত কণ্ঠশিল্পী বীৰিনা পাঠক আৰু বিশিষ্ট অভিনেতা যোগেশ কাশ্যপে অংশগ্ৰহণ কৰে। বিভিন্ন কাৰ্যসূচী আৰু সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী সভাৰ সফলতাৰে সামৰণি পৰে।

# ডুমডুমাত ব্ৰাহ্মণ সমাজৰ উদ্যোগত শ্ৰীশ্ৰী ৰুদ্ৰ যজ্ঞ আৰু কৃতী শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ আগষ্ট ঃ** অসম ব্ৰাহ্মণ সমাজ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ সহযোগত ১ আৰু ২ আগষ্টত দুদিনীয়া কাৰ্যসূচীৰে ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰী ৰুদ্ৰ যজ্ঞ আৰু কৃতী শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হৈ যায়। ১ আগষ্টৰ বিয়লি অনুষ্ঠিত কৃতী শিক্ষাৰ্থীৰ অভিনন্দন অনুষ্ঠানত ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ আৰু ততোধিক নম্বৰ লৈ উত্তীৰ্ণ হোৱা ডুমডুমা অঞ্চলৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ কৃতী শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। অসম ব্ৰাহ্মণ সমাজৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা কটকীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা দেৱী বৰদলৈ, টঙনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক স্বপন চক্ৰৱৰ্তী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মিনতি শৰ্মা, অসম ব্ৰাহ্মণ সমাজৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হৰেণ শৰ্মা, মণ্ডল সম্পাদক ৰাজেন শৰ্মা আৰু ৰাজ্যিক সমিতিৰ সদস্য প্ৰদীপ কুমাৰ ভট্টাচাৰ্যই আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। কৃতী শিক্ষাৰ্থীৰ অভিভাৱকসকলৰ তৰফৰ পৰা সুব্ৰত চক্ৰৱৰ্তী আৰু মৃণ্ময় বৰকাকতিয়েও অসম ব্ৰাহ্মণ সমাজ, ডুমডুমা আঞ্চলিক সমিতিক ধন্যবাদ জনাই দুৱাষাৰ বক্তব্য প্ৰদান কৰে। অসম ব্ৰাহ্মণ সমাজৰ ডুমডুমা আঞ্চলিক সমিতিৰ সম্পাদক অৰুণ বৰুৱাই উদ্দেশ্যে ব্যাখ্যা কৰা অনুষ্ঠানটিৰ আঁত ধৰে সমিতিৰ সহকাৰী সম্পাদক অভিজিৎ খাটনিয়াৰে। অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মনচুম পূজাৰী, শ্ৰুতি প্ৰিয়দৰ্শিনী আৰু কোয়েল চক্ৰৱৰ্তী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰিয়াক্ষী বৰকটকী, সুমনা চক্ৰৱৰ্তী, নিশান্ত শৰ্মা, ভাৰ্গৱ চক্ৰৱৰ্তী আৰু গৌৰাংগী বৰকাকতিক একোখনকৈ ফুলাম গামোচা, একোটিকৈ উপহাৰ আৰু অভিনন্দন পত্ৰৰে সন্মানিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে ৰাজ্যৰ শেহতীয়া বানপানীত প্ৰাণ হেৰুওৱা লোকসকলৰ লগতে ডুমডুমাৰ উদীয়মান সাংস্কৃতিক কৰ্মী পাৰ্থপ্ৰতিম শৰ্মাৰ অকাল বিয়োগত শোক প্ৰকাশ কৰি এটি শোকপ্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে মৃতকসকলৰ আত্মাৰ সদগতি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। সন্ধিয়া যজ্ঞৰ অধিবাস অনুষ্ঠিত হয়। ২ আগষ্টৰ পুৱা অসম ব্ৰাহ্মণ সমাজৰ পতাকা উত্তোলন কৰে ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা কটকীয়ে। ইয়াৰ পাছতেই আয়তীসকলৰদ্বাৰা জল আৰোহণ কৰা হয়। দিনৰ দহ বজাৰ পৰা মুখ্য পুৰোহিত পংকজ কটকীৰ নেতৃত্বত পুৰোহিত মণ্ডলীয়ে বিশ্ব শান্তি কামনাৰে শ্ৰীশ্ৰী ৰুদ্ৰ যজ্ঞ আৰম্ভ কৰে আৰু দিনৰ দুই বজাত যজ্ঞৰ পূৰ্ণাহুতি প্ৰদান কৰা হয়। ইয়াৰ পাছতেই ভক্তসকলক আশীৰ্বাদ তথা নিৰ্মালি প্ৰদান কৰাৰ লগতে ভোগ বিতৰণ কৰা হয়। এই যজ্ঞ ভাগি সফল কৰাত সহযোগিতা আগবঢ়োৱা সকলোকে অসম ব্ৰাহ্মণ সমাজ, ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা কটকী আৰু সম্পাদক অৰুণ বৰুৱাই কৃতজ্ঞতা জ্ঞাপন কৰে।

# নুমলীগড় শোধনাগাৰৰ ৫ কোটি টকাৰ অনুদান

**অসম বাৰ্তা, নুমলীগড়, ২ আগষ্ট ঃ** কাল ধুমুহা গতিৰে নিমিষতে মষিমূৰ কৰা বানৰ তাণ্ডৱত বিস্তৰ ক্ষতিগ্ৰস্ত উজনিৰ জিলা সমূহলৈ সকলোৱেই সহায়ৰ হাত আগবঢ়াই আহিছে। অসমৰ শেহতীয়া বান পৰিস্থিতিৰ প্ৰেক্ষাপটত বানপীড়িত লোকসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰচেষ্টাত এক উল্লেখযোগ্য অৱদান আগবঢ়াই নুমলীগড় শোধনাগাৰ লিমিটেডে (NRL) মুখ্যমন্ত্ৰীৰ বান সাহায্য পুঁজিলৈ ৫ কোটি টকাৰ অনুদান আগবঢ়াইছে। আজি লোক সেৱা ভৱনত আয়োজিত এক অনুষ্ঠানত নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰ জ্যোতি ফুকনে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হাতত ৫ কোটি টকাৰ চেক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নুমলীগড় শোধনাগাৰৰ এই মানৱীয় আৰু দায়বদ্ধ পদক্ষেপৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কয় যে ৰাজ্যখনত সংঘটিত প্ৰাকৃতিক দুৰ্যোগৰ সময়ত

## মুখ্যমন্ত্ৰীৰ বান সাহায্য পুঁজিলৈ

বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানে আগবঢ়োৱা সহযোগিতাই চৰকাৰৰ উদ্ধাৰ, সাহায্য, পুনৰ্বাসন আৰু পুনৰ্সংস্থাপনৰ কাৰ্যসূচী অধিক ফলপ্ৰসূ কৰি তুলিবলৈ সহায় কৰে। নুমলীগড় শোধনাগাৰৰ এই ৫ কোটি টকাৰ অনুদানে বিশেষকৈ বানপীড়িত পৰিয়ালসমূহক প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা আৰু ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পুনৰ গৃহ নিৰ্মাণ, জীৱিকা পুনৰুদ্ধাৰ আৰু অন্যান্য জনকল্যাণমূলক আঁচনি ৰূপায়ণত বিশেষ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে চৰকাৰে বানত ক্ষতিগ্ৰস্ত প্ৰতিগৰাকী লোকৰ কাষত থিয় দিছে আৰু পুনৰ্বাসন প্ৰক্ৰিয়াক দ্ৰুতগতিত আগুৱাই নিয়াৰ বাবে সকলো সম্ভৱ পদক্ষেপ গ্ৰহণ কৰিছে। এইক্ষেত্ৰত নুমলীগড় শোধনাগাৰৰ দৰে উদ্যোগ-প্ৰতিষ্ঠানৰ সামাজিক দায়বদ্ধতাৰ মনোভাৱে অন্য প্ৰতিষ্ঠানসমূহকো আগবাঢ়ি আহিবলৈ উৎসাহিত কৰিব। অনুষ্ঠানত নুমলীগড় শোধনাগাৰৰ শীৰ্ষ বিষয়াসকলেও উপস্থিত থাকে। তেওঁলোকে কয় যে কৰ্পʼৰেট সামাজিক দায়বদ্ধতা (CSR)ৰ অংশ হিচাপে সমাজৰ দুখ-দুৰ্দশাৰ সময়ত জনসাধাৰণৰ কাষত থিয় দিয়াটো প্ৰতিষ্ঠানটোৰ নৈতিক দায়িত্ব। সেই উদ্দেশ্যৰেই ৰাজ্যৰ বানপীড়িত লোকসকলৰ সহায়ৰ বাবে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ এই অনুদান আগবঢ়োৱা হৈছে। উল্লেখ্য যে, চলিত বৰ্ষত অসমৰ বিভিন্ন জিলাত সংঘটিত ভয়াবহ বানৰ ফলত হাজাৰ হাজাৰ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰে উদ্ধাৰ, সাহায্য বিতৰণ, চিকিৎসা সেৱা, আশ্ৰয় শিবিৰ পৰিচালনা আৰু পুনৰ্বাসনৰ কাম অব্যাহত ৰাখিছে। এনে সময়ত নুমলীগড় শোধনাগাৰৰ ৫ কোটি টকাৰ এই অনুদান ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনা আৰু জনকল্যাণমূলক কাৰ্যসূচীক অধিক শক্তিশালী কৰাৰ লগতে বানপীড়িত লোকসকলৰ জীৱন স্বাভাৱিক অৱস্থালৈ ঘূৰাই অনাৰ প্ৰচেষ্টাত এক গুৰুত্বপূৰ্ণ অৱদান হিচাপে বিবেচিত হৈছে।

# ওদালগুৰিৰ হস্তী বন্ধু দিবাকৰ নায়কক বিটিচি বন বিভাগৰ সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২ আগষ্ট ঃ** ওদালগুৰি জিলাৰ হস্তী বন্ধু হিচাপে খ্যাত ঔৰাংগজুলি চাহ বাগিচাৰ দিবাকৰ নায়কক বিটিচিৰ মুখ্য বন বিষয়া, বন বিভাগৰ কাৰ্যবাহী সদস্য, পাৰিষদসকল, বন বিভাগৰ বিষয়ববীয়া আৰু মানস ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ উপ পৰিচালকৰ উপস্থিতিত বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। তেখেতে দীৰ্ঘদিন ধৰি ভাৰতী ভূটান সীমান্তৱৰ্তী দুৰ্গম আৰু চাহ বাগিচা অঞ্চলত বন্য প্ৰাণী সংৰক্ষণ, হাতী আৰু মানুহৰ সংঘাত নিৰাময়, সহাৱস্থানৰ বাবে সঁচা আন্তৰিকতাৰে অহোপুৰুষাৰ্থ কৰি আহিছে। ইতিমধ্য নায়কক তেওঁ কৰা মহান কৰ্মৰ স্বীকৃতি হিচাপে ২০২৪ চনত মানস ৰাষ্ট্ৰীয় উদ্যানত আন্তৰাষ্ট্ৰীয় বঁটা, ২০২৫ চনত ওদালগুৰি জিলা আয়ুক্তই সম্বৰ্ধনা জ্ঞাপন কৰিছে। প্ৰকৃতি, বন্যপ্ৰাণী সংৰক্ষণৰ বাবে কাম কৰা স্বেচ্ছাসেৱী সংস্থা আৰণ্যকৰ সৈতে জড়িত হৈ ভাৰত ভূটান সীমান্তত হাতী আৰু মানুহৰ সংঘাত নিৰাময়ৰ বাবে, মৃত্যুৰ ভয়কো নেওচি দীৰ্ঘদিন ধৰি দিনে নিশাই সেৱা আগবঢ়াই অহা দিবাকৰ নায়কক বিটিচিৰ বন বিভাগে গ্লোবেল টাইগাৰ ডে দিনা সম্বৰ্ধনা জ্ঞাপন কৰা বাবে বিভিন্ন দল সংগঠনে অভিনন্দন জ্ঞাপন কৰিছে।

# সন্তোষ লহকৰ আন্তঃজিলা ফুটবল; নগাঁৱৰ আকৰ্ষণীয় জয়

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২ আগষ্ট ঃ** অসম ফুটবল সন্থাৰ দ্বাৰা পৰিচালিত ১৭ বছৰৰ অনুৰ্দ্ধ সন্তোষ লহকৰ সোৱঁৰণী আন্তঃজিলা ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ "চি"ৰ ক্লাষ্টাৰ ১ৰ উদ্বোধনী খেলখনত নগাঁও ক্ৰীড়া সন্থাই ৫-১ গ'লৰ ব্যৱধানত কলিয়াবৰ ক্ৰীড়া সন্থাক পৰাভূত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত মানিপুৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ খেলখনত নগাঁও ক্ৰীড়া সন্থাই সংঘবদ্ধ ভাৱে খেলি খেলৰ প্ৰথমাৰ্ধত ৰুদ্ৰ প্ৰতীম বৰদলৈৰ ৩টা আৰু মানস পাটৰৰ ১টা গ'লৰে ৪-১ গ'লৰ অগ্ৰগতি লাভ কৰাৰ বিপৰীতে কলিয়াবৰৰ হৈ মংগল সিঙ টেৰণে ১টা গ'ল পৰিশোধ কৰে। দ্বিতীয়াৰ্ধত নগাঁও দলে ৰুদ্ৰ প্ৰতীমৰ আন এটি গ'লৰে সামগ্ৰিকভাৱে খেলখনত ৫-১ গ'লৰ ব্যৱধানত কলিয়াবৰ ক্ৰীড়া সন্থাক পৰাস্ত কৰে। ইয়াৰ পূৰ্বে খেলৰ আৰম্ভণিতে অসম ফুটবল সন্থা আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ পতাকা আনুষ্ঠানিক ভাৱে উত্তোলন কৰাৰ পাছত সদৌ অসম বাতৰি কাকত সন্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই খেলখন শুভ উদ্বোধন কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ মিডিয়া সমন্বয়ক মানস প্ৰতীম পাটৰৰ তত্ত্বাৱধানত অনুষ্ঠিত আদৰণী অনুষ্ঠানটোত অসম ফুটবল সন্থাৰ উপসভাপতি জিতু বৰদলৈ, অসম পুলিচ দলৰ প্ৰাক্তন সুদক্ষ ফুটবলাৰ ভগৱান ভৰালী, জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি সকল ক্ৰমে নিপুন বৰা, মুনীন্দ্ৰ বৰা আৰু জয় আমচি, কোষাধ্যক্ষ মুকুল হাজৰিকাৰ লগতে খেল আয়ুক্ত নাচিৰউদ্দিন আহমেদ আৰু সহকাৰী সম্পাদক ইক্ৰামূল হুছেইনৰ উপৰিও ফুটবল সম্পাদক অপূৰ্ব বৰদলৈ সহিতে অন্যান্য নিমন্ত্ৰিত অতিথি আৰু ক্ৰীড়া সংগঠক সকল উপস্থিত থাকে। আজিৰ খেলখন ভোগচিং বৰদলৈ, মানস সেনগুপ্ত, ছাহেদুৰ ৰহমান, দ্বিগেন পাতৰ আৰু পৱিত্ৰ বৰাই পৰিচালনা কৰে।

## সম্পাদকীয়

# উত্তৰ-পূব বিহীন ভাৰত

কমনৱেলথ গেমছত ৰূপৰ পদক জয়ী অসমৰ কন্যাই গ্লাছগোৰ এখন ভাৰতীয় ৰেষ্টুৰেণ্টত যি দৃশ্য দেখিলে, সেয়া আছিল আঘাতজনক। খাদ্য গ্ৰহণ কৰি থকা অৱস্থাত লাভলিনা বৰগোহাঁয়ে ৰেষ্টুৰেণ্ট এখনৰ নেপকিনত ছপা কৰা ভাৰতৰ মানচিত্ৰখন লক্ষ্য কৰিলে- য'ত সমগ্ৰ উত্তৰ-পূব ভাৰত আৰু কাশ্মীৰৰ একাংশ আছিল অনুপস্থিত। 'মিষ্টাৰ সিংহচ ইণ্ডিয়া - দ্য হোম অৱ কাৰি' নামৰ এই ৰেষ্টুৰেণ্টখনে ভাৰতীয় বক্সিং দলটোক বিশেষভাৱে আমন্ত্ৰণ জনাইছিল, আৰু ঐতিহাসিক সফলতাৰ পিছত উদ্‌যাপনৰ বাবে খেলুৱৈসকলে তাত খাদ্য গ্ৰহণ কৰিবলৈ গৈছিল। কিন্তু সেই আপ্যায়নৰ মাজতে অসম্পূৰ্ণ মানচিত্ৰই এটা গুৰুতৰ বিষয় উত্থাপন কৰিলে।

অসমৰ এই বক্সাৰগৰাকীৰ বাবে মানচিত্ৰখনত নিজৰ মাতৃভূমিৰ অনুপস্থিতি আছিল এক ব্যক্তিগত আঘাত। তেওঁ কৈছিল যে মানচিত্ৰখনে উত্তৰ-পূবক বাদ দিছে, আৰু উত্তৰ-পূবৰ মানুহ হিচাপে এইটোৱে সঁচাকৈয়ে আঘাত দিয়ে। ভাৰতীয় বক্সিং ফেডাৰেচনৰ সভাপতি অজয় সিঙেও লাভলিনাক সমৰ্থন কৰি কাশ্মীৰৰ অসম্পূৰ্ণ চিত্ৰায়ণৰ বিষয়টো উত্থাপন কৰে। ৰেষ্টুৰেণ্টৰ পৰিচালনাই প্ৰথমতে এইটো 'ব্ৰিটিছ মানচিত্ৰ' বুলি কৈ ক্ষমা বিচাৰে। পাছত তেওঁলোকে উক্তিপত্ৰ জাৰি কৰি কয়, "আমি ভাৰতৰ ভুল মানচিত্ৰৰ চিত্ৰায়ণৰ বাবে নিঃসংকোচে ক্ষমা বিচাৰিছো। আমি তৎক্ষণাত পদক্ষেপ লৈ এইটো শুধৰাই দিম।" লগতে তেওঁলোকে ল'গ' সলনি কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু এই উক্তিপত্ৰ প্ৰকাশ কৰাৰ মিনিট কেইটামানৰ পিছতে ৰেষ্টুৰেণ্টখনে নিজৰ ইনষ্টাগ্ৰাম একাউণ্ট ডিলিট কৰি দিয়ে— যি কাৰ্যই সন্দেহৰ সৃষ্টি কৰে।

এই ঘটনাই সাধাৰণ মানুহৰ মনত বহুতো প্ৰশ্নৰ সৃষ্টি কৰিছে— প্ৰথমে, এখন 'ভাৰতীয়' ৰেষ্টুৰেণ্টৰ মানচিত্ৰত উত্তৰ-পূব আৰু কাশ্মীৰ কিয় নাই? ৩২ বছৰ ধৰি কাৰ্য্যক্ষম থকা এই ৰেষ্টুৰেণ্টখনে ইমান দিনে এই মানচিত্ৰ ব্যৱহাৰ কৰি আহিছিল নেকি? যদি হয়, তেন্তে ইয়াৰ পূৰ্বে কেতিয়াও কোনো ভাৰতীয়ই এই বিষয় উত্থাপন কৰা নাছিল নেকি? নে কেৱল এগৰাকী অলিম্পিক পদক বিজয়ী ব'ৰৰ কথাত সিহঁতৰ 'চেতনা' জাগ্ৰত হ'ল? দ্বিতীয়তে, 'ব্ৰিটিছ মানচিত্ৰ' বুলি কোৱাটো কি যুক্তিসংগত? ব্ৰিটিছ মানচিত্ৰত যদি ভাৰতৰ উত্তৰ-পূব নাথাকে, তেন্তে সেই মানচিত্ৰ কিমানদূৰ সঠিক? আৰু এনে মানচিত্ৰ ব্যৱহাৰ কৰি 'ভাৰতীয়' ৰেষ্টুৰেণ্ট হিচাপে পৰিচয় দিয়া কি অযুক্তিকৰ। তৃতীয়তে, ৰেষ্টুৰেণ্টখনে ক্ষমা বিচাৰি উক্তিপত্ৰ দিয়াৰ পিছতে ইনষ্টাগ্ৰাম একাউণ্ট কিয় ডিলিট কৰিলে? এই কাৰ্য্যই তেওঁলোকৰ আন্তৰিকতাৰ ওপৰত সন্দেহৰ ছাঁ পেলায়। যদি সঁচাকৈয়ে ভুল বুজি ক্ষমা বিচাৰিছে, তেন্তে ল'গ' সলনি কৰাৰ প্ৰক্ৰিয়া স্বচ্ছভাৱে আগবঢ়োৱা উচিত আছিল। চতুৰ্থতে, এনে অসম্পূৰ্ণ মানচিত্ৰ কেৱল এই ৰেষ্টুৰেণ্টতহে নে আন ঠাইতো আছে? গ্লাছগো বা সমগ্ৰ বিশ্বৰ বিভিন্ন প্ৰতিষ্ঠানত কি কি মানচিত্ৰ ব্যৱহাৰ কৰা হয়, সেয়া চোৱাৰ সময় আহিছে নেকি? পঞ্চমত, লাভলিনাই যি ধৰণে শিষ্টাচাৰে কিন্তু দৃঢ়ভাৱে এই বিষয় উত্থাপন কৰিলে, সেয়া প্ৰশংসনীয়। এগৰাকী বক্সাৰ হিচাপে তেওঁৰ 'আক্ৰমণাত্মক' মনোভাৱ থকা সত্ত্বেও তেওঁ সভ্যভাৱে কথাটো ক'লে। কিন্তু প্ৰশ্ন হয়-সাধাৰণ মানুহে যদি এনে ভুল দেখি শুদ্ধৰাব বিচাৰে, তেওঁলোকৰ কথাত কিমান গুৰুত্ব দিয়া হয়?

ভাৰতৰ মানচিত্ৰ কেৱল এটা ৰেখাচিত্ৰ নহয়; ই হৈছে আমাৰ সাৰ্বভৌমত্ব, আমাৰ অখণ্ডতা আৰু আমাৰ জাতীয় পৰিচয়ৰ প্ৰতীক। উত্তৰ-পূব ভাৰত- য'ত অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু চিকিম অন্তৰ্ভুক্ত- সেই পৰিচয়ৰ এক অবিচ্ছেদ্য অংগ। এই অঞ্চলবোৰক মানচিত্ৰৰ পৰা বাদ দিয়া মানে আমাৰ ৪০ কোটিৰো অধিক উত্তৰ-পূববাসীৰ অস্তিত্বক অগ্ৰাহ্য কৰা।

এই ঘটনাই আমাক মনত পেলাই দিয়ে যে জাতীয় চেতনা কেৱল সীমাৰেখাৰ মাজতে সীমাবদ্ধ নহয়- ই বিস্তৃত হৈ আছে আমাৰ সংস্কৃতি, আমাৰ ভাষা, আমাৰ গৌৰৱৰ প্ৰতিটো ক্ষণত। লাভলিনা বৰগোহাঁইৰ দৰে এগৰাকী কন্যাই য'ত নিজৰ মাতৃভূমিৰ বাবে কণ্ঠস্বৰ তুলিলে, তাত আমি সকলোৱে একত্ৰিত হৈ থিয় দিব লাগে। কিন্তু একে সময়তে, এই ঘটনাই আমাক আত্মসমীক্ষাৰ সুযোগো দিয়ে- আমাৰ নিজৰ দেশৰ ভিতৰতে উত্তৰ-পূবক লৈ কিমান উদাসীনতা আছে? মানচিত্ৰতে নহয়, বাস্তৱতো উত্তৰ-পূবৰ উন্নয়ন, প্ৰতিনিধিত্ব আৰু স্বীকৃতিৰ ক্ষেত্ৰত আমি কিমান আগবাঢ়িছো?

গ্লাছগোৰ ৰেষ্টুৰেণ্টখনে মানচিত্ৰ শুধৰাব বুলি কোৱাটো স্বাগতজনক। কিন্তু এই ঘটনাৰ পৰা আমি এটা ডাঙৰ শিক্ষা গ্ৰহণ কৰিব লাগে- আমাৰ অখণ্ডতা ৰক্ষাৰ দায়িত্ব কেৱল চৰকাৰ বা কূটনীতিকৰ নহয়, ই আমাৰ সকলোৰে। লাভলিনাই দেখুৱাই দিলে যে নিজৰ মাতৃভূমিৰ বাবে মাত মাতিবলৈ পদকৰ প্ৰয়োজন নাই, দৰকাৰ কেৱল সচেতনতা আৰু সাহস।




# অনিশ্চয়তাৰ দোমোজাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী

*বৰ্তমানৰ জনজাতিসকলৰ আশংকা যে এই তুলনামূলকভাৱে উন্নত আৰু বৃহৎ জনসংখ্যাৰ জনগোষ্ঠীকেইটাই জনজাতিৰ মৰ্যাদা পালে বৰ্তমানৰ খিলঞ্জীয়া জনজাতিসকল শিক্ষা, কৰ্মসংস্থাপন আৰু ৰাজনৈতিক প্ৰতিনিধিত্বৰ ক্ষেত্ৰত নিজৰেই ৰাজ্যত অভাৱৰ সন্মুখীন হৈ পৰিব। এতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে, আগন্তুক সময়ত চৰকাৰৰ প্ৰকৃত পৰিকল্পনা কি হ'ব? এজন বিশ্লেষক হিচাপে ইয়াক নিৰীক্ষণ কৰিলে দেখা যায় যে, চৰকাৰ বৰ্তমান এক অত্যন্ত জটিল আৰু স্পৰ্শকাতৰ অৱস্থাত আৱদ্ধ হৈ পৰিছে। এফালেছটা জনগোষ্ঠীৰ বিপুল জনসংখ্যা আৰু তেওঁলোকৰ নিৰ্ণায়ক ৰাজনৈতিক প্ৰভাৱ, যিটো কোনো নিৰ্বাচিত চৰকাৰেই আওকাণ কৰিব নোৱাৰে। আনফালে, বৰ্তমানৰ জনজাতিসকলৰ তীব্ৰ বিৰোধিতা আৰু কঠোৰ সাংবিধানিক বাধ্যবাধকতা। সেয়েহে, আগন্তুক সময়ত চৰকাৰৰ মূল পৰিকল্পনা হ'ব এই দুই বিপৰীতমুখী স্থিতিৰ মাজত এক সূক্ষ্ম ৰাজনৈতিক আৰু সামাজিক ভাৰসাম্য ৰক্ষা কৰা। ৰাজ্য চৰকাৰে বিধানসভাত স্পষ্ট কৰি দিছে যে তেওঁলোকে নিজৰ ফালৰ পৰা প্ৰতিবেদন কেন্দ্ৰলৈ প্ৰেৰণ কৰি মূল দায়িত্ব কেন্দ্ৰীয় চৰকাৰ আৰু সংসদৰ ওপৰত ন্যস্ত কৰিছে।*



চন্দন কুমাৰ নাথ

অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপটত এক দীৰ্ঘদিনীয়া, স্পৰ্শকাতৰ আৰু অত্যন্ত জটিল বিষয় হিচাপে পৰিগণিত হৈ আহিছে ৰাজ্যখনৰছটা মূল জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী। মৰাণ, মটক, চুতীয়া, টাই আহোম, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠী (আদিবাসী), অসমৰ জনগাঁথনিৰ এক বৃহৎ অংশ প্ৰতিনিধিত্ব কৰা এইছটা জনগোষ্ঠীয়ে বিগত কেইবা দশক ধৰি নিজৰ সুৰক্ষা, পৰিচয়, ঐতিহ্য আৰু সাংবিধানিক অধিকাৰ সাব্যস্ত কৰাৰ স্বাৰ্থত অনুসূচিত জনজাতিৰ (Scheduled Tribe) মৰ্যাদা বিচাৰি ধাৰাবাহিক সংগ্ৰাম অব্যাহত ৰাখিছে। প্ৰতিটো নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহৰ পৰা প্ৰতিশ্ৰুতিৰ বন্যা বোৱা দেখা যায়, কিন্তু পৰৱৰ্তী সময়ত ইয়াৰ ৰূপায়ণত হোৱা বিলম্বই ৰাজ্যখনৰ ৰাজনৈতিক বতাহ মাজে সময়ে উত্তপ্ত কৰি ৰাখিছে। সাম্প্ৰতিক সময়ত অসম বিধানসভাত এই বিষয়টোক লৈ হোৱা তীব্ৰ বিতৰ্ক আৰু বিৰোধীৰ প্ৰতিবাদ ইয়াৰ এক জ্বলন্ত উদাহৰণ। এনে এক অনিশ্চয়তা আৰু প্ৰত্যাশাৰ দোমোজাত থিয় দি স্বাভাৱিকতেই জনসাধাৰণৰ মনত প্ৰশ্ন উত্থাপন হয় প্ৰকৃততে কেতিয়া হ'ব এই ৬ জনগোষ্ঠীৰ জনজাতিকৰণ? আৰু ইয়াৰ নিস্পত্তিৰ বাবে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ প্ৰকৃত পৰিকল্পনানো কি?

জনজাতিকৰণৰ এই দাবী আজিৰ নহয়। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে কোচ-ৰাজবংশীসকলৰ জনজাতিকৰণৰ দাবীয়ে ১৯৬০ৰ দশকৰ শেষৰ ভাগতেই এক সুসংগঠিত ৰাজনৈতিক ৰূপ লৈছিল। আনহাতে মৰাণ আৰু মটক জনগোষ্ঠীৰ দাবী ভাৰত স্বাধীন হোৱাৰ সময় অৰ্থাৎ ১৯৪৭ চনৰ পৰাই চলি আহিছে। পৰৱৰ্তী সময়ত আশী আৰু নৱৈৰ দশকত চুতীয়া, চাহ জনগোষ্ঠী আৰু টাই আহোম সমাজেও নিজৰ আৰ্থ-সামাজিক অনগ্ৰসৰতা আৰু ঐতিহাসিক অৱদানৰ ভিত্তিত একেই দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰে। এই জনগোষ্ঠীসমূহৰ দাবীৰ আঁৰত কেৱল অৰ্থনৈতিক সুবিধা লাভৰ আকাংক্ষাই নিহিত হৈ থকা নাই, বৰঞ্চ ইয়াৰ সৈতে জড়িত হৈ আছে পৰিচয়ৰ সংকট আৰু ঐতিহাসিক বঞ্চনাৰ এক গভীৰ ক্ষোভ। ৰাজ্যৰ মুঠ জনসংখ্যাৰ প্ৰায় ২৭ৰ পৰা ৩০ শতাংশ সামৰি লোৱা এই জনগোষ্ঠীসমূহে বিশ্বাস কৰে যে বৰ্ধিত জনগাঁথনিগত পৰিৱৰ্তন আৰু খিলঞ্জীয়াৰ অস্তিত্বৰ সংকটৰ সময়ত সাংবিধানিক সুৰক্ষাকৱচ অবিহনে তেওঁলোকৰ ভৱিষ্যত সুৰক্ষিত নহয়। শেহতীয়াকৈ ২০২৬ চনৰ জুলাই মাহত অনুষ্ঠিত হোৱা অসম বিধানসভাৰ বাজেট অধিৱেশনতছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোৱে পুনৰবাৰ এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰে। বিৰোধী দল বিশেষকৈ কংগ্ৰেছ আৰু ৰাইজৰ দলৰ বিধায়কসকলে চৰকাৰৰ সদিচ্ছা, স্থিতি আৰু প্ৰতিশ্ৰুতি পালনৰ ব্যৰ্থতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰি সদন ত্যাগ কৰা কাৰ্যই বিষয়টোৰ গুৰুত্ব আৰু স্পৰ্শকাতৰতা পুনৰবাৰ প্ৰমাণ কৰিছে। ১৪ জুলাইৰ দিনা বিৰোধী দলৰ দলপতি ৰাজেদ আলী চৌধুৰীয়ে ৩০১ নং নিয়মৰ অধীনত এক বিশেষ উল্লেখৰ জৰিয়তে এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰে। তেওঁ চৰকাৰক পোনপটীয়া প্ৰশ্ন কৰে যে, বৰ্তমান এই প্ৰক্ৰিয়াটো প্ৰকৃততে কি পৰ্যায়ত আছে আৰু ৰাজ্য চৰকাৰে ইয়াৰ সমাধানৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা নিৰ্ধাৰণ কৰিছেনে নাই। একেদৰে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি অভিযোগ কৰে যে, ২০১৬ চনৰ নিৰ্বাচনৰ পূৰ্বে ভাৰতীয় জনতা পাৰ্টিয়ে শাসনলৈ অহাৰ ছমাহৰ ভিতৰত এইছটা জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজি প্ৰায় এক দশক অতিক্ৰম কৰাৰ পাছতো সেয়া বাস্তৱত পৰিণত নহ'ল। বিৰোধীৰ এই প্ৰশ্নবাণৰ উত্তৰত ৰাজ্যৰ জনজাতি পৰিক্ৰমা (ভৈয়াম) দপ্তৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে স্পষ্ট কৰি দিয়ে যে জনজাতিকৰণৰ বিষয়টো সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতীয় সংসদৰ অন্তৰ্ভুক্ত বিষয় হোৱাৰ বাবে ৰাজ্য চৰকাৰে ইয়াৰ কোনো নিৰ্দিষ্ট সময়সীমা বান্ধি দিব নোৱাৰে। মন্ত্ৰীগৰাকীয়ে সদনত জনোৱা অনুসৰি, ৰাজ্য চৰকাৰে গঠন কৰি দিয়া মন্ত্ৰীগোটৰ প্ৰতিবেদন ইতিমধ্যে গ্ৰহণ কৰা হৈছে আৰু মুখ্যমন্ত্ৰীৰ অনুমোদনৰ পিছত প্ৰয়োজনীয় সংশোধনৰ সৈতে ইয়াক কেন্দ্ৰলৈ প্ৰেৰণ কৰাৰ প্ৰক্ৰিয়া অব্যাহত আছে। চৰকাৰৰ ফালৰ পৰা সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে বুলি দাবী কৰাৰ পাছতো, সময়সীমাৰ কোনো স্পষ্ট প্ৰতিশ্ৰুতি নোপোৱাৰ বাবেই বিৰোধীয়ে সদন ত্যাগ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৰাজ্য চৰকাৰৰ এক উল্লেখযোগ্য পদক্ষেপ হিচাপে ২০২৫ চনৰ নৱেম্বৰ মাহত বিধানসভাত দাখিল কৰা মন্ত্ৰীগোটৰ প্ৰতিবেদনখনক বিশ্লেষণ কৰিব লাগিব। এই প্ৰতিবেদনৰ জৰিয়তে ৰাজ্য চৰকাৰে সংঘাত নিৰাময়ৰ এক মধ্যম পন্থা অৱলম্বন কৰাৰ প্ৰয়াস কৰিছিল। মন্ত্ৰীগোটেছটা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিয়াৰ ক্ষেত্ৰত এক ত্ৰি-স্তৰীয় সংৰক্ষণ ব্যৱস্থাৰ প্ৰস্তাৱ আগবঢ়াইছিল, যাতে বৰ্তমান থকা জনজাতিসকলৰ সংৰক্ষণৰ কোটা বা সাংবিধানিক অধিকাৰত কোনো ব্যাঘাত নজন্মে। এই নতুন প্ৰস্তাৱিত ব্যৱস্থা অনুসৰি বৰ্তমানৰ ভৈয়ামৰ জনজাতি (ST Plains) আৰু পাহাৰৰ জনজাতি (ST Hills)ৰ উপৰিও এক একেবাৰে নতুন শ্ৰেণী 'ST (Valley)' বা উপত্যকাৰ জনজাতি সৃষ্টিৰ পৰামৰ্শ দিয়া হৈছিল। এই নতুন শ্ৰেণীত টাই আহোম, চুতীয়া, চাহ জনগোষ্ঠী আৰু অবিভক্ত গোৱালপাৰা জিলাৰ বাহিৰৰ কোচ-ৰাজবংশীসকলক অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আছিল। আনহাতে, মৰাণ, মটক আৰু অবিভক্ত গোৱালপাৰা অঞ্চলৰ কোচ-ৰাজবংশীসকলক বৰ্তমানৰ ভৈয়ামৰ জনজাতি (ST Plains)ৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ কথা কোৱা হৈছিল। চৰকাৰৰ এই পদক্ষেপৰ জৰিয়তে এটা কথা স্পষ্ট হৈ পৰে যে, ৰাজ্য চৰকাৰে এক বিকল্প আৰু সুৰক্ষিত সাংবিধানিক ব্যৱস্থাৰ জৰিয়তে এই সমস্যাৰ সমাধান বিচাৰিছে। কিন্তু ইয়াৰ পাছতো ইয়াক সাংবিধানিক স্বীকৃতি প্ৰদান কৰাটো ইমান সহজসাধ্য নহয়, কাৰণ সংৰক্ষণৰ এই নতুন পদ্ধতিয়ে ভাৰতৰ সংবিধানৰ সংশোধনী, সংসদীয় আইন আৰু কঠোৰ আইনী পৰীক্ষাৰ সন্মুখীন হ'ব লাগিব।ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো অকল প্ৰতিশ্ৰুতি পালনৰ বিষয় হৈ থকা নাই, ই ৰাজ্যখনৰ সামাজিক গাঁথনি আৰু বিভিন্ন জনগোষ্ঠীৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছে। এই দাবীৰ প্ৰথম দিনৰ পৰাই তীব্ৰ বিৰোধিতা কৰি আহিছে ৰাজ্যখনৰ বৰ্তমানৰ অনুসূচিত জনজাতিসকলৰ প্ৰতিনিধিত্বমূলক সংগঠন সমূহে। ট্ৰাইবেল সংঘকে ধৰি অসমৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে চৰকাৰৰ মন্ত্ৰীগোটৰ এই প্ৰস্তাৱক "অবৈধ, অসাংবিধানিক আৰু ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত" বুলি অভিহিত কৰি পোনচাটে নাকচ কৰিছে। তেওঁলোকৰ মূল যুক্তি অনুসৰি, এইছটা জনগোষ্ঠীয়ে ১৯৬৫ চনৰ লোকুৰ সমিতিৰ নিৰ্ধাৰিত মাপকাঠী কোনো কাৰণতেই পূৰণ নকৰে। এখন সমাজক জনজাতিৰ স্বীকৃতি দিয়াৰ বাবে প্ৰয়োজনীয় আদিম চৰিত্ৰ, স্বকীয় সংস্কৃতি, ভৌগোলিক বিচ্ছিন্নতা, সমাজৰ আন অংশৰ সৈতে মিলা-মিচাত সংকোচবোধ আৰু সামগ্ৰিক অনগ্ৰসৰতা, এই মাপকাঠীসমূহ এইছটা জনগোষ্ঠীৰ ক্ষেত্ৰত বৰ্তমান প্ৰযোজ্য নহয় বুলি তেওঁলোকে দাবী কৰে। ২০০৭ চনতো ভাৰতৰ মহাপঞ্জীয়কে উপযুক্ত নৃতাত্ত্বিক প্ৰমাণৰ অভাৱৰ দোহাই দি এই প্ৰস্তাৱ নাকচ কৰিছিল। তদুপৰি, বৰ্তমানৰ জনজাতীয় নেতাসকলৰ আন এক গুৰুতৰ শংকা হৈছে সংৰক্ষণৰ সৰ্বোচ্চ সীমা উলংঘন। উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ইন্দিৰা ছাহনী গোচৰৰ ৰায় অনুসৰি সংৰক্ষণৰ সৰ্বোচ্চ সীমা কোনো কাৰণতেই ৫০ শতাংশ অতিক্ৰম কৰিব নোৱাৰে। কিন্তু অসমত ইতিমধ্যে সংৰক্ষণৰ হাৰ প্ৰায় ৫৯ শতাংশ স্পৰ্শ কৰিছে। এনে অৱস্থাত এইছটা বৃহৎ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা দিলে ৰাজ্যত সংৰক্ষণৰ হাৰ ৭০ শতাংশৰো অধিক হৈ পৰিব, যিটো আইনীভাৱে প্ৰত্যাহ্বানজনক হ'ব পাৰে। বৰ্তমানৰ জনজাতিসকলৰ আশংকা যে এই তুলনামূলকভাৱে উন্নত আৰু বৃহৎ জনসংখ্যাৰ জনগোষ্ঠীকেইটাই জনজাতিৰ মৰ্যাদা পালে বৰ্তমানৰ খিলঞ্জীয়া জনজাতিসকল শিক্ষা, কৰ্মসংস্থাপন আৰু ৰাজনৈতিক প্ৰতিনিধিত্বৰ ক্ষেত্ৰত নিজৰেই ৰাজ্যত অভাৱৰ সন্মুখীন হৈ পৰিব। এতিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে, আগন্তুক সময়ত চৰকাৰৰ প্ৰকৃত পৰিকল্পনা কি হ'ব? এজন বিশ্লেষক হিচাপে ইয়াক নিৰীক্ষণ কৰিলে দেখা যায় যে, চৰকাৰ বৰ্তমান এক অত্যন্ত জটিল আৰু স্পৰ্শকাতৰ অৱস্থাত আৱদ্ধ হৈ পৰিছে। এফালেছটা জনগোষ্ঠীৰ বিপুল জনসংখ্যা আৰু তেওঁলোকৰ নিৰ্ণায়ক ৰাজনৈতিক প্ৰভাৱ, যিটো কোনো নিৰ্বাচিত চৰকাৰেই আওকাণ কৰিব নোৱাৰে। আনফালে, বৰ্তমানৰ জনজাতিসকলৰ তীব্ৰ বিৰোধিতা আৰু কঠোৰ সাংবিধানিক বাধ্যবাধকতা। সেয়েহে, আগন্তুক সময়ত চৰকাৰৰ মূল পৰিকল্পনা হ'ব এই দুই বিপৰীতমুখী স্থিতিৰ মাজত এক সূক্ষ্ম ৰাজনৈতিক আৰু সামাজিক ভাৰসাম্য ৰক্ষা কৰা। ৰাজ্য চৰকাৰে বিধানসভাত স্পষ্ট কৰি দিছে যে তেওঁলোকে নিজৰ ফালৰ পৰা প্ৰতিবেদন কেন্দ্ৰলৈ প্ৰেৰণ কৰি মূল দায়িত্ব কেন্দ্ৰীয় চৰকাৰ আৰু সংসদৰ ওপৰত ন্যস্ত কৰিছে। ইয়াৰ জৰিয়তে ৰাজ্যিক পৰ্যায়ত জনসাধাৰণৰ ক্ষোভ প্ৰশমন কৰাৰ এক কৌশল গ্ৰহণ কৰা হৈছে। 'ST (Valley)' ৰ দৰে নতুন উপ-শ্ৰেণী বিভাজনৰ জৰিয়তে চৰকাৰে দুয়ো পক্ষকে সন্তুষ্ট কৰাৰ এক পৰিকল্পনা হাতত লৈছে, য'তছটা জনগোষ্ঠীয়ে জনজাতিৰ মৰ্যাদা পাব আৰু একে সময়তে বৰ্তমানৰ জনজাতিসকলেও নিজৰ অধিকাৰ খৰ্ব হোৱা বুলি অনুভৱ নকৰিব। কিন্তু এই সাংবিধানিক অভিযান্ত্ৰিকতা সংসদত গৃহীত কৰোৱাটো কেন্দ্ৰীয় চৰকাৰৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হ'ব। ভৱিষ্যতৰ ৰণনীতি হিচাপে চৰকাৰে এই বিষয়টোৰ ওপৰত অধিক আইনী পৰামৰ্শ আৰু পৰিসংখ্যামূলক গৱেষণা চলোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ ভাৰতৰ মহাপঞ্জীয়ক আৰু ৰাষ্ট্ৰীয় অনুসূচিত জনজাতি আয়োগক পতিয়ন নিয়াব পৰাকৈ নিৰ্ভুল আৰু যুগোপযোগী জনগাঁথনিগত তথ্য যুগুত কৰাটো চৰকাৰৰ প্ৰধান কাৰ্যসূচী হ'ব। যিহেতু এই সমগ্ৰ প্ৰক্ৰিয়াটো দীঘলীয়া আৰু ইয়াৰ সৈতে সংবিধান সংশোধনৰ বিষয় জড়িত আছে, সেয়েহে আগন্তুক নিৰ্বাচনসমূহৰ পূৰ্বে চৰকাৰে ইয়াক এক সক্ৰিয় প্ৰস্তাৱ হিচাপে জীয়াই ৰাখিবলৈ বিচাৰিব। জনজাতিকৰণৰ চূড়ান্ত সিদ্ধান্ত পলম হোৱাৰ পৰিপ্ৰেক্ষিতত,ছটা জনগোষ্ঠীক অসন্তুষ্টিৰ পৰা দূৰত ৰাখিবলৈ চৰকাৰে উন্নয়ন পৰিষদসমূহক অধিক শক্তিশালী কৰা, স্বায়ত্তশাসিত পৰিষদৰ অনুদান বৃদ্ধি কৰা আৰু শিক্ষা তথা নিয়োগৰ ক্ষেত্ৰত বিশেষ অৰ্থনৈতিক পেকেজ ঘোষণা কৰাৰ দৰে বিকল্প ব্যৱস্থাও গ্ৰহণ কৰিব পাৰে।

ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো কেৱল নিৰ্বাচনী ইস্তাহাৰত আৱদ্ধ থকা এক ৰাজনৈতিক শ্লোগান নহয়, ই অসমৰ খিলঞ্জীয়া সমাজ ব্যৱস্থাৰ ভৱিষ্যত আৰু অস্তিত্বৰ সৈতে গভীৰভাৱে জড়িত এক গুৰুত্বপূৰ্ণ বিষয়। জনজাতিকৰণ প্ৰকৃততে কেতিয়া হ'ব, তাৰ কোনো নিৰ্দিষ্ট তাৰিখ কোনেও দিব নোৱাৰিলেও, ই অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত এক নিৰ্ণায়ক শক্তি হিচাপে ক্ৰিয়া কৰি যাব। চৰকাৰৰ বাবে এয়া প্ৰকৃত অৰ্থতেই এক অগ্নিপৰীক্ষা হ'ব য'ত ৰাজনৈতিক প্ৰতিশ্ৰুতি পূৰণ আৰু ৰাজ্যৰ পাৰস্পৰিক সামাজিক সমন্বয়, এই দুয়োটা স্পৰ্শকাতৰ দিশ সুচাৰুৰূপে চলাব লাগিব। অসমৰ বুকুৰ পৰা কোনো এটা জনগোষ্ঠীয়ে যাতে বঞ্চনাৰ বলি হোৱা বুলি অনুভৱ নকৰে আৰু একে সময়তে আন এক খিলঞ্জীয়া জনগোষ্ঠীৰ ন্যায্য অধিকাৰ যাতে কাঢ়ি নিয়া নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এক বিজ্ঞানসন্মত, আইনীভাৱে বৈধ আৰু সৰ্বগ্ৰহণযোগ্য সমাধান সূত্ৰ বাহিৰ কৰাটোৱেই হ'ব আগন্তুক চৰকাৰৰ আটাইতকৈ ডাঙৰ পৰিকল্পনা আৰু প্ৰত্যাহ্বান। কেৱল সাময়িক ৰাজনৈতিক মুনাফাৰ বাবে নহৈ, সামগ্ৰিকভাৱে অসম আৰু অসমীয়া জাতিৰ বৃহত্তৰ স্বাৰ্থত এই দীৰ্ঘদিনীয়া সমস্যাৰ এক নিৰপেক্ষ আৰু স্থায়ী সমাধান হোৱাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা।

# অসমৰ সাম্প্ৰতিক বানপানী ঃ প্ৰাকৃতিক দুৰ্যোগ নে মানৱসৃষ্ট সংকট?

ললিত নাথ

প্ৰতি বছৰৰ দৰে এইবাৰো বৰ্ষাৰ আগমনে অসমৰ বিস্তীৰ্ণ অঞ্চললৈ কঢ়িয়াই আনিলে প্ৰলয়ংকৰী বান। কিন্তু এইবাৰৰ বানপানীৰ তীব্ৰতা আৰু চৰিত্ৰই সমগ্ৰ অসমবাসীক চিন্তিত কৰি তুলিছে। বিশেষকৈ শিৱসাগৰ, চৰাইদেউ, যোৰহাট, গোলাঘাট জিলা আৰু নাজিৰা সমজিলাৰ শেহতীয়া বানে স্পষ্ট কৰি দিছে যে অসমৰ বান সমস্যা এতিয়া কেৱল ব্ৰহ্মপুত্ৰৰ পাৰৰ চৰ-চাপৰিতেই সীমাবদ্ধ হৈ থকা নাই। অতীতত যিবোৰ অঞ্চলত বানপানী হোৱা নাছিল, সেইবোৰ অঞ্চলো এইবাৰ দীৰ্ঘদিন ধৰি পানীৰ তলত ডুবি আছে। বানৰ তাণ্ডৱত ঘৰ-বাৰী, পথাৰ আৰু যোগাযোগ ব্যৱস্থা সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছে। ফলত হাজাৰ হাজাৰ পৰিয়ালে এতিয়া আশ্ৰয় শিবিৰত দিন কটাবলগীয়া হৈছে। বানৰ এই বিভীষিকাময় পৰিস্থিতিয়ে আমাক ভাৱিবলৈ বাধ্য কৰিছে- বানপানীৰ বাবে কেৱল প্ৰকৃতিকেই দোষ দিম, নে আমাৰ ভুল নীতি আৰু অপৰিকল্পিত উন্নয়নো সমানেই দায়ী?

ভৌগোলিক আৰু জলবায়ুৰ দৃষ্টিকোণৰ পৰা চালে অসম এখন স্বাভাৱিকতেই বানপ্ৰৱণ ৰাজ্য। উত্তৰৰ হিমালয়ৰ পৰা বৈ অহা ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ শতাধিক সৰু-বৰ উপনৈয়ে বাৰিষা কালত প্ৰচুৰ পানী কঢ়িয়াই আনে। মৌচুমী বায়ুৰ প্ৰভাৱত উজনিৰ পাহাৰত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে নদীৰ পানী ওফন্দি উঠি ভৈয়াম অঞ্চল প্লাৱিত কৰি তোলে। গতিকে অসমৰ বান সমস্যাৰ এটা অংশ নিঃসন্দেহে প্ৰাকৃতিক। কিন্তু শেহতীয়াভাৱে উজনি অসমৰ প্ৰলয়ংকৰী বানে এটা কথা প্ৰমাণ কৰিলে যে এই সংকটে প্ৰাকৃতিক সীমা চেৰাই এতিয়া এক মানৱসৃষ্ট দুৰ্যোগৰ ৰূপ লৈছে। ৰাজ্যখনত দ্ৰুতভাৱে সম্প্ৰসাৰিত ৰাষ্ট্ৰীয় ঘাইপথ, সংযোগী পথ আৰু ৰেলপথসমূহ নিৰ্মাণ কৰোঁতে প্ৰাকৃতিক পানী বৈ যোৱাৰ গতিপথলৈ যেন দৃষ্টি দিয়া হোৱা নাই। পৰ্যাপ্ত সংখ্যক দলং, কালভাৰ্ট বা সৰু নলা নৰখাৰ বাবে এই পথসমূহে একো একোখন কৃত্ৰিম বান্ধৰ দৰে কাম কৰে। ফলত বৰষুণ এৰাৰ পিছতো সপ্তাহৰ পিছত সপ্তাহ ধৰি বিস্তীৰ্ণ অঞ্চল জলমগ্ন হৈ থাকে।

অসমৰ সাম্প্ৰতিক বান পৰিস্থিতিক অধিক সংহাৰী কৰি তোলাৰ ক্ষেত্ৰত চুবুৰীয়া ৰাজ্য আৰু চীনত নিৰ্মিত ডাঙৰ ডাঙৰ জলবিদ্যুৎ প্ৰকল্প বা নদীবান্ধসমূহেও এক মূল মানৱসৃষ্ট কাৰণ হিচাপে দেখা দিছে। বাৰিষাৰ সময়ত পাহাৰীয়া ৰাজ্যসমূহত ধাৰাসাৰ বৰষুণ হ'লে বান্ধসমূহৰ সুৰক্ষাৰ বাবে আগতীয়াকৈ সতৰ্ক নকৰাকৈয়ে হঠাতে বৃহৎ পৰিমাণৰ পানী এৰি দিয়া হয়। ইয়াৰ ফলত নামনিৰ অসমৰ লখিমপুৰ, ধেমাজি, গোলাঘাট আদি বিস্তীৰ্ণ অঞ্চলত কোনো ধাৰণা নোহোৱাকৈ আকস্মিক বানৰ সৃষ্টি হয়। নদী-নিয়ন্ত্ৰণ আৰু শক্তি উৎপাদনৰ নামত চুবুৰীয়া ৰাজ্যসমূহে কৰা এই একপক্ষীয় ব্যৱস্থাই নামনিৰ অসমবাসীক প্ৰতিবছৰে এক ভয়ংকৰ অনিশ্চয়তা আৰু অস্তিত্বৰ সংকটলৈ ঠেলি দিছে। পাহাৰীয়া এলেকাত অবাধ গছ-গছনি কটা, পাহাৰ খনন আৰু মাটি খহনীয়াৰ ফলত প্ৰতি বছৰে লক্ষ লক্ষ মেট্ৰিক টন বালিমাটি আৰু বোকা বৈ আহি ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বুকুত জমা হয়। ইয়াৰ ফলত নদীসমূহৰ গভীৰতা অভূতপূৰ্বভাৱে হ্ৰাস পাইছে। সামান্য বৰষুণতেই নদীৰ পানী কঢ়িওৱাৰ ক্ষমতা নোহোৱা হয় আৰু অতি সহজে পানী দুয়োটা পাৰ উপচি জনবসতিপূৰ্ণ এলেকালৈ সোমাই পৰে। এসময়ত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিস্তৃত হৈ থকা সৰু-বৰ বিল, পিতনি, জান-জুৰি আৰু নিম্নভূমিসমূহে অতিৰিক্ত পানীভাগ ধৰি ৰখা প্ৰাকৃতিক আৱবাহিকাৰ কাম কৰিছিল। কিন্তু অনিয়ন্ত্ৰিত নগৰীকৰণ, মাটি ভৰাই কৰা গৃহ নিৰ্মাণ আৰু অবৈধ দখলৰ ফলত এই স্বাভাৱিক জলাশয়সমূহ ক্ৰমান্বয়ে নাইকিয়া হৈ পৰিল। ফলস্বৰূপে যিমান পানী আগতে বিল-জলাশয়লৈ বৈ গৈছিল, সেয়া এতিয়া বাটে-ঘাটে, পথত আৰু মানুহৰ চোতালত জমা হ'বলৈ বাধ্য হৈছে। অসমত বান নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰা পঞ্চাছ বা ষাঠিৰ দশকত নিৰ্মিত অধিকাংশ মথাউৰিয়েই আজি পুৰণি, জৰাজীৰ্ণ আৰু ক্ষয়প্ৰাপ্ত। আধুনিক বৈজ্ঞানিক প্ৰযুক্তিৰ ব্যৱহাৰ নকৰি কেৱল পৰম্পৰাগতভাৱে মথাউৰিৰ উচ্চতা বঢ়াই বা মাটি পেলাই বান ৰোধ কৰাৰ ব্যৱস্থা ব্যৰ্থ হৈছে। নিয়মীয়া ৰক্ষণাবেক্ষণ আৰু গুণগত মান পৰীক্ষা নকৰাৰ বাবে বাৰিষা পানীৰ অলপ চাপ পৰাৰ লগে লগে মথাউৰি ভাঙি হঠাতে অতি সংহাৰী ৰূপত বান সোমাই পৰে।



প্ৰতিখন সৰুবৰ চহৰ বা ক্ৰমবৰ্ধমান জনবসতিপূৰ্ণ অঞ্চলত উন্নত জলনিষ্কাশন ব্যৱস্থাৰ অভাৱ। তদুপৰি, প্লাষ্টিক আৰু বৰ্জিত জাবৰ-জোঁথৰ কাষৰীয়া নলা বা জান-জুৰিত পেলোৱাৰ ফলত পানী বৈ যোৱাৰ পথবোৰ বন্ধ হৈ পৰে, যিয়ে প্ৰতিবাৰেই ভয়াৱহ কৃত্ৰিম বানৰ সৃষ্টি কৰে। বানৰ সংহাৰ কমাৰ পাছত কেৱল খাদ্য-সাহায্য আগবঢ়োৱা বা নামমাত্ৰ ক্ষতিপূৰণ দিয়াতোৱেই সমাধান হ'ব নোৱাৰে; ইয়াৰ বাবে প্ৰয়োজন এক দীৰ্ঘম্যাদী আৰু স্থায়ী পৰিকল্পনা।

এই চিৰন্তন সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ চৰকাৰ আৰু জনসাধাৰণ উভয়ৰে এক সুদূৰপ্ৰসাৰী তথা বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰয়োজন। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহক বিচ্ছিন্নভাৱে নাচাই সমগ্ৰ উপত্যকাটোক সামৰি এক সংহত নদী-ব্যৱস্থাপনা গঢ়ি তুলিব লাগিব। আধুনিক মেপিং, নিয়মিত খনন আৰু নদীৰ বুকুত পানী ধাৰণ ক্ষমতা বৃদ্ধি কৰাই হ'ব ইয়াৰ প্ৰথম পদক্ষেপ। ৰাজ্যৰ বিল, পিতনি, খাল আৰু অন্যান্য প্ৰাকৃতিক পানী নিষ্কাশন পথসমূহক বেদখলমুক্ত কৰি আইনী সুৰক্ষা প্ৰদান কৰিব লাগিব। জলাশয়সমূহৰ পানী ধৰি ৰখা ক্ষমতা বৃদ্ধি কৰিলে বানৰ প্ৰভাৱ বহুলাংশে হ্ৰাস পাব। ৰাষ্ট্ৰীয় ঘাইপথ, সংযোগী পথ বা ৰেলপথ নিৰ্মাণৰ পূৰ্বে বিশেষজ্ঞৰ দ্বাৰা পানীৰ স্বাভাৱিক গতি আৰু নিষ্কাশনৰ ওপৰত বিস্তৃত অধ্যয়ন বাধ্যতামূলক কৰিব লাগিব। পানী বৈ যোৱাৰ বাবে প্ৰয়োজনীয় সংখ্যক কালভাৰ্ট আৰু উৰণীয়া সেতু নিৰ্মাণ কৰিব লাগিব।

চুবুৰীয়া ৰাজ্যসমূহৰ জলবিদ্যুৎ প্ৰকল্প বা বান্ধৰ পৰা পানী এৰি দিয়াৰ ক্ষেত্ৰত এক বাধ্যতামূলক নীতি প্ৰস্তুত কৰিব লাগিব। বিশেষকৈ পানী এৰি দিয়াৰ কমেও ২৪ৰ পৰা ৪৮ ঘণ্টা পূৰ্বে অসম চৰকাৰ আৰু সংশ্লিষ্ট জিলা প্ৰশাসনক অৱগত কৰাৰ ব্যৱস্থা আইনীভাৱে নিশ্চিত কৰা উচিত, যাতে স্থানীয় প্ৰশাসনে আগতীয়াকৈ সতৰ্কতা জাৰি কৰি মানুহক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিব পাৰে। জৰাজীৰ্ণ মথাউৰিসমূহ পৰম্পৰাগত মাটিৰ সলনি জিঅ'-টেক্সটাইল, কংক্ৰিট আৰু আধুনিক প্ৰযুক্তিৰে সুদৃঢ় কৰিব লাগিব। প্ৰতিটো মথাউৰিৰ নিয়মিত পৰিদৰ্শন আৰু গুণগত ব্যৱস্থাপনা নিশ্চিত কৰা প্ৰয়োজন।

জলবায়ু পৰিৱৰ্তনৰ লগত খাপ খুৱাই আগতীয়া বান সতৰ্কীকৰণ ব্যৱস্থা অধিক শক্তিশালী কৰিব লাগিব। কম সময়ৰ ভিতৰতে হোৱা ধাৰাষাৰ বৰষুণৰ পানী যাতে খৰতকীয়াভাৱে ওলাই যাব পাৰে, তাৰবাবে চহৰ আৰু গাঁও উভয়তে জলনিষ্কাশনৰ এক সুসংহত মাষ্টৰ প্লেন প্ৰস্তুত কৰাটো অপৰিহাৰ্য।

নদী, নলা-নৰ্দমা বা জান-জুৰিসমূহত প্লাষ্টিক আৰু বৰ্জিত আৱৰ্জনা পেলোৱাৰ পৰা বিৰত থকা, অবৈজ্ঞানিকভাৱে পাহাৰ খন্দা কাৰ্য বন্ধ কৰা আৰু পৰিৱেশ সংৰক্ষণৰ বাবে স্থানীয় ৰাইজ স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি অহাটো অতিশয় জৰুৰী। শিৱসাগৰ, চৰাইদেউ, নাজিৰা আৰু যোৰহাটৰ শেহতীয়া প্ৰলয়ংকৰী বানে আমাক এক কঠোৰ সত্যৰ মুখামুখি কৰালে। বানপানী এতিয়া কেৱল প্ৰকৃতিৰ অনিয়ন্ত্ৰিত ৰূপ হৈ থকা নাই; ই আমাৰ অপৰিকল্পিত উন্নয়ন, পৰিৱেশৰ প্ৰতি দেখুওৱা অনীহা আৰু দুৰদৰ্শিতাৰ অভাৱৰ এক ভয়ংকৰ মানৱসৃষ্ট পৰিণাম। গতিকে, কেৱল প্ৰকৃতিক দোষ দি দায়িত্ব সামৰাৰ দিন আৰু নাই। প্ৰকৃতিৰ নিয়মক সন্মান জনাই, বিজ্ঞানসন্মত পৰিকল্পনা আৰু পৰিৱেশবান্ধৱ উন্নয়নৰ পথ আঁকোৱালি ল'লেহে অসমৰ এই বাৰ্ষিক সংকটক বহুলাংশে প্ৰতিহত কৰিব পৰা যাব।

# গহপুৰ বন বিভাগৰ কৰ্মচাৰী গুণ ৰাজখোৱাৰ মহৎ কাৰ্যসূচী

## দৰমহাৰ ৩০ শতাংশ ধন বৃক্ষৰোপণত খৰচ; এক লাখ গছপুলি ৰোপণৰ লক্ষ্য

**অসম বাৰ্তা, গহপুৰ, ২ আগষ্ট ঃ** প্ৰকৃতিখনক ভালপোৱা, প্ৰকৃতিৰ লগত একাত্ম হৈ প্ৰকৃতিৰ কথা চিন্তা কৰা গহপুৰৰ এগৰাকী বনকৰ্মীৰ প্ৰশংসনীয় পদক্ষেপে সকলোৰে অন্তৰ জয় কৰিছে। গহপুৰ বনবিভাগৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী তথা গহপুৰ গুৱাধৰাৰ নিবাসী গুন ৰাজখুৱাই প্ৰকৃতিখনক অধিক সুন্দৰ আৰু সেউজীয়া কৰি তোলাৰ উদ্দেশ্যেৰে ২০২৫ চনৰ ২৩ মে'ৰ পৰা গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত গছ পুলি ৰোপণ কৰি প্ৰকৃতি প্ৰেমৰ পৰিচয় দাঙি ধৰিছে। বনবিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে প্ৰতি মাহে যি দৰমহা লাভ কৰে তাৰ ৩০ শতাংশ ধন গছপুলি ৰোপণৰ নামত খৰচ কৰি আহিছে গুন হাজৰিকাই। বনবিভাগৰ কৰ্মচাৰী হিচাপে কাৰ্যালয়ত নিজৰ দায়িত্ব পালন কৰি আজৰি সময় অথবা বন্ধ বাৰত তেওঁ গহপুৰৰ সমজিলাৰ ভিন্ন প্ৰান্তত বিবিধ প্ৰজাতিৰ গছৰ লগতে ফলমূলৰ গছ সমূহো ৰোপণ কৰি আহিছে। গহপুৰ সমজিলাৰ সীমা বুৰৈৰ পৰা হাৱাজানলৈকে গছপুলি ৰোপণৰ লক্ষ্য গুণ হাজৰিকাৰ। গহপুৰৰ সোলেঙী, ভোলাগুৰি, বালিজান, নপমুৱা, গুৱাধৰা, গহপুৰ চহৰৰ ভিন্ন স্থানৰ লগতে ছয়দুৱাৰ মহাবিদ্যালয়ত চৌপাশ, গহপুৰ শংকৰ দেৱ শিশু নিকেতন আদিত গছপুলি ৰোপণ কৰি সুন্দৰ নিৰ্দশন প্ৰতিফলিত কৰিছে। বৰ্তমানলৈকে তেওঁ বিছ হাজাৰ গছপুলি ৰোপণ কৰি সমাপ্ত কৰিছে। আৰু তেওঁ আশী হাজাৰ গছ পুলি ৰোপণ কৰিব। মুঠ এক লাখ গছপুলি ৰোপণৰ লক্ষ্য গুন হাজৰিকাৰ। গুন হাজৰিকাই এই গছ পুলি সমূহ গহপুৰৰ চাৰিলেণ্ড যুক্ত পথৰ কাষতো ৰোপণ কৰি ৰাইজক গছৰ চাঁ দিবলৈ চেষ্টা কৰিছে। তেওঁৰ এই পদক্ষেপৰ জৰিয়তে ভৱিষ্যতে যাতে এই ধৰণীত অক্সিজেনৰ পৰিমাণ অধিক বৃদ্ধি পায় সেয়াও তেওঁৰ এক লক্ষ্য। বৰ্তমানলৈকে তেওঁ মেহগনি, বকুল, ক'লা জামু, বগাজামু, মহানিম, অৰ্জুন, তেতেলী, ঔটেঙা, মধুৰী, মিকিৰদিম আদি পুলি ৰোপণ কৰিছে। তেওঁৰ আশা এদিন এনেধৰণৰ পদক্ষেপে ভৱিষ্যত প্ৰজন্মক যথেষ্ট সহায় কৰিব। বনবিভাগৰ কৰ্মচাৰী হোৱাৰ উপৰিও গুণ হাজৰিকা সামাজিক ভাৱে সমাজৰ কামকাজৰ লগত ওত: প্ৰোত: ভাৱে জড়িত হৈ সমাজৰ ইতিবাচক কামবোৰ কৰি আহিছে। কেতিয়াবা আৰ্তজনৰ কাষত থিয় হৈয়ো মানৱতাৰ নিৰ্দশন দাঙি ধৰিছদ। গুন হাজৰিকাৰ এনেধৰণৰ পদক্ষেপক এতিয়া শঁলাগ লৈছে সমূহ গহপুৰ বাসীয়ে।

## পথটোৰ বাবুপাৰা অংশ অতিশীঘ্ৰে মেৰামতি কৰাৰ দাবী ৰাইজৰ

# কৃষ্ণাই-নেপালীখুঁটি গড়কাপ্তানি পথ পৰিদৰ্শন বিধায়ক পৱিত্ৰ ৰাভাৰ

**অসম বাৰ্তা, কৃষ্ণাই, ২ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই-নেপালীখুঁটি গড়কাপ্তানি সংযোগী জৰাজীৰ্ণ পথটোৰ অৱস্থা পৰ্যবেক্ষণ কৰিবলৈ আজি স্থানীয় বিধায়ক পৱিত্ৰ ৰাভাই পথটোৰ বিভিন্ন অংশ পৰিদৰ্শন কৰে। বিশেষকৈ বাবুপাৰা অঞ্চলত পথটোৰ বেয়া অৱস্থা প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজৰ সৈতে মতবিনিময়ো কৰে। দীঘলীয়া সময় ধৰি পথটোৰ বাবুপাৰা অংশত ডাঙৰ ডাঙৰ গাঁত সৃষ্টি হোৱাত যান-বাহন চলাচলত তীব্ৰ অসুবিধাৰ সৃষ্টি হৈছে। বিশেষকৈ বৰষুণৰ সময়ত পথটো অধিক বিপদজনক হৈ পৰে আৰু প্ৰায়ে দুৰ্ঘটনাৰ আশংকা বৃদ্ধি পায়। পৰিদৰ্শনৰ সময়ত স্থানীয় বাসিন্দাসকলে বিধায়কগৰাকীক পথটোৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে অৱগত কৰি অতিশীঘ্ৰে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনায়। ৰাইজে কয় যে, এই পথটোৱে বহু গাঁওবাসীৰ দৈনন্দিন যাতায়াতৰ একমাত্ৰ ভৰসা, সেয়ে শীঘ্ৰে মেৰামতিৰ কাম আৰম্ভ হোৱাটো অতি প্ৰয়োজন। বিধায়ক পৱিত্ৰ ৰাভাই পথটোৰ সমস্যাৰ বিষয়ে সংশি-ষ্ট বিভাগৰ সৈতে আলোচনা কৰি দ্ৰুত ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে বুলি জানিব পৰা গৈছে।

# চণ্টকত মানৱতাৰ নিদৰ্শন; বানে উটুৱাই নিয়া ৰাইহানাআৰা আহমেদৰ ঘৰ পুনৰ নিৰ্মাণ

**অসম বাৰ্তা, নাজিৰা, ২ আগষ্ট ঃ** শেহতীয়া প্ৰলয়ংকাৰী বানে সৰ্বস্বান্ত কৰা শিৱসাগৰ জিলাৰ চণ্টক বগদাই গাঁৱত দেখিবলৈ পোৱা গৈছে মানৱতা অনন্য নিদৰ্শন। শিৱসাগৰ জিলাৰ চণ্টক বগদাই গাঁৱৰ বাসিন্দা ৰাইহানাআৰা আহমেদক এই বানে উটুৱাই লৈ যায়। বানেসৰ্বস্ব কাঢ়ি নিয়া এই দুৰ্ভগীয়া পৰিয়ালটোৰ কাষত থিয় দিছে ইমদাদ আলি নামৰ মানৱদৰদী যুবকজন। ইমদাদ আলিৰ নেতৃত্বত আৰু আহ্বানেৰে আজি অসমৰ বিভিন্ন প্ৰান্তৰ ১৪৮জন লোকে স্বতঃস্ফূৰ্তভাৱে শ্ৰমদান আগবঢ়াই ৰাইহানাআৰা আহমেদৰ লগতে ক্ষতিগ্ৰস্ত অন্য চাৰিজন লোকৰ বাসগৃহ পুনৰ নিৰ্মাণৰ কাম সামূহিকভাৱে চলাই আছে। বানাক্ৰান্ত এই অঞ্চলটোত ঘৰ-দুৱাৰ পুনৰ নিৰ্মাণ তথা মেৰামতিৰ বাবে যিমান শ্ৰমিকৰ প্ৰয়োজন হ'ব, সেই সকলো শ্ৰমিক যোগান ধৰাৰ দায়িত্ব মূৰ পাতি লৈছে শুকুৰ আলিয়ে।

# টংলাত বড়োলেণ্ড সাংবাদিক সংস্থাৰ ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱস




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২ আগষ্ট ঃ** বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত পাঁচখন জিলাৰ মূল ধাৰাৰ সাংবাদিক সকলক একত্ৰিত কৰি এখন শক্তিশালী মঞ্চ গঠন আৰু সাংবাদিক সকলৰ বিভিন্ন সমস্যা সমূহ সমাধানৰ উদ্দেশ্যে ২০১০ চনৰ ১ আগষ্টত প্ৰতিষ্ঠা হোৱা বড়োলেণ্ড সাংবাদিক সংস্থা চমুকৈ বিজেএৰ আজি ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। বিটিচিৰ পাঁচখন জিলা কোকৰাঝাৰ চিৰাং, বাঁ, তামোলপুৰ জিলাৰ লগতে ওদালগুৰিতো এই দিৱস পালন কৰা হয়। বড়োলেণ্ড সাংবাদিক সন্থাৰ ১৭ সংখ্যক প্ৰতিষ্ঠা দিৱসটি ওদালগুৰি জিলা সমিতিয়ে টংলা সাহিত্য সভা ভৱনত আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰে। পুৱা জিলা সমিতিৰ পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বড়োলেণ্ড সাংবাদিক সন্থা ওদালগুৰি জিলা সমিতিৰ সভাপতি গুনজিৎ দাসে। ওদালগুৰি জিলা বড়োলেণ্ড সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নাৰায়ণ ডেকাই আঁত ধৰা অনুষ্ঠানত স্মৃতি তৰ্পন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক প্ৰধান দিবাকৰ বড়াই। শিৱসাগৰ, চৰাইদেউ জিলাত হোৱা প্ৰলয়ংকৰী বানত নিহত সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি বানাক্ৰান্তসকলৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ কৰি ৰাইজে এই বিপৰ্যয়ৰ সময়ত দেখুওৱা মহানুভৱতাৰ শলাগ লয়। টংলা সাহিত্য সভা ভৱনত সভাপতি গুনজিৎ দাসৰ পৰিচালনাত মুকলি আলোচনা সভা অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠানত বড়োলেণ্ড সাংবাদিক সন্থাৰ উপদেষ্টা গৌতমজ্যোতি তালুকদাৰ, প্ৰাক্তন সভাপতি বাপন চন্দ্ৰ শৰ্মা, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, টংলা সাহিত্য সভাৰ সম্পাদক শ্যামল কুমাৰ দাস, জিলা প্ৰতিনিধি নগেন বৰুৱা প্ৰমুখ্যে কেবাগৰাকী সাহিত্যনুৰাগী, সাংবাদিক আৰু সমাজ সেৱক বিশিষ্ট ব্যক্তি সকলে অংশ লৈ বড়োলেণ্ড সাংবাদিক সন্থাৰ জন্ম, লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বিষদভাৱে আলোচনা কৰে। সাম্প্ৰতিক সময়ত একাংশ ছদ্মবেশী সাংবাদিকসকলৰ কলুষিত কৰ্মৰ বাবে মূল ধাৰাৰ সাংবাদিকসকল ৰাইজৰ কাঠগৰাত সমালোচনাৰ পাত্ৰ হ'বলগীয়া হোৱা বিষয়টো গভীৰভাৱে আলোচিত হয়। বিশেষকৈ ডিজিটেল সংবাদ মাধ্যমৰ সাংবাদিক নিয়োগৰ ক্ষেত্ৰত সংবাদগোষ্ঠীসমূহে প্ৰাৰ্থীৰ অৰ্হতা, নৈতিকতা আদিৰ দিশত সতৰ্কতা অৱলম্বন নকৰাৰ বাবেই এনে পৰিস্থিতিৰ উদ্‌ভৱ হোৱা বুলি সভাই মতপোষণ কৰে।

# লাহৰীঘাটত বজ্ৰপাত পৰি দুই সন্তানৰ মাতৃৰ মৃত্যু; আহত ৩

**অসম বাৰ্তা, ভুৰাগাঁও, ২ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত পটীয়াবন্ধাত আজি আবেলি বজ্ৰপাত পৰি এগৰাকী মহিলাৰ মৃত্যু ঘটাৰ লগতে আন তিনি গৰাকী লোক আহত হয়। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, পথাৰত খেতিৰ কাম কৰি থকাৰ অৱস্থাত আবেলি বজ্ৰপাত পৰি মহিলা সহ মুঠ চাৰিগৰাকী লোক আহত হয়। ইয়াৰে পটীয়াবন্ধা গাঁৱৰ ৰিতুমণি পাতৰ (৩৫) নামৰ মহিলা গৰাকী গুৰুতৰ ভাৱে আহত হয়। পাছত সংকটজনক অৱস্থাত পৰিয়ালৰ লোকে মহিলা গৰাকীক মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইফালে মহিলা গৰাকীৰ সৈতে একেলগে পথাৰত কাম কৰি থকা আন তিনি গৰাকী সামান্য পৰিমাণে আহত হয়। আহত লোক কেইগৰাকী হৈছে পৰী দেউৰী, কৰিস্মা বৰদলৈ আৰু বুবু বৰদলৈ। উল্লেখ্য যে দুটি সন্তানৰ মাতৃ গৰাকীৰ অকাল মৃত্যত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে।

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শান্তি বৰবৰাৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২ আগষ্ট ঃ** ডুমডুমা বালিকা উচ্চ মাধ্যমিক (বৰ্তমানে উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত হিন্দী শিক্ষয়িত্ৰী, মুক্তিযুঁজাৰু স্বৰ্গীয় দেৱীচৰণ বৰবৰাৰ অবিবাহিতা জ্যেষ্ঠ কন্যা তথা ইয়াৰ ওচৰৰ ৰূপাই চাইডিং নিবাসী শান্তি বৰবৰা(৭১)ৰ শনিবাৰে শেষ নিশা ১-০৫ বজাত বাৰ্ধক্যজনিত কাৰণত নিজ ঘৰতে মৃত্যু হয়। তেওঁৰ বিয়োগত ডুমডুমা আৰু ৰূপাই চাইডিঙৰ লগতে তেওঁ ৪২ বছৰ ধৰি অতি নিষ্ঠা সহকাৰে শিক্ষকতাৰ সেৱা আগবঢ়াই ২০১৫ চনত অৱসৰ গ্ৰহণ কৰা বিদ্যালয়খনত গভীৰ শোকৰ ছাঁ পৰিছে। মৃতকে তিনি অবিবাহিত আৰু দুই বিবাহিত ভগ্নীৰ লগতে বহুসংখ্যক আত্মীয়ক ইহ সংসাৰত এৰি থৈ গৈছে। দেওবাৰে পুৱা ডুমডুমাৰ কলিয়াপানী শ্মশানতঘাটত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা মাহজোৰা বিনামূলীয়া মুখা নিৰ্মাণ কৰ্মশালা সামৰণি

## মুখা শিল্পৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ আদৰ্শ দাঙি ধৰিছে ৰূপবৰণে ঃ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক




**অসম বাৰ্তা, উজনী মাজুলী, ২ আগষ্ট ঃ** মাজুলী ৰূপবাৰণ চিত্ৰকলা বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত এমহীয়া বিনামূলীয়া মুখা নিৰ্মাণ কৰ্মশালাৰ আজি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত সফল সামৰণি পৰে। সেই উপলক্ষে আজি পুৱা ১০-৩০ বজাৰ পৰা বিদ্যালয়ৰ সভাগৃহত আয়োজিত সভাখনৰ আঁত ধৰে বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰাই। মাজুলীৰ ঐতিহ্যমণ্ডিত মুখাশিল্পৰ সংৰক্ষণ, সম্প্ৰসাৰণ আৰু নতুন প্ৰজন্মক এই শিল্পৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে আয়োজন কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত সভাখনত পৌৰোহিত্য কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাই। সভাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। উদ্বোধনী ভাষণত আয়ুক্তগৰাকীয়ে ৰূপবাৰণ চিত্ৰকলা বিদ্যালয়ৰ এই পদক্ষেপক প্ৰশংসা কৰি কয় যে মাজুলীৰ বিশ্ববিখ্যাত মুখাশিল্পক বিশ্ব দৰবাৰত আৰু অধিক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিবলৈ এনে ধৰণৰ প্ৰশিক্ষণ কৰ্মশালাৰ বিশেষ প্ৰয়োজন আছে। থলুৱা শিল্প-সংস্কৃতিৰ বিকাশ আৰু স্বাৱলম্বনৰ দিশতো এই কৰ্মশালাই স্থানীয় যুৱক-যুৱতীসকলক উৎসাহিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক তথা বিশিষ্ট সত্ৰীয়া শিল্পী ড° কৰুণা বৰাই। তেওঁ নিজৰ ভাষণত মুখাশিল্পৰ ইতিহাস, ইয়াৰ বৈজ্ঞানিক তথা শৈল্পিক দিশসমূহ বিস্তাৰিতভাৱে ব্যাখ্যা কৰে। মাজুলীৰ সত্ৰীয়া সংস্কৃতি আৰু মুখা নিৰ্মাণ শৈলীৰ বিশ্বজোৰা সমাদৰৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে উপযুক্ত সংৰক্ষণ আৰু আধুনিক বিপণনৰ জৰিয়তে এই শিল্পক আৰু আগুৱাই নিব পৰা যাব। অনুষ্ঠানত বিশেষ অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মুনীন্দ্ৰ ভূঞা আৰু জিলা সাংবাদিক সংস্থাৰ সম্পাদক ডিম্বেশ্বৰ দত্ত, শিশু সেৱাত ব্ৰতী দীপাঞ্জলী দত্ত, মাজুলী যুৱ সমন্বয় কৃষ্টি সংঘৰ সম্পাদক অমৰজ্যোতি ভূঞা কৰ্মশালাৰ মুখ্য প্ৰশিক্ষক কৃষ্ণ বৰুৱা আদিয়ে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। সভাত মুখ্য প্ৰশিক্ষক কৃষ্ণ বৰুৱা, সহ প্ৰশিক্ষক পল্লৱী শইকীয়া, কল্পনা দত্ত আৰু নৱনীতা বৰুৱাক বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাত পল্লৱী শইকীয়াই বেজী সূতাৰে তৈয়াৰ কৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি অংকন কৰা এখনি গামোচা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকক অৰ্পণ কৰে। সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা বিভিন্ন মুখাসমূহ প্ৰদৰ্শন কৰা হয়। সমগ্ৰ কাৰ্যসূচীৰ সফল সামৰণিয়ে মাজুলীৰ শিল্পপ্ৰেমী ৰাইজৰ মনত বিশেষ উচ্ছা-উদ্দীপনাৰ সৃষ্টি কৰিছে।

# বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ বাৰ্ষিক দিৱস উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২ আগষ্ট ঃ** আজি তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ অংশবিশেষ বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয় দিৱসটো ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন গীত-মাত নৃত্য বাদ্য পৰিৱেশনৰ মাজেৰে উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণ কাকতিয়ে সংগীত মহাবিদ্যালয়খনৰ পঞ্চাশ বছৰীয়া চমু ইতিবৃত্ত দাঙি ধৰি নৱ প্ৰজন্মৰ প্ৰেৰণা আৰু দক্ষতা বিকাশৰ অৰ্থে আয়োজিত অনুষ্ঠানটিলৈ সকলোকে আদৰণি জনায়। অনুষ্ঠান আৰম্ভ হয় ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমাজৰ নিৰ্দিষ্ট সমবেত গীতেৰে। তাৰ পাছত অতি সম্প্ৰতি হৈ যোৱা প্ৰলয়ংকৰী বানত মৃত্যু হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। সংগীত শিক্ষক পিনাকী বালা আৰু লক্ষ্মীন্দ্ৰ ৰাজখোৱাৰ পৰিচালনাত গীত পৰিৱেশন কৰা শিক্ষাৰ্থীসকল হ'ল ৰিয়ান দাস, ভাৰতী চৌহান, শ্ৰেয়াচ বৰকটকী, চাকিব হক, অনুমিতী মৰাণ, আদ্যাসনা মিতালী, তন্ময় দাস, অয়নজ্যোতি ভূমিজ, অংকিত দাস, লক্ষ্য তাছা, বিশ্বজিত দহোটীয়া, দেৱীকা সোণোৱাল, নৱদীপ মাহালি, বাৰ্বি গগৈ, গৌৰৱ মূড়া, অনমল কুমাৰ, ময়ুক্ষী গোহাঁই, লুষ্টম বৰপাত্ৰ গোহাঁই, প্ৰিয়ম বৰুৱা, ময়ূৰী চেতিয়া, হৰ্ষিতা শৰ্মা, নৃত্য ৰাগিণী মৰাণ আৰু বাঁহী পৰিৱেশন কৰে শিক্ষায়তী চাংমায়ে। সভাৰ অন্যতম বিশেষত্ব আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইতিবাচক প্ৰতিযোগিতাৰ মনোভাৱ বৃদ্ধিৰ হকে, এই সংগীত মহাবিদ্যালয়ৰ পৰা ভাতখাণ্ডে পৰীক্ষাত অৱতীৰ্ণ হৈ আটাইকেইটা শ্ৰেণীৰ মাজত যাঠি শতাংশৰ ওপৰত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰ বা ছাত্ৰীক অনুষ্ঠানৰ কাৰ্যনিৰ্বাহক সদস্য দুন্দুভি প্ৰসাদ ভট্টাচাৰ্যই তেখেতৰ স্নেহময়ী জননী অনুপমা ভট্টাচাৰ্যৰ সোঁৱৰণত ধাৰাবাহিক ভাৱে প্ৰদান কৰিব বুলি ঘোষণা কৰা এক হাজাৰ টকাৰ এটি বঁটা। আজি প্ৰথমবাৰ এই বঁটা লাভ কৰিছে তবলাত পয়ষষ্ঠি শতাংশ নম্বৰ লৈ বিশাৰদ হোৱা কংকণা হাজৰিকাই। বিষ্ণুজ্যোতি সঙ্গীত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ জোনাবৰ গোহাঁয়ে আঁত ধৰা বঁটা প্ৰদান অনুষ্ঠানত বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ তৰফৰ পৰা দাতা আৰু প্ৰাপক দুয়োকে ফুলাম গামোচাৰে সম্বৰ্ধনা আৰু শুভেচ্ছা জনোৱাৰ লগতে শিক্ষাৰ্থীগৰাকীক গ্ৰন্থ প্ৰদান কৰা হয়। প্ৰণতি দেৱী শৰ্মা, ড০ মামণি ফুকন বৰগোহাঁই, ইলাক্ষী চক্ৰৱৰ্তী, অমিয় কুমাৰ লাহন, দীপক কুমাৰ বৰ্মন, আব্দুল চোভান, জয়নাল আবেদিন ভূঞা আৰু অভিভাৱকসকলৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানৰ শেষত দিলীপ কুমাৰে শিক্ষাৰ্থীসকলৰ গীত-বাদ্য পৰিৱেশনত থকা খুঁতি নাতিৰ প্ৰতি আঙুলিয়াই দিয়ে।

# নিচা মুক্ত যুৱ, বিকশিত ভাৰত সংকল্প অভিযানত যুৱ-সমাজক প্ৰধানমন্ত্ৰীৰ ভাৰ্চুৱেল সম্বোধন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২ আগষ্ট ঃ** ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মাই ভাৰত, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত নিচামুক্ত যুৱ, বিকশিত ভাৰত সংকল্প অভিযানৰ অধীনত দেশজুৰি যুৱ সমাজক ভাৰ্চুৱেলভাৱে সম্বোধন কৰে। এই ৰাষ্ট্ৰব্যাপী কৰা অভিযানৰ মূল উদ্দেশ্য হৈছে যুৱ সমাজক মাদক দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে একত্ৰিত কৰা আৰু সুস্থ, দায়িত্বশীল তথা নিচা মুক্তি জীৱনশৈলী গঢ়ি তোলা। তাৰেই অন্তৰ্গত মাই ভাৰত, ওদালগুৰিয়েও পি এম শ্ৰী জৱাহৰ নবোদয় বিদ্যালয়, ওদালগুৰিত প্ৰধানমন্ত্ৰীৰ এই ভাৰ্চুৱেল সম্বোধনৰ লাইভ প্ৰচাৰ অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানতোট টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা মুখ্য অতিথি হিচাপে উপস্থিত থাকি যুৱসমাজক নিচা মুক্ত ভাৰত গঢ়ি তোলাৰ বাবে তেওঁৰ বক্তব্যৰে অনুপ্ৰাণিত কৰে। অনুষ্ঠানটোত বিদ্যালয়খনৰ অধ্যক্ষ ৰামনাথ যাদৱ, মাই ভাৰতৰ জিলা যুৱ বিষয়া অভিজিৎ যাদৱ, ভাৰতীয় ৰেড ক্ৰছ ছ'ছাইটি, ওদালগুৰিৰ সম্পাদক ডাঃ মিলন দাসৰ লগতে ছাত্ৰ-ছাত্ৰী, ক্ৰীড়াবিদ, যুৱ স্বেচ্ছাসেৱক আৰু বিভিন্ন যুৱ ক্লাবৰ সদস্যসকল অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বক্তব্যত জনায় যে কাৰ্যসূচী নিচামুক্ত যুৱ, বিকশিত ভাৰত সংকল্প অভিযানৰ অংশ, যাৰ লক্ষ্য হৈছে সজাগতা, ক্ৰীড়া, সংস্কৃতি, সামাজিক অংশগ্ৰহণ আৰু ইতিবাচক সামাজিক কাৰ্যকলাপৰ জৰিয়তে যুৱ নেতৃত্বাধীন মাদকবিৰোধী আন্দোলন শক্তিশালী কৰা। এই অভিযান নিচামুক্ত ভাৰত আৰু বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্যৰ সৈতে সামঞ্জস্যপূৰ্ণ। ভাৰ্চুৱেল অনুষ্ঠানত দেশজুৰি প্ৰায় ১০, ০০০টা স্থানৰ যুৱসকল, মাই ভাৰত আৰু এন এচ এচ, স্বেচ্ছাসেৱক, যুৱ ক্লাব, ছাত্ৰ-ছাত্ৰী, বিভিন্ন বেচৰকাৰী সংস্থা আৰু অংশীদাৰ সংগঠনৰ সদস্যসকলে নিচামুক্তি শপতো গ্ৰহণ কৰে। এই অনুষ্ঠানৰ জৰিয়তে ১০০ সপ্তাহ যোৱা নিচামুক্তিৰ অভিযানৰো শুভাৰম্ভ কৰা হয়, যাৰ অধীনত নিয়মীয়াকৈ সজাগতা, ফিটনেছ, ক্ৰীড়া, সাংস্কৃতিক আৰু সমাজমুখী বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হ'ব। ইয়াৰ উপৰিও মাই ভাৰতত জিলা আৰু ৰাজ্যিক পৰ্যায়ত লোকগীত, মাইম, চিত্ৰাংকন, বিতৰ্ক, শ্লোগান লিখন আৰু চমু চলচ্চিত্ৰ/ৰীল প্ৰতিযোগিতা অনুষ্ঠিত কৰি যুৱসমাজক নিচামুক্ত ভাৰতৰ বাৰ্তা সৃষ্টিশীলভাৱে প্ৰচাৰ কৰিবলৈ উৎসাহিত কৰি আছে। এই অভিযানৰ সামৰণি ১৪ আগষ্ট ২০২৬ত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় নিচা মুক্তি যুৱ সন্মিলনত হ'ব, য'ত নিচা মুক্ত ভাৰত গঢ়ি তোলাত বিশেষ অৱদান আগবঢ়োৱা ব্যক্তিসকলক সন্মানিত কৰা হ'ব।

# মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীক জিলা প্ৰশাসনৰ উদ্যোগত আন্তৰিক বিদায় সম্ভাষণ অনুষ্ঠান




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২ আগষ্ট ঃ** চৰকাৰী নিৰ্দেশনা অনুসৰি মৰিগাঁও জিলাৰ জিলা আয়ুক্ত অনামিকা তেৱাৰিক অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ অতিৰিক্ত সচিব হিচাপে বদলি কৰা হৈছে। সেই উপলক্ষে আজি মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসনৰ উদ্যোগত এক আন্তৰিক বিদায় সম্ভাষণ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে, অসম বিধানসভা নিৰ্বাচন-২০২৬ৰ পূৰ্বে মৰিগাঁও জিলাৰ জিলা আয়ুক্ত হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা অনামিকা তেৱাৰীয়ে অতি কম সময়ৰ ভিতৰতে নিজৰ দক্ষ নেতৃত্ব, নিষ্ঠা আৰু দায়িত্বশীলতাৰ জৰিয়তে জিলাখনৰ নিৰ্বাচনী প্ৰক্ৰিয়া সুকলমে আৰু সফলতাৰে সম্পন্ন কৰি বিশেষ সুনাম অৰ্জন কৰে। চুটি কাৰ্যকালৰ মাজতো তেওঁ সাধাৰণ ৰাইজৰ সমস্যা, অভাৱ-অভিযোগ আৰু জনস্বাৰ্থজড়িত বিষয়সমূহ সংবেদনশীলভাৱে গ্ৰহণ কৰি তাৎক্ষণিক আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ জৰিয়তে সকলোৰে আস্থা আৰু সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও, তেওঁ জিলাখনৰ বিভিন্ন উন্নয়নমূলক আঁচনি, আন্তঃগাঁথনি প্ৰকল্প আৰু নিৰ্মাণকাৰ্য নিয়মীয়াভাৱে ক্ষেত্ৰ পৰিদৰ্শন কৰি কামৰ গুণগত মান, সময়মতে ৰূপায়ণ আৰু স্বচ্ছতা নিশ্চিত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰে। বিদায় সম্ভাষণ অনুষ্ঠানত জিলা প্ৰশাসনৰ তৰফৰ পৰা তেওঁৰ নিষ্ঠাপূৰ্ণ সেৱা, দক্ষ নেতৃত্ব আৰু জনকল্যাণমূলক অৱদানৰ শলাগ লোৱা হয়। লগতে তেওঁৰ সুস্বাস্থ্য, দীঘায়ু আৰু অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ অতিৰিক্ত সচিব হিচাপে নতুন দায়িত্বত সফলতা কামনা কৰি আন্তৰিক শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰা হয়।

# আৰম্ভ হ'ল লোকপিয়ল ২০২৭ৰ

ঘৰে গৈ তথ্যৰ সত্যাসত্য পৰীক্ষা কৰিব। ইতিমধ্যে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নিজ বাসগৃহত স্ব-গণনা প্ৰক্ৰিয়া সফলভাৱে সম্পূৰ্ণ কৰিছে। প্ৰক্ৰিয়াটো সমাপ্ত কৰি তেওঁ সংবাদ মাধ্যমৰ সৈতে কথা পাতে আৰু প্ৰতিগৰাকী নাগৰিকক এই ৰাষ্ট্ৰীয় কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশ ল'বলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, "অনলাইন স্ব-গণনা অতি সৰল। পৰিয়ালৰ যিকোনো সদস্যই স্মাৰ্টফোন বা ইণ্টাৰনেট সংযোগ থকা যিকোনো সঁজুলিৰে চৰকাৰী পৰ্টেল https:. //se.census.gov.in-ত গৈ নিজ পৰিয়ালৰ তথ্য পূৰণ কৰিব পাৰে।" তেওঁ লগতে জানিবলৈ দিয়ে যে স্ব-গণনাৰ সময়ত ঘৰৰ প্ৰকাৰ, পানী নিষ্কাশনৰ ব্যৱস্থা, এলপিজি সংযোগ, স্মাৰ্টফোন, ডিছ টিভি আদি মৌলিক সুবিধাসমূহৰ লগতে বাসগৃহৰ জিপিএছ আদি সংৰক্ষণ কৰিব পাৰি। মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰি কয়, "এই তথ্যসমূহে ভৱিষ্যতৰ ৰাজহুৱা নীতি আৰু উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰাত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। গতিকে প্ৰতিজন নাগৰিকৰ কৰ্তব্য হৈছে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা।" ইফালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো দেওবাৰে নিজ পৰিয়ালৰ স্ব-গণনা সম্পূৰ্ণ কৰে। সামাজিক মাধ্যমত এক পোষ্ট দি তেওঁ জনায়, "অসমত লোকপিয়ল ২০২৭ৰ অনলাইন স্ব-গণনা আজিৰ পৰা আৰম্ভ হৈছে। এতিয়া ঘৰত বহিয়েই অতি সহজে নিজ পৰিয়ালৰ তথ্য পূৰণ কৰি অংশগ্ৰহণ কৰিব পাৰিব। বিলম্ব নকৰি সকলোকে এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ অংশীদাৰ হ'বলৈ আন্তৰিক আহ্বান জনালো।" উল্লেখ্য যে লোকপিয়ল ২০২৭ৰ প্ৰক্ৰিয়া দুটা পৰ্যায়ত সম্পন্ন হ'ব। প্ৰথম পৰ্যায়ৰ অধীনত 'গৃহ তালিকা আৰু গৃহ গণনা' ১৭ আগষ্টৰ পৰা ১৫ ছেপ্টেম্বৰলৈ চলিব। ইয়াৰ আগতে ২ আগষ্টৰ পৰা ১৬ আগষ্টলৈ নাগৰিকসকলে চৰকাৰী সুৰক্ষিত পৰ্টেলৰ জৰিয়তে স্ব-গণনা কৰিব পাৰিব। দ্বিতীয় পৰ্যায় অহা বছৰ ফেব্ৰুৱাৰী মাহত আৰম্ভ হ'ব বুলি জানিবলৈ দিয়া হৈছে। অসম চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে যে বানপীড়িত জিলাসমূহত এই স্ব-গণনা প্ৰক্ৰিয়া সাময়িকভাৱে স্থগিত ৰখা হৈছে, যাতে ক্ষতিগ্ৰস্ত ৰাইজে পৰিস্থিতি স্বাভাৱিক হোৱাৰ পাছত সুবিধাজনক সময়ত অংশগ্ৰহণ কৰিব পাৰে।

# বন্যাৰ্তৰ কাষত বন্যাৰ্ত; বাৰীৰ শাক-পাচলি লৈ আঁহতগুৰিবাসী শিৱসাগৰত উপস্থিত

## অহা শনিবাৰে পুনৰ যাব কুৰিজনীয়া শ্ৰমদানৰ দল



**অসম বাৰ্তা, উজনী মাজুলী, ২ আগষ্ট ঃ** বানাক্ৰান্তই জানে বান-খহনীয়াত আক্ৰান্তৰ মৰ্মবেদনা। গতিকে, নিজৰ দুখকো একাষৰীয়াকৈ থৈ বাৰীৰ এমুঠি শাক-পাচলিকে লৈ বন্যাৰ্তৰ কাষলৈ ঢাপলি মেলিছে ব্ৰহ্মপুত্ৰৰ দুটাকৈ সুঁতিৰ মাজত বসবাস কৰা চৰবাসী আঁহতগুৰীয়া। বিশ্বাস কৰিবলৈ টান যদিও প্ৰতিবছৰে বান আৰু খহনীয়াত জুৰুলা আঁহতগুৰিৰ বৃহত্তৰ শিকলিচাপৰিৰ কুৰিখনতকৈয়ো অধিক গাঁৱৰ ৰাইজ আজি একত্ৰিত হৈছে বান বিধবস্ত শিৱসাগৰ, নাজিৰা, যোৰহাটৰ ৰাইজৰ কাষত। দুজনা গুৰুৰ ঐতিহাসিক মহামিলনৰ আদিস্থান আঁহতগুৰিৰ শিকলি চাপৰি স্থিত শ্ৰীশ্ৰী ধুঁৱাহাট বেলগুৰি থান পৰিচালনা আৰু উন্নয়ন সমিতি আৰু মণিকাঞ্চন মিলন ক্ষেত্ৰৰ সৌজন্যত সমগ্ৰ অঞ্চলটোৰ গঞাসকলে বাৰীত উৎপাদন কৰা গুৰ, কল- বন, কাছকল, শাক-পাচলি, মাটিমাহ, মগুমাহ, লাও-কোমোৰা গোটাই প্ৰায় আঢ়েশটা পৰিয়ালক সহায় কৰিব পৰাকৈ আজি পুৱা দুটাকৈ সুঁতি পাৰ হৈ শিৱসাগৰ - নাজিৰালৈ যাত্ৰা কৰে। শিকলি চাপৰি স্থিত শ্ৰীশ্ৰী আঁহতগুৰি বৰ সত্ৰয়েও এই পদক্ষেপত সহযোগ কৰিছে। সত্ৰৰ পৰাও গামোচা, কাপোৰ সহ সাহায্য সামগ্ৰী লৈ দলটোত সত্ৰাধিকাৰ ৰূপচন্দ্ৰ গোস্বামীয়ে ভকতসকলৰ সহ নেতৃত্ব লৈছে। দলটোত মাজুলীৰ সাহিত্যৰ পৰা সম্পাদক গোবিন কুমাৰ খাউণ্ডে অংশগ্ৰহণ কৰে। ত্ৰিশজনীয়া দলটোত পৰিচালনা আৰু উন্নয়ন সমিতিৰ সম্পাদক ভৱেন ফুকন, সহকাৰী সম্পাদক উৎপল দত্ত, আঁহতগুৰি উৎসৱ সমিতিৰ সম্পাদক দুগ্ধ চন্দ্ৰ গোস্বামীৰ উপৰি সমিতিৰ বিষয়ববীয়া গোপাল গোস্বামী, ৰঞ্জন গোস্বামী, আনন্দ খাউণ্ড, কোযেশ্বৰ বৰা, বিজয় হাজৰিকা, ৰাহুল দাস, দীপক শইকীয়া, জান শইকীয়া, পবিত্ৰ বৰুৱা -সাংবাদিক, ৰমেশ ভূঞা, উৎপল নাৰায়ন গোস্বামী, মণি বৰা, দিলীপ বৰুৱা, দীপু ভূঞা, লোহিত শইকীয়া, যোগেন শইকীয়া প্ৰভৃতি চৰৰ প্ৰতিখন গাঁৱৰ বহু কেইগৰাকী যুৱক সহ উনত্ৰিশ গৰাকী লোকে প্ৰায় ২৫ কুইণ্টলতকৈ অধিক সামগ্ৰী একেবাৰে ভিতৰুৱা অঞ্চল পানবেচাৰ বহু কেইখন গাঁৱৰ বানবিধস্ত লোকক বিতৰণ কৰে। অহা শনিবাৰে দুদিনীয়াকৈ এটি দল শ্ৰমদান কৰিবলৈ বানাক্ৰান্তৰ কাষলৈ যাত্ৰা কৰিব। "মাজুলীৰ সাহিত্য"ৰ নেতৃত্বত চৰাইচোং উৎসৱ আৰু মণিকাঞ্চন মিলন ক্ষেত্ৰৰ সদস্য সকলেৰে গঠিত হ'বলগীয়া দলটিক সভাপতি, সম্পাদক কমল দত্ত আৰু গোবিন কুমাৰ খাউণ্ড আৰু প্ৰকৃতি প্ৰেমী অতুল হাজৰিকা আৰু নৃপেন খাউণ্ডে পৰিচালনা কৰিব। দলটোৱে ভিতৰুৱা বিধবস্ত গাঁৱৰ বিদ্যালয়, নামঘৰ, ৰাজহুৱা অনুষ্ঠান আদি পৰিষ্কাৰ কৰণত সেৱা আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কোনো সদাশয় লোকে কোন অঞ্চলত দলটোৱে শ্ৰমদান কৰিলে দুৰ্গত ৰাইজৰ কিছু সকাহ হ'ব জনাই সহায় কৰিব বুলি সম্পাদক গোবিন কুমাৰ খাউণ্ডে অনুৰোধ জনাইছে। সম্পাদকৰ ফোন নম্বৰ ( 8134073334 ) ত জনাব বুলি আহ্বান কৰিছে।

# কমাৰবন্ধা মহাবিদ্যালয়ত স্নেহাস্পদ ফাউণ্ডেশ্যনৰ উদ্যোগমুখী ইণ্টাৰ্ণশ্বিপৰ সামৰণি



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২ আগষ্ট ঃ** গোলাঘাট জিলাৰ কমাৰবন্ধা মহাবিদ্যালয়ৰ পঞ্চম ষাণ্মাসিকৰ শিক্ষাৰ্থীসকলৰ বাবে স্নেহাস্পদ ফাউণ্ডেশ্যন আৰু ইয়াৰ সহযোগী সংস্থা স্নেহাস্পদ স্কিল চেণ্টাৰৰ উদ্যোগত আয়োজন কৰা ৩০ দিনীয়া উদ্যোগমুখী ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীৰ আজি সফল সামৰণি পৰে। শিক্ষাৰ্থীসকলৰ মাজত কেৱল চাকৰিমুখী মানসিকতা নহয়, উদ্যোগমুখী চিন্তাধাৰা গঢ়ি তুলি আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যৰে আয়োজন কৰা এই কাৰ্যসূচীয়ে ব্যাপক সঁহাৰি লাভ কৰে। এমহীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীত শিক্ষাৰ্থীসকলক চাহ আৰু কাঠফুলাৰ খেতি, প্ৰক্ৰিয়াকৰণ, মূল্য সংযোজন, ব্ৰেণ্ডিং আৰু লেবেলিং, হাৰ্বেল টি প্ৰস্তুতকৰণ, ই-কমাৰ্চ, ডিজিটেল বিপণন, কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱসায়িক প্ৰয়োগ, ব্যৱসায় পৰিচালনা, অনলাইন বিপণন আদি বিভিন্ন বিষয়ত হাতে-কলমে প্ৰশিক্ষণ প্ৰদান কৰা হয়। বৰ্তমান আৰু ভৱিষ্যতৰ বজাৰ ব্যৱস্থাৰ সৈতে খাপ খুৱাই শিক্ষাৰ্থীসকলক আধুনিক ব্যৱসায়িক ধাৰণাৰে সমৃদ্ধ কৰি তোলাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি আয়োজকসকলে জানিবলৈ দিয়ে। সামৰণি অনুষ্ঠান উপলক্ষে শিক্ষাৰ্থীসকলে বিগত এমাহ ধৰি প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী, মূল্য সংযোজিত খাদ্য-সামগ্ৰী, চাহজাত সামগ্ৰী, কাঠফুলাভিত্তিক উৎপাদন, ব্ৰেণ্ডিং আৰু পেকেজিং আদি সামগ্ৰীৰ এক আকৰ্ষণীয় প্ৰদৰ্শনীৰ আয়োজন কৰে। প্ৰদৰ্শনীত উপস্থাপিত সামগ্ৰীসমূহে উপস্থিত অতিথি আৰু দৰ্শনাৰ্থীৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ সৃষ্টিশীলতা আৰু ব্যৱসায়িক দক্ষতাৰ পৰিচয় বহন কৰে। অনুষ্ঠানত ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কৰুণা বৰদলৈ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিক্ষাৰ্থীসকলক উদ্যোগমুখী হোৱাৰ আহ্বান জনায়। লগতে কমাৰবন্ধা মহাবিদ্যালয়ৰ অধ্যক্ষ অতুল শইকীয়া, উপাধ্যক্ষা, অধ্যাপক-অধ্যাপিকা, স্নেহাস্পদ ফাউণ্ডেশ্যনৰ বিষয়ববীয়াসকল আৰু বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বক্তাসকলে কয় যে, বৰ্তমানৰ সময়ত কেৱল চাকৰিৰ ওপৰত নিৰ্ভৰ নকৰি দক্ষতা, উদ্ভাৱনী শক্তি আৰু প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে সফল উদ্যোগপতি হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ যথেষ্ট সুযোগ আছে। বিশেষকৈ চাহ আৰু কাঠফুলা উদ্যোগক ই-কমাৰ্চৰ সৈতে সংযোগ কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় বজাৰত বিপণনৰ অপাৰ সম্ভাৱনা আছে। এই লক্ষ্যৰেই স্নেহাস্পদ ফাউণ্ডেশ্যন আৰু স্নেহাস্পদ স্কিল ডেভেলপমেণ্ট চেণ্টাৰে শিক্ষাৰ্থীসকলক বাস্তৱমুখী আৰু ভৱিষ্যতমুখী প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। অনুষ্ঠানৰ অন্তত স্নেহাস্পদ ফাউণ্ডেশ্যনৰ মুখ্য সংগঠক ৰিয়াজ ৰাহুল হকে শিক্ষাৰ্থীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰি কয় যে, এই ইণ্টাৰ্ণশ্বিপ কেৱল এখন প্ৰশিক্ষণ কাৰ্যসূচী নহয়, বৰঞ্চ নতুন প্ৰজন্মৰ উদ্যোগী সৃষ্টি কৰাৰ এক প্ৰয়াস। তেওঁ ঘোষণা কৰে যে, এই প্ৰশিক্ষণ গ্ৰহণ কৰা যিকোনো শিক্ষাৰ্থীয়ে ভৱিষ্যতে নিজস্ব ব্যৱসায় আৰম্ভ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে স্নেহাস্পদ ফাউণ্ডেশ্যনে ব্যৱসায়িক পৰিকল্পনা প্ৰস্তুতকৰণ, প্ৰশিক্ষণ, ব্ৰেণ্ডিং, লেবেলিং, পেকেজিং, ই-কমাৰ্চ, বজাৰ সংযোগ, বিপণন, চৰকাৰী আঁচনিৰ পৰামৰ্শ তথা অন্যান্য সম্ভৱ সকলো ক্ষেত্ৰতে সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়াব। এই ঘোষণাই উপস্থিত শিক্ষাৰ্থীসকলৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি কৰে। উল্লেখ্য যে, পৰম্পৰাগত ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীৰ পৰিৱৰ্তে এই ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলৰ মাজত আত্মবিশ্বাস, উদ্যোগী মনোভাৱ আৰু আত্মসংস্থাপনৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত বিশেষ ভূমিকা পালন কৰিছেবুলি উপস্থিত অতিথিসকলে মত প্ৰকাশ কৰে।

# সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত গ্ৰীষ্মকালীন কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২ আগষ্ট ঃ** সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সৰুপথাৰ সমজিলা প্ৰশাসনৰ সহযোগত বিধানসভা সমষ্টি ভিত্তিত আয়োজিত গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাৰ সামৰণি অনুষ্ঠান দেওবাৰে সৰুপথাৰ ৰংঘৰ ৰাজহুৱা ভৱন প্ৰাঙ্গনত সাফল্যৰ সৈতে অনুষ্ঠিত হয়। সাংস্কৃতিক বিষয়া টুহিনা শইকীয়া, চুঙাজান উন্নয়ন যুৱক সংঘ আৰু উৰিয়ামঘাটৰ ত্ৰিনয়ন শিল্পী সমাজৰ বিষয়ববীয়াই আঁত ধৰি অনুষ্ঠানটি সঞ্চালনা কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক প্ৰেৰণাদায়ক ভাষণ আগবঢ়ায়। তেওঁ কয় যে সাংস্কৃতিক চৰ্চাই ব্যক্তিত্ব বিকাশৰ লগতে শৃংখলাবোধ, আত্মবিশ্বাস আৰু সৃষ্টিশীল মানসিকতা গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰে। এই ধৰণৰ কৰ্মশালাই নতুন প্ৰজন্মক নিজৰ সংস্কৃতি, ঐতিহ্য আৰু মূল্যবোধৰ সৈতে অধিক ওচৰ চপাই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ মজিয়াত কৰ্মশালাৰ সামৰণি উপলক্ষে অংশগ্ৰহণকাৰী প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মনোমোহা সাংস্কৃতিক পৰিৱেশন। সমবেত সঙ্গীত, কৃষ্ণ নৃত্য, গোপী নৃত্য, এককভাৱে সংগীত পৰিৱেশন, ভোৰতাল নৃত্য আৰু অন্যান্য সৃষ্টিশীল উপস্থাপনে উপস্থিত ৰাইজক মুগ্ধ কৰি তোলে আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। অনুষ্ঠানত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, সমজিলা আয়ুক্ত মিতালী লহকৰ, সাংস্কৃতিক সঞ্চালকালয়ৰ প্ৰাক্তন উপ-সঞ্চালক ধৰ্মেশ্বৰ দুৱৰা, বিশিষ্ট শিক্ষাবিদ সিদ্ধেশ্বৰ শইকীয়া, বৰপথাৰ পৌৰসভাৰ পৌৰপতি সঞ্জীৱ বৰুৱা, প্ৰশাসনিক বিষয়া, অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু সৰুপথাৰ অঞ্চলৰ বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে, গ্ৰীষ্মকালীন এই কৰ্মশালাৰ জৰিয়তে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাংস্কৃতিক চেতনা জাগ্ৰত কৰাৰ লগতে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশৰ এক সুন্দৰ মঞ্চ সৃষ্টি কৰা হৈছে। সামৰণি অনুষ্ঠানটোৱে অংশগ্ৰহণ কাৰী সকলৰ মাজত নতুন উদ্যম আৰু অনুপ্ৰেৰণাৰ সঞ্চাৰ কৰাৰ লগতে অনুষ্ঠানস্থলীত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। শেষত শলাগৰ শৰাই আৰু ৰাষ্ট্ৰীয় সঙ্গীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি মাৰে।

# গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাতৰ মাহজোৰা মধ্যকালীন শিশু সমাৰোহৰ সফল সামৰণি

## মুকলি সভাত ফলাফল ঘোষণা আৰু পুৰস্কাৰ বিতৰণ

**অসম বাৰ্তা, মাজুলী, ২ আগষ্ট ঃ** মাজুলী জিলা মইনা পাৰিজাতৰ অন্তৰ্গত গড়মূৰ সদৰ আঞ্চলিক মইনা পাৰিজাতৰ মধ্যকালীন ২৬ সংখ্যক শিশু সমাৰোহৰ মাহেকজোৰা বিস্তৃত কাৰ্যসূচী আজি সফল সামৰণি পৰে। সেই উপলক্ষে আঞ্চলিক মইনা পাৰিজাতে যোৱা সাতাইছ জুনৰ পৰা আজি দুই আগষ্টলৈ শাখালৈ যাওঁ কাৰ্যসূচীৰে মাধ্যমেৰে বিভিন্ন প্ৰতিযোগিতা মূলক কাৰ্যসূচী ৰূপায়ণ কৰে। মাহজোৰা কাৰ্যসূচীৰ অংশ হিচাপে ২৭ জুন তাৰিখে গড়মূৰ প্ৰেছ ক্লাৱত সদৌ অসম মইনা পাৰিজাতৰ প্ৰতিষ্ঠা দিৱস পালন কৰে। ৩ জুলাইত খোনাচুক গাৱঁত গড়মূৰ নগৰ প্ৰাথমিক শাখা নামঘৰত সমল ব্যক্তিৰ দ্বাৰা মইনা সকলক বক্তৃতা আৰু কবিতা আবৃত্তি প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত কৰে। ১২ জুলাই তাৰিখে জ্ঞানোদয় মইনা পাৰিজাতৰ আতিথ্যত গড়মূৰ নগৰ প্ৰাথমিক নামঘৰত অনুষ্ঠিত হয় সাহিত্য প্ৰতিযোগিতা ক্ৰমে-কবিতা আবৃত্তি, চিত্ৰাংকণ, আকস্মিক বাক আৰু কুইজ প্ৰতিযোগিতা। ১৫ জুলাই তাৰিখে ভাস্কৰ মইনা পাৰিজাতৰ আতিথ্যত গড়মূৰ সদৰ অঞ্চলক মইনা পাৰিজাতৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। প্ৰতিষ্ঠা দিৱস উদযাপন কৰাৰ পাছত মইনা সকলৰ মাজত অনুষ্ঠিত কৰে সাংস্কৃতিক প্ৰতিযোগিতা আৰু দিহানাম প্ৰতিযোগিতাৰ। ১৯ জুলাই তাৰিখে সোৱণশিৰীৰ মইনা পাতিজাতাৰ আতিথ্যত বংশীগোপাল নাট্য মন্দিৰত অনুষ্ঠিত হয় সৃষ্টিশীল নৃত্য, জ্যোতি সংগীত, বিষ্ণু ৰাভা প্ৰতিযোগিতা, বিহুৱতি প্ৰতিযোগিতা আৰু ভাওনা সংলাপ প্ৰক্ষেপন প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২৬ জুলাই তাৰিখে ২ নং গড়মূৰ সদৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয় ক্ৰীড়া প্ৰতিযোগিতা ক্ৰমে-মাৰ্চ- পাৰ্চ, দৌৰ, মনযোগী, টেকেলী ভঙা প্ৰতিযোগিতা। আজি ২ আগষ্ট তাৰিখে সমাৰোহৰ সামৰণি তথা মাহজোৰাকৈ অনুষ্ঠিত কৰা শিশু সমাৰোহৰৰ মুকলি সভা অনুষ্ঠিত হয়। মাজুলীৰ শ্ৰীশ্ৰী গড়মূৰ সৰু সত্ৰৰ নামঘৰত পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হয় মুকলি সভা আৰু পুৰস্কাৰ বিতাৰণি সভা। সভাখনি অনুষ্ঠানিক ভাৱে উদ্বোধন কৰি মইনা সকলক শুভেচ্ছা আৰু আশীৰ্বাদ প্ৰদান কৰে শ্ৰীশ্ৰী গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে। সভাখনিৰ সভাপতিত্ব কৰে নৱজ্যোতি মইনা পাৰিজাতৰ মইনা অভিনৱ আকাশ শইকীয়াই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে ৰাৱনাপাৰ আঞ্চলিক মইনা পৰিজাতৰ মইনা ধৃতিময়ী বৰাই। সভাত বিশিষ্ট মইনা হিচাপে উপস্থিত থাকে ক্ৰমে নিবিন মইনা পাৰিজাতৰ মইনা প্ৰাপ্তিপ্ৰিয়াম দত্ত, নামনি মাজুলী আঞ্চলিক মইনা পাৰিজাতৰ মইনা মিশ্ৰ, কমলাবাৰী আঞ্চলিক মইনা পাৰিজাতৰ মইনা বন্দীতা বৰা, সোৱণশিৰী মইনা পাৰিজাতৰ মইনা চিন্ময়ি বৰা, নৱজ্যোতি মইনা পাৰিজাতৰ মইনা পাৰঙ্গম ভূঞা, জ্ঞানোদয় মইনা পাৰিজাতৰ মইনা হিশীকেশ হাজৰিকা, সুকুমাৰ মইনা পাৰিজাতৰ মইনা আৰ্হি প্ৰিয়দৰ্শনী শইকীয়াই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে শিশু বন্ধু লোহিত বৰা, সদৌ অসম মইনা পাৰিজাতৰ কাৰ্যনিৰ্বাহ সদস্য প্ৰবীণ ভূঞা, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, উপসভাপতি বাবুল শৰ্মা, সাধাৰণ সম্পাদক শশীধৰ বৰুৱাই আৰু আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ গড়মূৰ শাখা লেখিকা সমিতিৰ সভানেত্ৰী সৰজু দত্ত, জিলা প্ৰকল্প বিষয় দিব্যজ্যোতি শইকীয়া, ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি তিলক ৰাজখোৱা, নামনি মাজুলী মইনা পাৰিজাতৰ সম্পাদক যদুমনি ভূঞা, গড়মূৰ সদৰ আঞ্চলিক উপদেষ্টা অনিল চৰকাৰ, শিশু বন্ধু ট্ৰিবেণী পায়েং, আদি ব্যক্তি সকলে। অনুষ্ঠানত যোৱা এমহীয়াকৈ অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল ঘোষণা কৰাৰ লগতে স্থান প্ৰাপক সকলক প্ৰমাণ পত্ৰ, ট্ৰফী আদিৰে পুৰস্কৃত কৰাৰ লগতে অংশগ্ৰহণ কাৰী সকলো মাইনাক প্ৰশংসা আৰু উদাগণিমুলক বঁটা প্ৰদান কৰে। গড়মূৰ আঞ্চলিক মইনা পাৰিজাতৰ এই ব্যতিক্ৰমী মাহেকজোৰা "মধ্যকালীন শিশু সমাৰোহ আৰু শাখালৈ যাওঁ বলক" শীৰ্ষক দীঘলীয়া আৰু ব্যয় বহুল কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত যি সকল শিশুপ্ৰেমী আৰু সদাশয় ৰাইজে বিভিন্ন দিশেৰে সহায় সহযোগিতা আৰু গঠনমূলক পৰামৰ্শৰে সফল্যমণ্ডিত কৰি তুলিলে তাৰ কাৰণেই গড়মূৰ আঞ্চলিক মইনা পাৰিজাতৰ তৰফৰ পৰা সভাপতি ৰাজীৱ ভূঞা আৰু সম্পাদক দেৱজিত বৰাই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# শিলিগুৰিৰ ৰাষ্ট্ৰীয় ছেম্পিয়নশ্বিপত এএইচপিএছৰ কেৰাটেকা সকলৰ সফলতা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ আগষ্ট ঃ** তিনিচুকীয়াৰ অসম হাইটছ পাব্লিক স্কুলৰ শিক্ষাৰ্থীসকলে শিলিগুৰিত অনুষ্ঠিত ৰাষ্ট্ৰীয় কেৰাটে প্ৰতিযোগিতাত উজ্জ্বল প্ৰদৰ্শন কৰি কাটা (Kata) আৰু কুমিতে (Kumite) শাখাত একাধিক পদক লাভ কৰিবলৈ সক্ষম হয়। দেশৰ বিভিন্ন প্ৰান্তৰ ৩০০ জনতকৈ অধিক প্ৰতিযোগীৰ মাজত বিদ্যালয়খনৰ উদীয়মান কেৰাটেকাসকলে অসাধাৰণ দক্ষতাৰ পৰিচয় দিয়ে। ট্ৰেভিছ ছাংমা আৰু বিৰাজ দে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ প্ৰদৰ্শক হিচাপে আত্মপ্ৰকাশ কৰি কাটা আৰু কুমিতে- দুয়োটা শাখাতে সোণৰ পদক অৰ্জন কৰে। এবিগেইল ছাংমাই কাটা শাখাত সোণৰ পদক আৰু কুমিতে শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে। ধৃতি আগৰৱালে কাটা শাখাত সোণৰ পদক আৰু কুমিতে শাখাত ব্ৰঞ্জৰ পদক লাভ কৰাৰ লগতে আৰাধ্যা কাৰৱাই কাটা শাখাত সোণৰ পদক আৰু কুমিতে শাখাত ৰূপৰ পদক জয় কৰে। বিদ্যালয় কৰ্তৃপক্ষই পদক বিজয়ী শিক্ষাৰ্থীসকল আৰু তেওঁলোকৰ প্ৰশিক্ষকসকলক আন্তৰিক অভিনন্দন জনাই কয় যে এই সাফল্য শিক্ষাৰ্থীসকলৰ কঠোৰ পৰিশ্ৰম, শৃংখলা আৰু একাগ্ৰতাৰ ফল। লগতে শিক্ষাৰ্থীসকলৰ অভিভাৱক আৰু শুভাকাংক্ষী সকলৰ অবিৰত সহযোগিতাৰ বাবেও বিদ্যালয় কৰ্তৃপক্ষই কৃতজ্ঞতা জ্ঞাপন কৰে।

# দৌলাশাল আৰক্ষীৰ অভিযানত পুনৰ দুচকীয়া বাহন জব্দ

## মুকালমুৱা থানাৰ ১০৮/২৬ গোচৰৰ অন্যতম অভিযুক্ত কালাচান্দ আলী পলাতক

**অসম বাৰ্তা, দৌলাশাল, ২ আগষ্ট ঃ** নলবাৰী জিলাৰ দৌলাশাল আৰক্ষীয়ে জুৱাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ২৯ জুলাইত দৌলাশাল আৰক্ষীয়ে আৰক্ষী চকীৰ এলেকাধীন কাপলাবড়িত জুৱাৰ বিৰুদ্ধে অভিযান চলাই আতোৱাৰ ৰহমানক গ্ৰেপ্তাৰ কৰি অভিযান অব্যাহত ৰাখিছে। ৩১ জুলাইত ধৃত আতোৱাৰ ৰহমানক নলবাৰীৰ মহামান্য আদালতত হাজিৰ কৰাই দুদিনৰ বাবে আৰক্ষীৰ জিম্মাত লয় আতোৱাৰ ৰহমানক। ধৃত আতোৱাৰ ৰহমানক আৰক্ষীয়ে জেৰা চলাই আতোৱাৰৰ স্বীকাৰোক্তিৰ ভিত্তিত কালি নিশা পুনৰ এখন দুচকীয়া বাহন জব্দ কৰে দৌলাশাল আৰক্ষীয়ে। আৰক্ষীয়ে বাহনখন জব্দ কৰি ইতিমধ্যেই আইনগত ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে দৌলাশাল আৰক্ষীয়ে ২৯ জুলাইত জুৱাৰ বিৰুদ্ধে অভিযান চলাই জুৱাখেলত ব্যৱহৃত সামগ্ৰী, জুৱাৰীৰ বাহন আদি উদ্ধাৰ কৰি অবৈধ বিত্তীয় প্ৰতিষ্ঠান এটা উৎখাত কৰিছিল। অবৈধ বিত্তীয় প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী তথা জুৱাখেলৰ অন্যতম অভিযুক্ত কালাচান্দ আলী সম্প্ৰতি পলাতক হৈ আছে। উল্লেখযোগ্য যে দৌলাশাল আৰক্ষীৰ অজ্ঞাতে মুকালমুৱা থানাৰ অন্তৰ্গত কাপলাবড়িত চলি অহা জুৱা খেলখনে অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট কৰি আহিছিল। স্থানীয় একাংশ সচেতন ব্যক্তিয়ে জুৱা খেলখন সন্দৰ্ভত দৌলাশাল আৰক্ষীক অৱগত কৰোৱাত দৌলাশাল আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতি কমল বনিয়াৰ নেতৃত্বত আৰক্ষীয়ে জুৱা খেলখন উৎখাত কৰিবলৈ সক্ষম হৈছিল।

# গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ আগষ্ট ঃ** "প্ৰতিভা প্ৰথমে নিচাৰ পৰাই অংকুৰিত হয়। এই নিচাক পেশাৰ স্তৰলৈ উত্তৰণ সাধিব পাৰিলেই জীৱনত সফলতা অৰ্জন কৰিব পাৰি।" অসম চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত সমষ্টি ভিত্তিত অনুষ্ঠিত নাটক আৰু টেৰাকটাৰ এক ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি অনুষ্ঠান উদ্বোধন কৰি ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই বক্তৃতাৰ প্ৰসংগত এই মন্তব্য কৰাৰ লগতে কয় যে নাটকে সমাজ জীৱনৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক প্ৰতিফলিত কৰে। তেখেতে নাট প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থী সকলক উদ্দেশ্যি কয়, যিকোনো প্ৰতিভাক সফলতাৰ শাৰীলৈ উত্তৰণ সাধিবলৈ সংশ্লিষ্ট বিষয়ত কৌশল আৰু জ্ঞান সমানে আয়ত্ত কৰিব লাগিব। ৰূপাই চাইডিঙৰ বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান 'সংযোগ'ৰ তত্ত্বাৱধানত 'পিনাকী' নাট্য বিদ্যালয়ত যোৱা ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে নাটক আৰু টেৰাকটা শিতানত এই কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল আৰু ৩১ জুলাইত ৰূপাই চাইডিং স্থিত অসম ট্ৰাইবেল সংঘৰ প্ৰেক্ষাগৃহত সামৰণি অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাৰ সঞ্চালনাত অনুষ্ঠিত আৰু 'পিনাকী'ৰ মুখ্য উপদেষ্টা ৰাজীৱ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত ডুমডুমাৰ বিশিষ্ট সাংবাদিক নিৰ্মল বড়াক মানপত্ৰ, গামোচা, চেলেং, স্মাৰক আৰু কিতাপৰ টোপোলা প্ৰদানেৰে সম্বৰ্দ্ধনা জনোৱা হয়। এই অনুষ্ঠানত ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্ত, সম্পাদক প্ৰদীপ কুমাৰ মৰাণ, কৃষক নেতা ৰাতুল হাজৰিকা, ৰিফেক্লছন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তথা নাট্যকৰ্মী ঘনকান্ত মৰাণ, বোলছবি তথা মঞ্চ অভিনেতা সুনিত কুমাৰ বৰাই অংশগ্ৰহণ কৰি পিনাকী নাট্য বিদ্যালয় আৰু 'সংযোগ'ৰ কৰ্মৰাজিক ভূঁয়সী প্ৰশংসা কৰি প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়ায়। উক্ত পোন্ধৰ দিনীয়া কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে আছিল, 'সংযোগ'ৰ সঞ্চালক জয়সূৰ্য বৰা, আৰু TIE- Tripura NSD উত্তীৰ্ণ, উদীয়মান নাট, মঞ্চসজ্জা তথা নাট -সংগীত পৰিচালক খঞ্জন শইকীয়া। আমন্ত্ৰিত প্ৰশিক্ষক হিচাপে আছিল, দিল্লী NSD উত্তীৰ্ণ, বলিউদৰ অভিনেতা, অসমীয়া বোলছবিৰ তথা মঞ্চ অভিনেতা সুনিত কুমাৰ বৰা আৰু নৃত্য বিশাৰদ, বোলছবি তথা মঞ্চ অভিনেত্ৰী নয়নী মহন্ত আৰু সংগীত বিশাৰদ, কণ্ঠ-শিল্পী, মঞ্চ আৰু বোলছবি অভিনেত্ৰী বনশ্ৰী বাইলুং। এই সামৰণি অনুষ্ঠানত দুখন চুটি নাটক ক্ৰমে শ্বেতাৰ ৰচনা আৰু অঞ্জন শইকীয়াৰ পৰিচালনাৰে 'কবিৰ - সত্যৰ সন্ধান' আৰু নয়নী মহন্তৰ ৰচনা আৰু পৰিচালনাৰে 'দহেজ এক কু প্ৰথা' নামৰ দুখন চুটি নাটক মঞ্চস্থ কৰা হয়। সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে 'পিনাকী'ৰ সঞ্চালক জয়সূৰ্য বৰা আৰু সহকাৰী সঞ্চালক সাৰংগ নাথে।

# বিশ্বনাথত বিধায়ক পল্লৱ লোচন দাসৰ উদ্যোগত আয়োজিত 'দীক্ষা' এক প্ৰয়াসৰ শুভাৰম্ভণি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ

**অসম বাৰ্তা, জিনজিয়া, ২ আগষ্ট ঃ** বিশ্বনাথৰ বিধায়ক পল্লৱ লোচন দাসৰ উদ্যোগত বিশ্বনাথ বিধানসভা সমষ্টিৰ অন্তৰ্গত ছাত্ৰ ছাত্ৰী তথা শিক্ষিত যুৱক যুৱতী সকলৰ শৈক্ষিক উত্তৰণৰ দিশত গ্ৰহণ কৰা "দীক্ষা"ৰ আজি কমলাকান্ত নাট্য সমাজত শুভাৰম্ভণি কৰে ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ভাষণ প্ৰসংগত কয়, ৰাজ্যত অতি সোনকালে ইউটিউবৰ জৰিয়তে পাঠদান আৰম্ভ হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে নিউজ লাইভৰ মুখ্য পৰিচালন সঞ্চালক চৈয়দ জাৱিৰ হুছেইন, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, বিশ্বনাথ জিলা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ হিৰণ্য বৰা, জিলা বিজেপিৰ সভাপতি অসীম কুমাৰ দাস, ডায়েটৰ অধ্যক্ষ চন্দন কুমাৰ ভুঞা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে, দীক্ষাৰ জৰিয়তে আৱাসিক আৰু অনা আৱাসিক ধৰণে জে.ই.ই আৰু নীট পৰীক্ষাৰ বাবে ছাত্ৰ ছাত্ৰী সকলক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ইফালে, বিধায়ক পল্লৱ লোচন দাসে কয়, আগন্তুক দিনত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

# শিৱসাগৰৰ বন্যাৰ্তৰ মাজত বান সাহায্য বিতৰণ কলিয়াবৰ প্ৰেছ ক্লাৱৰ

**অসম বাৰ্তা, কলিয়াবৰ, ২ আগষ্ট ঃ** উজনিত প্ৰলয়ংকাৰী বানে বিভীষিকা সৃষ্টি কৰাৰ পাছত বৰ্ণ্যাত সকলৰ মাজত আজি খাদ্য সামগ্ৰী বিতৰণ কৰে কলিয়াবৰ প্ৰেছ ক্লাৱে। এই বান সাহায্য বিতৰণ কাৰ্যসূচীত সহযোগ কৰে ক্ৰমে- কলিয়াবৰজন স্বাস্থ্য কাৰিকৰী বিভাগ-, জলসিঞ্চন বিভাগ-, বৰভগীয়া মহিলা সমিতি, আঞ্জুক পানী গাঁও পঞ্চায়ত, পূবথৰীয়া গাঁও পঞ্চায়ত, পূব পুৰথৰীয়া গাঁও পঞ্চায়ত, হাটবৰ গাঁও পঞ্চায়ত, লাইলুৰী গাঁও পঞ্চায়ত, কলিয়াবৰ মৰিয়া সমাজ, ব্যৱসায়িক সন্থাৰ লগতে কলিয়াবৰ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ নৰেন্দ্ৰ নাথ হাজৰিকা, বিশিষ্ট লেখক সমালোচক ভূপেন শৰ্মাকে ধৰি বহুজন সুহৃদবান লোকৰ সহযোগত কলিয়াবৰ প্ৰেছ ক্লাৱৰ সদস্য সহ বৃহত এটি দলে শিৱসাগৰৰ বিভিন্ন ঠাইত বানে বিধ্বস্ত কৰা অঞ্চল পৰিভ্ৰমণ কৰাৰ লগতে নিমাইজান আদি অঞ্চলত বান সাহায্য বিতৰণ কৰে। তেখেত সকলে শিশু খাদ্য, বাচন-বৰ্তন, অত্যাৱশ্যকীয় খাদ্যৰ লগতে ঔষধ, আঁঠুৱা, ব্লিচিং পাউডাৰ, ফেনাইল, কাপোৰ বন্যাৰ্ত সকলৰ মাজত বিতৰণ কৰাৰ কথা কলিয়াবৰ প্ৰেছ ক্লাৱৰ সভাপতি তৰুণ মুক্তিয়াৰ আৰু সম্পাদক গৌতম কুমাৰ বৰাই জানিবলৈ দিয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন